৩য় সংখ্যা ঃ ৮ মার্চ, ২০১৮

# ঈক্ষা Eeksha



TINSUKIA COLLEGE LIBRARY ESTD 1956

## মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ

### তিনিচুকীয়া মহাবিদ্যালয়

সম্পাদক - ড° ৰূপালী গগৈ

# সম্পাদনা সমিতি



ড° ভুবন গগৈ
পৃষ্ঠপোষক
অধ্যক্ষ, তিনিচুকীয়া মহাবিদ্যালয়



অন্জনা গোস্বামী
উপদেষ্টা



ড° বন্দনা পূজাৰী
উপদেষ্টা
সমন্বয়ক, মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ



সংগীতা বৰুৱা
উপদেষ্টা



ড° ৰূপালী গগৈ
সম্পাদক



মানসী ৰাজখোৱা
সদস্য



মণিকা দাস
সদস্য



ময়ূৰী শৰ্মা বৰুৱা
সদস্য



ড° পল্লৱী গগৈ (লাইব্ৰেৰীয়ান)
সদস্য

# ঈক্ষা
## *Eeksha*

৩য় সংখ্যা ঃ ৮ মাৰ্চ, ২০১৮

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

## মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ
তিনিচুকীয়া মহাবিদ্যালয়

# ঈক্ষা

তিনিচুকীয়া মহাবিদ্যালয়ৰ IQACৰে আংশিক অৰ্থসাহায্যত ‘মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ’ৰ দ্বাৰা প্ৰকাশিত দ্বি-ভাষিক আলোচনী।

পৃষ্ঠপোষক ঃ ড° ভুবন গগৈ
অধ্যক্ষ, তিনিচুকীয়া মহাবিদ্যালয়।

উপদেষ্টা ঃ অনুজনা গোস্বামী
ড° বন্দনা পূজাৰী
সমন্বয়ক, মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ।
সংগীতা বৰুৱা

সম্পাদক ঃ ড° ৰূপালী গগৈ

সদস্য ঃ মানসী ৰাজখোৱা
ড° পল্লৱী গগৈ (গ্ৰন্থাগাৰিক)
মণিকা দাস
ময়ূৰী শৰ্মা বৰুৱা

বেটুপাত ঃ আফ্চানা বেগম

মূল্য ঃ ৫০.০০ টকা

মুদ্ৰণ ঃ অসম এণ্টাৰপ্ৰাইজেজ্
কলেজ পথ, পৰ্বতীয়া
তিনিচুকীয়া

প্ৰবন্ধসমূহত প্ৰকাশিত মন্তব্যৰ বাবে সম্পাদনা সমিতি জগৰীয়া নহয়।

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

## উচৰ্গা



অকালতে হেৰাই যোৱা সহকৰ্মী
যাৰ উমাল সান্নিধ্য আৰু স্মৃতি
আমাৰ মাজত চিৰ সেউজ
হৈ ৰ'ব সেইগৰাকী সতীৰ্থ
মনোজ গোস্বামীৰ
পবিত্ৰ স্মৃতিত
এই সংখ্যাৰ ‘ঈক্ষা’
অৰ্পণ কৰা হ'ল।

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

OFFICE OF THE PRINCIPAL

Ph. : 0374-2338340
(M) : 94357 08365

# TINSUKIA COLLEGE

TINSUKIA - 786 125 (ASSAM)
Estd. : 1956
Website : www.tinsukiacollege.com
E-mail : principaltinsukiacollege@rediffmail.com

Ref. No. T/C........................

Date. 6-03-2018

## শুভেচ্ছাবাণী

প্ৰতি,

সম্পাদক, 'ঈক্ষা'
মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ
তিনিচুকীয়া মহাবিদ্যালয়, তিনিচুকীয়া

২০১৮ চনৰ ৮ মাৰ্চ আন্তৰ্জাতিক নাৰী দিৱসৰ উপলক্ষত তিনিচুকীয়া মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন আৰু উন্নয়ন কোষে প্ৰকাশ কৰা 'ঈক্ষা'খনলৈ মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ। নাৰীসকল পুৰুষৰ সমানে আগবঢ়া আৰু সমাজৰ অগ্ৰগতিৰো ধাৰক-বাহক হোৱাতো আমি সকলোৱে কামনা কৰোঁ। দুৰ্বল নাৰী সমাজৰ ওপৰত লিংগভিত্তিক আক্ৰমণ, হত্যা, অৱদমন এখন সুস্থ সমাজৰ চিনাকি নহয়। সমাজৰ অশুভ শক্তিবিলাকৰ বিৰুদ্ধে নাৰী পুৰুষ সংগঠিত হওঁক; সংগঠিত হওঁক অৰ্থনৈতিক আৰু সামাজিক ন্যায়ৰ বাবে। তাকে কামনা কৰিলোঁ।

ড° ভুবন গগৈ
অধ্যক্ষ
তিনিচুকীয়া মহাবিদ্যালয়

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# তিনিচুকীয়া মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন আৰু উন্নয়ন কোষৰ সমন্বয়কৰ দু-আষাৰ

জাৰ্মান সমাজবাদী নেত্ৰী ক্লাৰা জেটকিনৰ নেতৃত্বত ১৯১০ চনত ডেনামাৰ্কৰ কোপেনহেগেনত অনুষ্ঠিত আন্তৰ্জাতিক মহিলা সংগঠনৰ অধিবেশনত নিজ অধিকাৰ সাব্যস্ত কৰাৰ বাবে একগোট হোৱা মহিলাসকলৰ সন্মতি সাপেক্ষে ৮ মাৰ্চ দিনটো সমগ্ৰ বিশ্বতে 'নাৰী দিৱস' ৰূপে পালন কৰাৰ যি সিদ্ধান্ত গ্ৰহণ কৰিছিল সেইটো বিশ্বৰ প্ৰতিগৰাকী নাৰীৰ বাবেই আদৰণীয়। নাৰীৰ অদম্য সাহস আৰু ত্যাগৰ নিদৰ্শন বিশ্ব ইতিহাসৰ পাতে পাতে লিপিবদ্ধ হৈ আছে। ঈৰ্ষণীয় বুদ্ধিমত্তাৰে আজিৰ নাৰীয়ে বিজ্ঞান, প্ৰযুক্তি, সাহিত্য, শিল্পকলা সকলোতে পুৰুষৰ সমানে অকল্পনীয় দক্ষতা প্ৰদৰ্শন কৰি আহিছে। বিভিন্ন ক্ষেত্ৰত প্ৰদৰ্শন কৰা বিচক্ষণতাৰ উপৰিও আজিৰ নাৰীয়ে তেওঁলোকৰ সামাজিক দায়বদ্ধতাও অতি সুন্দৰভাৱে পালন কৰি আহিছে। বিশ্বৰ বিভিন্ন মনিষীয়ে নাৰী- পুৰুষৰ সম অধিকাৰৰ সপক্ষে মত দাঙি আহিছে। গ্ৰীক দাৰ্শনিক প্লেটোৱে নাৰীক পুৰুষৰ সমানে মৰ্যাদা প্ৰদানৰ পোষকতা কৰিছিল। আমাৰ ভাৰতবৰ্ষত গান্ধীজী, স্বামী বিবেকানন্দ আদি মনীষীয়ে স্ত্ৰী শিক্ষা আৰু স্বাৱলম্বিতাৰ ওপৰত গুৰুত্ব দিছিল। তথাপিও আজিৰ সমাজত মুষ্টিমেয় নাৰীয়েহে পুৰুষৰ সমানে নিজ অধিকাৰ সাব্যস্ত কৰিববলৈ সক্ষম হৈছে। গৰিষ্ঠ সংখ্যক মহিলা আজিও অৱহেলিত, নিষ্পেষিত হৈ আছে। আজিৰ মহিলাসকল নিজ অধিকাৰ সম্পৰ্কে সজাগ হোৱাৰ সময় আহি পৰিছে।

তিনিচুকীয়া মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন আৰু উন্নয়ন কোষে নাৰীৰ বিভিন্ন সমস্যাৰ এক বিশ্লেষণাত্মক প্ৰতিচ্ছবি সমাজত দাঙি ধৰাৰ বাবে 'ঈক্ষা'ক প্ৰকাশ কৰি আহিছে। যোৱা দুটা সংখ্যাৰ দৰে 'ঈক্ষা'ৰ তৃতীয় সংখ্যাটোৱেও সমাজৰ বিভিন্ন নাৰী সম্পৰ্কীয় সমস্যাৰ এক সুস্পষ্ট প্ৰতিচ্ছবি প্ৰতিফলিত কৰাৰ প্ৰয়াস কৰিছে। আশা ৰাখিছো পাঠক সমাজে আন্তৰিকতাৰে 'ঈক্ষা'ক আদৰি ল'ব। 'ঈক্ষা' হওক নাৰীৰ মৰ্যাদা তথা অধিকাৰ সম্পৰ্কে নাৰীক সজাগ কৰি তোলাৰ এক নিৰ্ভৰযোগ্য মাধ্যম। 'ঈক্ষা' হওক নাৰীৰ অধিকাৰ তথা মৰ্যাদাৰ এক শক্তিশালী ৰক্ষক।

শেষত আমাক বিভিন্ন প্ৰকাৰে সহায়ৰ হাত আগবঢ়োৱা অধ্যক্ষ মহোদয় আৰু IQAC ৰ সদস্যসকললৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। পাঠক সমাজৰ আন্তৰিক সঁহাৰি পোৱাৰ আশাৰে 'ঈক্ষা'ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

ড° বন্দনা পূজাৰী
সমন্বয়ক
মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ
তিনিচুকীয়া মহাবিদ্যালয়।

দিনাংক ঃ ৮ মাৰ্চ, ২০১৮

## সম্পাদকীয়



"We realize the importance of our voices only when we are silenced"

– Malala Yousafzai

৮ মাৰ্চ; 'নাৰী দিৱস'। এই নাৰীৰূপী লক্ষ্মী, সৰস্বতী, দুৰ্গা, কালী — সকলোকে পূজা কৰা হয়। লক্ষ্মী-সৰস্বতী হৈছে শান্ত-সমাহিত এক মূৰ্তি; কিন্তু দুৰ্গা বা কালীৰ সেই ৰূপ নহয়। তেওঁলোকৰ ৰূপ হৈছে জাগ্ৰত এক শক্তি। দুৰ্গা আৰু কালীয়ে এক এক অসুৰক বধ কৰি সমাজখন ৰক্ষণাবেক্ষণ দিছে। তথাপিও নাৰী দিৱস পালন কৰিবলগীয়া হৈছে কিয়? কাৰণ পুনৰ নাৰী সত্তাক জগাই তোলাৰ প্ৰয়োজন হৈছে যিহেতু ডাইনী হত্যা, বোৱাৰী হত্যা, যৌতুক প্ৰথা, কন্যা ভ্ৰূণ হত্যা আদি এইখন পৃথিৱীতেই, আমাৰ সমাজতেই ঘটি আছে। নাৰীসকল শিক্ষিত হ'লেই বা নাৰীসকল সবলীকৰণ হ'লেই এই সমস্যাবোৰৰ সমাধান নিশ্চিত নে? ই এক ৰহস্য গধুৰ প্ৰশ্ন। কাৰণ নাৰী হৈয়ো নিজৰ গৰ্ভস্থ সন্তানটো ল'ৰা হোৱাটো বাঞ্ছা কৰে, এগৰাকী মাকে যৌতুক দিবলৈ যিদৰে সাজু হয়, সেইদৰে যৌতুক ল'বলৈয়ো প্ৰস্তুত হয়। যৌতুকৰ বাবে নাৰী হৈয়ো শাহুৱেকে আন এগৰাকী নাৰী বোৱাৰীক নিষ্ঠুৰভাৱে নিৰ্যাতন কৰিয়েই ক্ষান্ত নাথাকি জীৱন্তে জ্বলাই দিয়াৰ দৃষ্টান্তও আছে। "অন্যত্ৰ বিৰলা দেৱী, কামৰূপে গৃহে গৃহে" — কালিকা পুৰাণত বৰ্ণনা কৰা এই কামৰূপ অসমত এতিয়া সৰ্বত্ৰ নাৰী নিৰ্যাতনৰ ঘটনা। নাৰী ধৰ্ষণ, যৌন নিৰ্যাতন, যৌতুকৰ বাবে বোৱাৰী হত্যা, ডাইনী হত্যাৰ খবৰ বাতৰি কাকতত নিতৌ পঢ়িবলৈ পোৱা হ'ল এইখন অসমতে। প্ৰাপ্ত তথ্যমতে অসমত ২০১৪ চনৰে পৰা ২০১৬ চনলৈ নাৰী নিৰ্যাতনৰ মুঠ ৩০,৭৩৬ টা গোচৰ ৰুজু কৰা হৈছে। (উৎস - দৈনিক জনমভূমি, ২ অক্টোবৰ, ২০১৭)।

বহুতে ভবাৰ দৰে নাৰী দিৱস পতা মানে পুৰুষৰ বিৰুদ্ধাচৰণ কৰা নহয়। মাও চে তুঙৰ কথাৰে 'নাৰী হৈছে অৰ্ধ আকাশ'। এই কথা প্ৰত্যেকগৰাকী নাৰীয়ে হৃদয়ঙ্গম কৰিব লাগিব। কাৰণ নাৰী পুৰুষৰদ্বাৰাই কেৱল নিৰ্যাতিতা হোৱা নাই; নাৰী নাৰীৰ দ্বাৰাও নিৰ্যাতিতা হৈছে।

সমাজে আত্মনিৰ্ভৰশীল, শিক্ষিতা বুলি ভবা মহিলাসকলৰ প্ৰত্যেকেই প্ৰকৃততে নিৰ্যাতন মুক্ত হয়নে? কিন্তু তাতোকৈও এক ডাঙৰ প্ৰশ্ন হৈছে যে তথাকথিত আমি শিক্ষিতা বুলি ভবা মহিলাসকলে সাধাৰণ মহিলাসকলৰ মানসিক স্থিতিৰ আওতাৰ পৰা বাহিৰ ওলাব পাৰিছোঁনে? এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ যেতিয়া প্ৰতিগৰাকী নাৰীয়ে অনুধাৱন কৰিব পাৰিব, তেতিয়াহে প্ৰকৃততে নাৰী দিৱসৰ সাৰ্থকতা আহিব। সেই উদ্দেশ্য আগত ৰাখি 'ঈক্ষা'ৰ তৃতীয় বছৰৰ সংখ্যাটি প্ৰকাশ কৰা হৈছে।

'ঈক্ষা'খনৰ প্ৰকাশৰ ক্ষেত্ৰত সততে দিহা-পৰামৰ্শৰে উপকৃত কৰা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° ভুবন গগৈদেৱকো আন্তৰিক শলাগ জনালোঁ। এই সংখ্যাটি প্ৰকাশৰ বাবদ আগবঢ়োৱা অৰ্থ সাহায্যৰ বাবে আভ্যন্তৰীণ মানদণ্ড নিৰূপন কোষ (IQAC)লৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

এই সংখ্যাটি প্ৰকাশৰ বাবে যিসকল ব্যক্তিয়ে তেখেতসকলৰ প্ৰবন্ধ-পাতি দি সহায় কৰিলে তেখেতসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আলোচনীখন সময়মতে প্ৰকাশ কৰি উলিওৱাৰ বাবে অসম এণ্টাৰপ্ৰাইজেজ্ৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মকৰ্তালৈ ধন্যবাদ জনালোঁ। মহিলা অধ্যয়ন আৰু উন্নয়ন কোষৰ সকলো সদস্যৰে শলাগ ল'লো। 'ঈক্ষা'ৰ প্ৰকাশৰ ক্ষেত্ৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱে যিসকল ব্যক্তিয়ে সহায় কৰিলে, তেখেতসকললৈ সম্পাদনা সমিতিৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড° ৰূপালী গগৈ
সম্পাদক, 'ঈক্ষা'
৩য় সংখ্যা

৮ মাৰ্চ, ২০১৮

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# সূচীপত্র


- নাৰী মহিমাময়ী এক মানৱ সত্তা ✍ জয়া ভৰালী হাজৰিকা/১
- মামণি ৰয়ছম গোস্বামী - এক ব্যতিক্ৰমী নাৰী সত্তা ✍ বন্তিমালা দেৱী/৮
- নাৰীবাদী আন্দোলন আৰু বজাৰ মৌলবাদ ✍ ড° অপূৰ্ব ভাস্কৰ গগৈ/১৪
- এগৰাকী ইতিহাসবিদ আৰু এখন গ্ৰন্থ ✍ অনুজনা গোস্বামী/১৬
- Gandhiji on Gender Violence : An Overview ✍ Dr. Bondona Puzari/২০
- ফাকুৱাৰ ৰং... ঃ স্বাস্থ্য আৰু পৰিবেশ সচেতনতা ✍ মণিকা দেৱী/২৪
- Importance of Plants in Our Indoor Environment ✍ Dr. Sanjukta Gohain Baruah/২৮
- বিজ্ঞান বনাম অন্ধবিশ্বাস ✍ ড° দীপিকা ভট্টাচাৰ্য/৩৪
- নাৰীৰ ধৰ্মীয় অধিকাৰ ঃ এটি অৱলোকন ✍ মণিকা দাস/৩৮
- মহিলাসকলে জানিবলগীয়া কেইটামান আইনী অধিকাৰ আৰু আনুষঙ্গিক কথা ✍ ড° ৰূপালী গগৈ/৪১
- বৃত্তিজীৱী মহিলাৰ বিভিন্ন সমস্যা আৰু সমাধান ✍ তুলিকা দাস/৪৪
- Work Environment, Stress and Women ✍ Mayuri Sharma Baruah/৪৯
- Superstition and the Society ✍ Mrs. Meherun Nisha Begum/৫৩
- বৃদ্ধাৱস্থাৰ টুকুৰা ছবি ✍ জয়লক্ষ্মী দত্ত/৫৬
- Women and Science ✍ Dr. Minakshi Chamua/৫৮
- ধৰ্মই যেতিয়া হৃদয়ত প্ৰৱেশ কৰে ✍ ড° ৰুবী বৰুৱা/৬০
- Research on Women's Studies in India ✍ Dr. Pallavi Gogoi/৬২
- ভাষাৰ দৰ্শন আৰু প্ৰকৃতি ✍ মমী শ্যাম/৬৮
- Status of Women in the Igbo African Culture and in the Catholic Church ✍ Violina Borah/৭১
- নাৰী, গান্ধীজী আৰু ভাৰতীয় সমাজ ✍ ৰশ্মিতা বৰকটকী/৭৪
- চাকৰিটো আজুৰি অনা ছোৱালীজনী/৭৮


# নাৰী মহিমাময়ী এক মানৱ সত্তা


জয়া ভৰালী হাজৰিকা

প্ৰাক্তন বিভাগীয় প্ৰধান, প্ৰাণী বিজ্ঞান বিভাগ


বিশ্বৰ সমাজ ব্যৱস্থাত, সি উন্নতেই হওক বা অনুন্নতেই হওক, সকলোতে সূক্ষ্মভাৱে লক্ষ্য কৰিলে পুৰুষ আৰু নাৰীৰ সামাজিক অৱস্থানৰ এক ব্যৱধান উপলব্ধ হয়। একবিংশ শতিকাত কিছু নাৰীয়ে সামাজিক বিভিন্ন দিশত উচ্চ স্থান লাভ কৰি নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সমৰ্থ হ'লেও, সি কোনো সূক্ষ্ম অনুভূতি সম্পন্ন ব্যক্তিয়ে পুৰুষ নাৰীৰ মাজত থকা সমমৰ্যাদাৰ ব্যৱধান অনুভৱ কৰিবলৈ সক্ষম। পুৰুষ-নাৰীৰ মাজত থকা সমমৰ্যাদাৰ ব্যৱধান উপলব্ধি কৰিয়েই নাৰীয়ে ক্ৰমবৰ্ধমান ৰূপত নিজকে শাৰীৰিক আৰু মানসিকভাৱে উন্নীতকৰণৰ হকে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে। নাৰী বৰ্তমান পিছ পৰি ৰোৱা নাই। ই নাৰীৰ বাবে এক শুভ লক্ষণ।

নাৰী পুৰুষতকৈ কোনো গুণে হীন নহয়, বৰং উভয়ৰ ক্ষেত্ৰতে সত্তাৰ মৰ্যাদা এক বা সম পৰ্যায়ৰ। ই বৈজ্ঞানিকভাৱেও এক সমৰ্থিত সত্য। অজৈৱ পদাৰ্থৰ পৰাই নানান ৰাসায়নিক ক্ৰিয়া-বিক্ৰিয়াৰ দ্বাৰা জৈৱ পদাৰ্থৰ উৎপত্তি হয়, যি ৰাসায়নিক পদাৰ্থৰ উৎপত্তিয়ে জীৱক অজৈৱ পদাৰ্থৰ পৰা পৃথক কৰিলে, সি হৈছে— এটা প্ৰজন্মৰ চৰিত্ৰসমূহৰ ধাৰক আৰু বাহক ৰূপে কাম কৰা জৈৱ ৰাসায়নিক পদাৰ্থ 'ডিঅক্সি ৰাইব'নিউক্লিক এচিড' চমুকৈ ডি এন এ (Deoxyribonucleic acid = DNA)। ই সকলো প্ৰাণীৰ দেহকোষৰ কোষকেন্দ্ৰত থাকে। ই এবিধ বৰ্ণহীন, জটিল পাউদাৰৰ দৰে, গধুৰ যৌগ। পাঁচটা কাৰ্বনযুক্ত এটা শৰ্কৰা, এটা ফছফৰিক এচিড আৰু এটা নাইট্ৰ'জেনযুক্ত ক্ষাৰীয় মূলেৰে গঠিত কেতবোৰ একক অণুৰে সৰল ৰৈখিক ৰূপত সজোৱা যৌগ। এই এককবোৰৰ একোটাক নিউক্লিঅ'টাইড বুলি কোৱা হয়। এই পদাৰ্থবিধ কেৱল কোষৰ কোষকেন্দ্ৰতহে পোৱা যায়। বেক্টেৰিয়াৰ পৰা আৰম্ভ কৰি নিম্ন, উচ্চ সকলো প্ৰাণীৰ দেহতে ই বিদ্যমান, এনেকি জীৱশ্ৰেষ্ঠ মানুহৰ দেহতো। লিংগভেদে নাৰী-পুৰুষৰ শাৰীৰিক অৱয়বৰ পাৰ্থক্য থাকিলেও - জীৱনী শক্তিৰ ক্ষেত্ৰত উভয় লিংগই সমান।

মননশীলতাৰ দিশৰ পৰা বিচাৰ কৰিলেও, চিন্তন, মনন, মগজুৰ ক্ৰিয়া-কলাপত সামান্য কিছু তাৰতম্য থাকিলেও, পুৰুষ আৰু নাৰীৰ মাজত প্ৰভেদ বিচাৰি পোৱা নাযায়। বিজ্ঞান অথবা আন যি দিশেৰেই বিচাৰ কৰা নহওক কিয়, পুৰুষ আৰু নাৰীৰ মানৱীয় সত্তাৰ ভিন্নতা বিচাৰি পোৱা নাযায়। নাৰী-পুৰুষৰ স্বাভাৱিক আচৰণৰো বিজ্ঞানে গুৰুত্বপূৰ্ণ ভূমিকা লয়।

কোষ বিভাজনৰ দ্বাৰাই প্ৰাণীৰ দেহৰ গঠন আৰু পূৰ্ণ বিকাশ হয়। জীৱশ্ৰেষ্ঠ মানৱৰ দেহো একে প্ৰক্ৰিয়াৰেই গঠন হয়।

---

** যিসকলে চিন্তা কৰিবলৈ আৰু কাম কৰিবলৈ সাহস কৰে তেওঁলোকেই কৃতকাৰ্যতাৰ সন্মুখীন হয়। ভয়াতুৰৰ কোনো কৃতকাৰ্যতা নাই।* — জৱাহৰলাল নেহৰু

নাৰী স্বভাৱতেই ধীৰ, স্থিৰ, শান্ত, মমতাময়ী আৰু সহনশীলা হয়। এই ক্ষেত্ৰতো, আন উচ্চ স্তৰীয় প্ৰাণীৰ ক্ষেত্ৰত, যৌন প্ৰজননৰ সময়ত, প্ৰজনন তন্ত্ৰত জননকোষ সৃষ্টি কৰিব পৰা প্ৰক্ৰিয়াৰ দৰেই মানৱৰ ক্ষেত্ৰতো, যি জনন কোষৰ হ্ৰাসাত্মক (ক্ৰম'জ'ম বা ডি এন এৰ সংখ্যা অৰ্দ্ধেক কৰি) বিভাজনৰ ফলত যি স্ত্ৰী জনন কোষৰ সৃষ্টি হয়, সি প্ৰাকৃতিক নিয়মমতেই আকাৰত, অস্থিৰ, সৰু, নেজযুক্ত লৰচৰ কৰিব পৰা পুং জননকোষতকৈ ডাঙৰ, যথেষ্ট পুষ্টি যোগান ধৰিব পৰা, ভৱিষ্যত সন্তানক লালন-পালন কৰিব পৰাকৈ সক্ষম হোৱা ধৰণৰ হয়। এই সকলোবোৰ গুণ ভৱিষ্যত মাতৃদেহ আৰু চৰিত্ৰত পৰিস্ফুট হৈ পৰে। এই গুণবোৰ নাৰীৰ চিৰন্তন গুণ। পুং জননকোষবোৰ লৰচৰ কৰিব পৰা হেতুকে চঞ্চল হয়। স্ত্ৰী জননকোষ ধীৰ, স্থিৰ। এই পুং জননকোষ আৰু স্ত্ৰীজনন কোষৰ মিলনৰ ফলত সৃষ্টি হোৱা পিতৃ-মাতৃৰ জননকোষত থকা ডি এন এ যুক্ত কোষবোৰৰ বিভাজনৰ দ্বাৰাই অন্য প্ৰাণীৰ দৰেই, মানৱ সন্তানৰ জন্ম হয়। সি পুৰুষ অথবা নাৰীৰ সন্তান ৰূপেই সৃষ্টি হয় য'ত দুয়ো ধৰণৰ সন্তানেই একে ধৰণৰ জীৱনী শক্তিকেই ধাৰণ কৰে। চৰিত্ৰৰ ধাৰক বাহক ৰূপত থকা জীৱনী শক্তিৰ ক্ষেত্ৰত পুৰুষ আৰু নাৰীৰ কোনো ভিন্নতা নাথাকে।

নাৰীক বিশ্বৰ সকলো প্ৰান্ততে ধৰিত্ৰী অথবা দেৱীৰ ৰূপত কল্পনা কৰা হয়। অষ্ট্ৰিয়াৰ নামনি অঞ্চলত খননৰ দ্বাৰা আৱিষ্কৃত হোৱা এক স্ফীতোদৰা নাৰীকে বিশ্বৰ সৰ্বপ্ৰথম আৱিষ্কৃত নাৰী মূৰ্তিৰ প্ৰতীক বুলি ধৰা হয় বুলি জনা যায়। যাক কোৱা হয় মাতৃ 'ভেনাচ'ৰ মূৰ্তি। এই স্ফীতোদৰা নাৰীয়ে যেন বিশ্বৰ সমগ্ৰ সন্তানক ধাৰণ কৰি আছে। পূবৰ ভাৰতত দুৰ্গা মূৰ্তিকো একে ধৰণেই পূজা-অৰ্চনা কৰা হয়। এনে ধৰণৰ ভাবধাৰাই নাৰীক সততে মাতৃ, ধাতৃ বা জননী ৰূপত কল্পনা কৰাৰ আচাৰৰ প্ৰচলন হয়।

এইখিনিতে উল্লেখ কৰা প্ৰয়োজন পৃথিৱীৰ সকলো প্ৰান্ততে মানুহৰ জন্ম হোৱাৰ প্ৰমাণ আজিকোপতি পোৱা হোৱা নাই। কিন্তু পৃথিৱীৰ বিভিন্ন অঞ্চলত আদিম নাৰী তান্ত্ৰিক সমাজৰ উদাহৰণ পোৱা যায়। তেন্তে ই কেনেকৈ সম্ভৱপৰ হ'ল? কিন্তু আদিম কালৰে পৰা মানুহৰ পৃথিৱীব্যাপি প্ৰব্ৰজনৰ কথা নৃতত্ত্ববিদসকলৰ বিভিন্ন ভাষ্যৰ পৰা জনা যায়। ই পৃথিৱীত নাৰীৰ মহাপ্ৰব্ৰজনৰ কথাকে সূচায় নেকি? ইয়ো এক চিন্তনীয় বিষয়। পুৰুষৰ সন্তান জন্ম দিয়াৰ ক্ষমতা নাই। ই নাৰীৰ এক চেতিয়া অধিকাৰ বা গুণ - নাৰীৰ মহিমা। সেয়ে নাৰী পৃথিৱীৰ প্ৰান্তে প্ৰান্তে পূজিতা আৰু বন্দিতা। নাৰীৰ এই একক প্ৰতিভাই পৃথিৱীৰ প্ৰথম মাতৃ 'ইভ'কো বিস্মৃত কৰিছিল বুলি কোৱা হয়।

মানৱ ইতিহাসে আমাক জানিবলৈ দিয়ে পৃথিৱীৰ আদিম সমাজ মাতৃতান্ত্ৰিক আছিল। ইয়াৰ মূলতে হ'ল নাৰীৰ সন্তান জন্ম দিয়াৰ ক্ষমতা আৰু পৰিয়াল পৰিচালনাৰ ক্ষেত্ৰত নাৰীৰ দায়বদ্ধতা। হাজাৰ হাজাৰ বছৰ জুৰি নাৰীয়ে পৰিয়াল পৰিচালনাৰ তাগিদাত, নিজৰ সন্তানৰ নিৰাপত্তা, বেমাৰ-আজাৰৰ নিৰাময়তা, চিকাৰীজীৱী গৃহস্থৰ নিৰাপত্তা, অন্ন-বস্ত্ৰৰ সমস্যাকে ধৰি নানানটা সমস্যাৰ সমাধান কৰোঁতে, আদিম যুগৰ নিৰাপত্তাহীন হিংস্ৰ পৃথিৱীৰ লগত যুঁজ কৰিব লগা হোৱাত নাৰীৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ ওপৰত পৰিবেশৰ হেঁচা পৰিছিল। ক্ৰমান্বয়ে মানুহ সভ্য হৈ উঠাত, কৃষি কৰ্মত জড়িত হৈ বিত্তৱান হৈ উঠাত, বিভিন্ন ফৈদৰ মাজত, সম্পদৰ বাবে হোৱা যুদ্ধ-বিগ্ৰহত, বিজয়ী জাতিয়ে বা গোটে নাৰীক সন্তান উৎপাদনৰ হেতুৰেই হওক বা দাসী ৰূপেই হওক অপহৰণ কৰাটো এটা সাধাৰণ কথা আছিল। ৰাষ্ট্ৰ ব্যৱস্থা গঢ়ি উঠাত এনেবোৰ কাৰ্য ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰাত নাৰী নিৰাপত্তাহীনতাত ভুগিব লগাত পৰিছিল। এনেবোৰ কাৰণতে নাৰীৰ জীৱন শংকা, নিৰাপত্তাহীনতা উদ্বেগময় ৰূপত পাৰ হৈছিল —

** সকলো পাপেই হ'ল শূন্যতা পূৰ্ণ কৰাৰ প্ৰয়াস।* — ছাইমন ৱেইন



পৰিবেশৰ এই সকলোবোৰ কাৰকে নাৰীক আতংকগ্ৰস্তা, নিৰাপত্তাহীন, ভয়াতুৰ কৰি তুলিছিল। নাৰী-পুৰুষৰ দৰে মুকলিমূৰীয়া নাছিল, এক ভীতিগ্ৰস্ত জীৱন নাৰীৰ বাবে অপৰিহাৰ্য ৰূপত আছিল। নাৰীৰ ব্যক্তি স্বাধীনতা সংকুচিত ৰূপতহে সমাজ বৰ্তি আছিল। ই আছিল যুগ যুগ ধৰি নাৰীৰ বাবে এক গুৰুতৰ সমস্যা।

বিশ্বৰ প্ৰায় সকলো প্ৰান্ততে নাৰীৰ অৱস্থা কিছু দিন আগলৈকে প্ৰায় একেই আছিল।

বিশ্বৰ সভ্যতাৰ লীলাভূমি এছিয়াত আমাৰ সহস্ৰ বছৰীয়া প্ৰাচীন গৌৰৱময় ইতিহাসৰ ভাৰতলৈ লক্ষ্য কৰিলেও দেখা যায় সমান সত্তাৰ অধিকাৰী নাৰীৰ, পুৰুষৰ হাতত সভ্যতাৰ আদি স্তৰ বৈদিক সভ্যতা, তাৰো আগৰ প্ৰাক-বৈদিক কালৰপৰা ভীতা, অসহায়া জীৱনত লাঞ্ছনা-গঞ্জনাৰ অসীম পয়োভৰ। কিন্তু ই অনস্বীকাৰ্য যে পুৰুষ আৰু নাৰীৰ মাজত গুণগত মানদণ্ডৰ কোনো পাৰ্থক্য নাই। কিন্তু সবলীয়ে সুযোগ-সুবিধাৰ অপব্যৱহাৰেৰে সমাজত পুৰুষ-নাৰীৰ মাজত অসমতা বৰ্তাই ৰখাৰ প্ৰয়াস আৱহমান কালৰে পৰাই বিদ্যমান। বৈদিক যুগত মন্ত্ৰদ্ৰষ্টা পুৰুষ ঋষি-মুনিৰ লগতে মন্ত্ৰদ্ৰষ্টা বিদুষী নাৰীৰ নামো পোৱা যায়। ই পুৰুষ-নাৰীৰ সমঅৰ্হতাৰ পৰিচায়ক। মন্ত্ৰদ্ৰষ্টা বিদুষী নাৰী গাৰ্গীক উপনিষদৰ যুগত প্ৰবল প্ৰতাপী ঋষি যাগ্যবল্কই তৰ্কত পৰাস্ত কৰিব নোৱাৰি দমনমূলক বাক্য বাণেৰে জৰ্জৰিত কৰি অৱদমিত কৰি ৰখাৰ কথা সৰ্বজন বিদিত। জ্ঞানেৰে অপাৰগ হ'লেও শাৰীৰিক আৰু মানসিকভাৱে পৰ্যুদস্ত কৰি নাৰীক পুৰুষে দমন কৰি ৰখাৰ ই এক চমকপ্ৰদ উদাহৰণ।

নাৰীক অৱদমিত আৰু লাঞ্ছিত কৰি ৰখাৰ অলেখ উদাহৰণ এইখন ভাৰততে আছে।

ভাৰতত আৰ্যীকৰণৰ সময়ত ব্ৰাহ্মণ্যবাদৰ উত্থানৰ কালছোৱাত সৃষ্ট আৰু বৰ্তমানেও বাহাল থকা বৰ্ণবাদী সমাজ ব্যৱস্থাত নিম্নবৰ্গৰ পুৰুষৰ ঔৰসত উচ্চকুলীয়া নাৰীৰ গৰ্ভজাত সন্তান জন্ম হ'লেও সন্তান আৰু মাতৃ উভয়েই সমাজত নিম্নবৰ্গৰ চণ্ডাল নামেৰে পৰিচিত হয়। কিন্তু উচ্চ বৰ্ণৰ পুৰুষৰ ঔৰসত নীহকুলীয়া নাৰীৰ গৰ্ভজাত সন্তানে সমাজত উচ্চ স্থান পায়। অৰ্থৎ সমাজত গোপন ব্যভিচাৰ চলিছিল, নাৰী ভোগৰ সামগ্ৰীৰূপে ব্যৱহৃত হৈছিল। নাৰী উচ্চ বৰ্ণৰে হওক বা নিম্ন বৰ্ণৰে হওক সমাজত নাৰীৰ স্থান নাছিল— পুৰুষৰ বৰ্ণইহে সমাজত ব্যক্তিৰ স্থান নিৰূপণ কৰিছিল। সমাজত নাৰীৰ স্থান যে নিম্ন ইয়েই প্ৰমাণ কৰে। পুৰুষসকলৰ সকলো কামেই শুদ্ধ আৰু তেওঁলোক মুক্ত আৰু সমাজত মৰ্যাদাপ্ৰাপ্ত। বহুবোৰ উপনিষদৰ পৰা জনা যায় সেই যুগত নাৰী স্বেচ্ছাবিহাৰিণী হ'লেও কেতবোৰ নাৰীক মৰ্যাদা দিয়া হৈছিল। ছান্দোগ্য উপনিষদত পোৱা মতে, জাবালৰ পিতৃ পৰিচয় নথকা সত্ত্বেও গৌতম ঋষিয়ে, জাবালৰ সত্যবাদিতা আৰু মাতৃক সন্মান জনাই, জাবালক 'সত্যকাম' উপাধিৰে ভূষিত কৰি 'ব্ৰহ্মাণত্ব' প্ৰদান কৰিছিল। কিন্তু এই উপনিষদৰ যুগতে ঋষি যাগ্যবল্কৰ আমোলত নাৰী লাঞ্ছিতা হৈছিল। বৰ্ণবাদী সমাজ ব্যৱস্থা গঢ় লৈ উঠিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হৈছিল, গতিকে এনে অলেখ উদাহৰণো সমাজত আছিল।

আনকি ৰামায়ণ মহাভাৰতৰ যুগতো নাৰীৰ অৱস্থা সন্তোষজনক নাছিল। ৰামায়ণৰ সীতাৰ জীৱনো মনুস্মৃতিৰ নিৰ্দেশত চলা সমাজ ব্যৱস্থাৰ আওতাৰ অন্তৰ্ভুক্ত আছিল। সীতাৰ ইচ্ছা-অনিচ্ছাৰ গুৰুত্বহীনতাৰে পতা স্বয়ম্বৰ, ৰামৰ লগত পতিব্ৰতা ৰূপত বনবাস, সৰ্বশেষত সীতাৰ দৈহিক পৱিত্ৰতাৰ ওপৰত পুৰুষ ৰামৰ সন্দেহ ইত্যাদি নাৰী লাঞ্ছনাৰ প্ৰমাণ। বহুতো ৰচকে ৰামায়ণখনৰ কাহিনীৰ নায়িকা সীতাক ৰূপকাত্মক বুলি ক'লেও, বহু পণ্ডিতে সীতাক লৌকিক ৰূপত এগৰাকী নাৰী ৰূপেই অৱতীৰ্ণ কৰাইছে। মহাভাৰততো লোক-কথা ৰূপে প্ৰচলিত

** সকলো প্ৰকাৰৰ আসক্তিয়েই বেয়া, লাগিলে ৰাগিয়াল বস্তুৰ প্ৰতিয়েই হওক বা আদৰ্শবাদৰ প্ৰতিয়েই হওক।*

— কাৰ্ল গুস্তাভ ইয়ুং

কাহিনীৰ আধাৰত নাৰী চৰিত্ৰ অংকিত হৈছে য'ত নাৰীক কেতিয়াবা বহুস্বামীক, কেতিয়াবা দলীয় স্বামীক, কেতিয়াবা এক স্বামীক ৰূপত দেখুওৱা হৈছে। বৌদ্ধ যুগৰ ইতিহাসৰ পৰা জনা যায়, নাৰীক যথাযোগ্য সন্মান দিবলৈ চেষ্টা কৰা হৈছিল। বৌদ্ধ ভিক্ষুণীসকলক লালসাময় পথৰ পৰা সৎ পথলৈ উত্তৰণ ঘটোৱা হৈছিল। চন্দ্ৰগুপ্ত মৌৰ্যৰ দিনত পিতৃ পৰিচয়হীন চন্দ্ৰগুপ্তই মাতৃ 'মুৰা'ৰ সন্মানাৰ্থে বংশৰ নাম 'মৌৰ্য' ৰাখিছিল। ৰজা পুষ্যমিত্ৰই সিংহাসনত উঠি, ব্ৰাহ্মণ্যবাদৰ পুনৰুত্থানৰ হকে কাম কৰিছিল যদিও সেই সময়ত বৌদ্ধ ধৰ্মৰো প্ৰাদুৰ্ভাৱ নোহোৱাকৈ থকা নাছিল। বৌদ্ধধৰ্ম বিভিন্ন শাখাত বিভক্ত হোৱাত, বজ্ৰযানী শাখাত তান্ত্ৰিক ধৰ্ম সোমাই নাৰীৰ অৱস্থান নিম্নগামী কৰা হৈছিল। এনেবোৰ ব্যভিচাৰী কৰ্মকাণ্ডই ভাৰতত বৈষ্ণৱবাদৰ সূচনা কৰিছিল— ই দক্ষিণ ভাৰতত আৰম্ভ হৈ সমগ্ৰ ভাৰতবৰ্ষলৈ বিয়াপি পৰিছিল। দৰ্শন বা চিন্তাধাৰা বেলেগ হ'লেও অসমতো নৱ-বৈষ্ণৱবাদ গঢ়ি উঠিছিল।

বৰ্তমান সময়তো ভাৰতীয় নাৰীৰ সামাজিক স্থান আৰু পদমৰ্যাদা দুখজনক। দুখজনক বুলি নকৈ পুতৌজনক বুলিলেহে প্ৰকৃততে শুদ্ধ হ'ব। বৰ্তমানেও অন্ধবিশ্বাস, কুসংস্কাৰ, ধৰ্মীয় গোড়ামি আদিৰ হেতু ভাৰতীয় মহিলা সমাজ অৱহেলিত। ভাৰতীয় সমাজত নাৰীৰ স্থান নিৰ্ণয়ত 'লিংগ-অনুপাত' এটা স্পৰ্শকাতৰ বিষয়। যোৱা শতিকাৰ তামিলনাডুৰ পৰা প্ৰকাশিত এক শেষতীয়া প্ৰতিবেদনত লিংগ অনুপাতৰ মূল কাৰণ 'কন্যাশিশু হত্যা' বুলি প্ৰকাশ পাইছে। কন্যা ভ্ৰূণ হত্যাৰ বাবে জন্মৰ পূৰ্বেই লিংগ নিৰ্দ্ধাৰণ পৰীক্ষা কৰোৱা হয়। যোৱা শতিকাৰ সত্তৰ দশকৰ পৰা এনে পৰীক্ষা কেন্দ্ৰ আৰু পৰীক্ষাসমূহ দ্ৰুতগতিত বৃদ্ধি পাইছিল। লিংগ পূৰ্ব নিৰ্দ্ধাৰণ পৰীক্ষা প্ৰকৃততে বিসংগতিযুক্ত সন্তান জন্ম দিয়াই পাছত মাকৰ স্বাস্থ্যৰ যতনৰ বাবেহে কৰা হৈছিল যদিও পিছলৈ এই উদ্দেশ্যৰ বিকৃতকৰণ হৈছিল — মূলকথা হৈ পৰিছিল কন্যা শিশুৰ ভ্ৰূণ হত্যা। এনে ধৰণৰ প্ৰথাৰ দীৰ্ঘম্যাদী ফল সমাজৰ বাবে ভয়ানক হৈ উঠিব পাৰে। এই ধৰণৰ ব্যৱস্থাৰ উপৰিও সমাজত নাৰীৰ ওপৰত হোৱা অন্যান্য অত্যাচাৰসমূহ আছেই। বহুতো নিৰ্যাতন সামাজিক আৰু ৰাজনৈতিক প্ৰভুত্ব কায়েমৰ হাথিয়াৰ ৰূপেও ব্যৱহাৰ হয়। নাৰী ধৰ্ষণৰ ঘটনা ভাৰতত ভয়াবহ ৰূপত বৃদ্ধি পাইছে। চৰকাৰী নাৰী আৰু শিশু কল্যাণ মন্ত্ৰালয়ৰ যোৱা শতিকাৰ তথ্যমতে ভাৰতত ধৰ্ষণ প্ৰতি ৪৫ মিনিটত এটা, অপহৰণ প্ৰতি ৪০ মিনিটত এটা, ইভ টিজিং প্ৰতি ৫১ মিনিটত এটা, যৌন উৎপীড়ন প্ৰতি ২৫ মিনিটত এটা, যৌতুকৰ বাবে বোৱাৰী হত্যা প্ৰতি ৫৪ মিনিটত এটা সংঘটিত হয়। বাস্তৱত এই সংখ্যা বহুত বেছি। শিক্ষিতা নাৰীও নিৰ্যাতিতা হয়। এনে অপৰাধমূলক কামৰ ক্ষেত্ৰত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত অসম শীৰ্ষস্থানত। ৰাষ্ট্ৰীয় অপৰাধ লেখ্য কাৰ্যলয়ৰ প্ৰতিবেদনত প্ৰকাশ যে ভাৰতত মহিলাৰ বিৰুদ্ধে কৰা অপৰাধজনিত কাৰণত বছৰি গড়ে ডেৰ লাখ গোচৰ পঞ্জীভূত হয়; ইয়াৰ ৫০ হাজাৰ পাৰিবাৰিক নিৰ্যাতন সম্বন্ধীয়। আৰু বছৰি এনে অপৰাধৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পায়। শৈক্ষিক দিশতো পুৰুষতকৈ মহিলা পিছ পৰা। শৈক্ষিক দিশত কিছু উন্নতি হ'লেও দেশৰ পঞ্চাশ শতাংশ ছোৱালীয়ে উচ্চ শিক্ষা ল'বলৈ সক্ষম নহয়।

থূলমূলকৈ ভাৰতৰ প্ৰেক্ষাপটত ওপৰৰ আলোচনা কৰিলেও, বিশ্বৰ সকলো অংশতেই নাৰীৰ অৱস্থা প্ৰায় একেই। ওপৰৰ আলোচনাই দেখুৱায় — নাৰীৰ স্থান সমাজত উচ্চ স্থানত থকা পুৰুষৰ ৰুচি আৰু বিধান অনুযায়ী নিৰ্ণিত হৈছিল। নাৰী সত্তাৰ কোনো মূল্য বা মৰ্যাদা দিয়া হোৱা নাছিল।

বিশ্বত সসন্মানেৰে জীয়াই থাকিবলৈ হ'লে নাৰীয়ে 'সন্তান জন্ম দিয়া, লালন-পালন কৰা,

** ঘৰুৱা শান্তি উপভোগ কৰিবলৈ ধৈৰ্যৰ প্ৰয়োজন। চঞ্চল আৰু প্ৰাণৱন্ত মানুহে বেছিকৈ পছন্দ কৰে অসুখ অশান্তি।*
*— জৰ্জ ছান্টায়ানা*





গৃহস্থালি সামৰা, অৱসৰৰ সময়ত পুৰুষৰ বিনোদনত সহায় কৰা বা ইন্ধন যোগোৱা' আদি কাৰ্যৰে পুৰুষে বান্ধি দিয়া 'নাৰীত্ব'ৰ কাঠামো নাৰীয়ে অতিক্ৰম কৰিব লাগিব। তাকে কৰিবলৈ হ'লে নাৰীয়ে নিজকে শাৰীৰিক, মানসিকভাৱে সাহসী, নিৰ্ভীক, শিক্ষিতা আৰু স্বাৱলম্বী কৰি তুলিব লাগিব। পুৰুষে বান্ধি দিয়া কাঠামোৰপৰা মুক্তি পোৱা মানে নাৰীত্বৰ পৰা মুক্তি বা নাৰীমুক্তি। নাৰীমুক্তি মানে পুৰুষৰ বিৰোধিতা কৰাটো নুবুজায়, বৰং নাৰীও যে পুৰুষৰ দৰেই মননশীল, যুক্তিবাদী চিন্তাধাৰা বহন কৰা এক 'মানৱ সত্তা' মাত্ৰ তাক পুৰুষৰ সহযোগিতাৰে প্ৰতিপন্ন কৰা। নাৰী পুৰুষৰ বাবে উপভোগ বা বিনোদনৰ সামগ্ৰী মাত্ৰ নহয়।

এই ক্ষেত্ৰত সময়ে সময়ে বহু চিন্তাশীল ব্যক্তিয়ে মত প্ৰকাশ কৰি আহিছে। সোতৰ শতিকাৰ ইংলেণ্ডৰ জন লক (John Locke) আৰু ওঠৰ শতিকাৰ দাৰ্শনিক কণ্ডচেই (Condocei) ৰাষ্ট্ৰীয় নাগৰিক ৰূপে পুৰুষ-নাৰীৰ সমমৰ্যাদা, নাগৰিক অধিকাৰৰ হকে মত প্ৰকাশ কৰিছিল। ইউৰোপত আকৌ ফৰাচী দাৰ্শনিকে নাৰী শিক্ষিতা হৈ স্বাৱলম্বী হোৱাৰ বিৰুদ্ধে মত প্ৰকাশ কৰিছিল। মেৰী উৱলষ্টনক্ৰাফ্‌ট (Mary Wollstonecraft) নামৰ এগৰাকী নাৰীয়ে ফ্ৰান্সত সৰ্বপ্ৰথমবাৰৰ বাবে নাৰী মুক্তিৰ বাটকটীয়াৰূপে 'এ ভিণ্ডিকেচন অব ডি ৰাইট্‌চ অব বিমেন(A Vindication of the Rights of Women with Stricturs on Political and Moral Subjects) নামৰ গ্ৰন্থখন প্ৰস্তুত কৰে। এই গ্ৰন্থই বিশ্বত প্ৰথমবাৰৰ বাবে নাৰীমুক্তি বা পুৰুষৰ সমানে নাৰীৰ ন্যায্য প্ৰাপ্তিৰ অধিকাৰৰ দাবী তুলি ধৰে। তেতিয়াৰে পৰাই 'নাৰীমুক্তি'ৰ ধ্বনি বিশ্বত প্ৰতিভাত হয়। বিশ্বৰ আগশাৰীৰ দেশসমূহৰ নাৰী একত্ৰিত ৰূপত জাগি উঠে। মেৰীৰ জন্ম হৈছিল ১৭৫৯ চনত ইংলেণ্ডত আৰু তেওঁৰ গ্ৰন্থখন প্ৰকাশ হৈছিল ১৭৯২ চনত। মেৰী অবিবাহিতা ৰূপত জীৱিকাৰ সন্ধানত সন্মুখীন হোৱা উত্তপ্ত অভিজ্ঞতা, সম-সাময়িক নাৰীৰ জীৱনৰ নিৰ্মোহ ছবি এখন দাঙি ধৰি প্ৰচলিত ভুল নাৰী শিক্ষাৰ পৰিৱৰ্তে সঠিক শিক্ষা দি, যুক্তিৰ আলোকেৰে সমাজত মৰ্যাদা দিয়াৰ প্ৰয়োজনৰ কথা সমাজৰ চকুত আঙুলি দি দেখুৱাই দিলে। মেৰীয়ে দাবী কৰিছিল উপযুক্ত নীতি সম্বন্ধীয় শিক্ষা, স্বাধীন উপাৰ্জনৰ উপায়, পুৰুষৰ ওপৰত নিৰ্ভৰশীল নহৈ আত্মনিৰ্ভৰশীল হ'বৰ বাবে সকলো ধৰণৰ ৰাজনৈতিক আৰু সামাজিক অধিকাৰ। ঊনৈশ শতিকালৈকে বিবাহিতা মহিলাৰ সম্পত্তিৰ ওপৰত কোনো অধিকাৰ নাছিল, আইনৰ মতে নাৰী নাবালক হোৱা হেতুকে গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ কোনো অধিকাৰ নাছিল। ঘৰুৱা সম্পত্তি হস্তান্তৰৰ ক্ষেত্ৰত কেৱল কন্যাৰ পিতৃ অথবা নাৰীৰ স্বামীয়ে স্বাক্ষৰ কৰাৰ নিয়ম আছিল, সেই সময়তে প্ৰায় দুই শতিকাজোৰা নাৰীমুক্তি আন্দোলন পূৰ্ণোদ্যমে বিশ্বৰ নাৰী সমাজত উথলি উঠে— বিশেষকৈ ফ্ৰান্স আৰু ইংলেণ্ডত।

ফৰাচী বিপ্লৱৰ সময়ত ফ্লৰা ট্ৰিষ্টান (Flora Tristan), মাডাম ৰলা (Madame Roland) আদি কেইবাগৰাকী নাৰীয়ে বিপ্লৱী দলিলত নাৰীমুক্তিৰ প্ৰশ্ন অন্তৰ্ভুক্ত কৰে। তেওঁলোকৰ মতে মানৱ অধিকাৰ প্ৰশ্ন যদি যুক্তিসংগত হয়, তেন্তে নাৰী অধিকাৰৰ কথাও বাদ পৰিব নোৱাৰে।

তাত্ত্বিক দিশৰ নাৰী বিষয়ক বিভিন্ন বিচাৰ, তথ্য, চিন্তাধাৰাই প্ৰমাণ কৰে যে নাৰী একেধাৰে বিকাশৰ ভেটি আৰু ভাগীদাৰ আৰু নাৰী প্ৰগতিৰ একক গুৰুত্ব। নাৰীৰ প্ৰচণ্ড শক্তি। বস্তুবাদী আৰু ভোগবাদী মূল্যৰ আধাৰত প্ৰতিষ্ঠিত পুৰুষতান্ত্ৰিক সমাজ-

ব্যৱস্থা তথা আৰ্থ-ৰাজনৈতিক স্থিতিৰ গুৰিতে শিপাই থকা নাৰী বৈষম্য আৰু নিষ্পেষণ দূৰ হ'লে নাৰী-

** তোমাক মানসিকভাৱে আঘাত কৰিবলৈ দুজন মানুহৰ দৰকাৰ। এজন তোমাৰ শত্ৰু, আনজন তোমাৰ বন্ধু। শত্ৰুজনে তোমাৰ বদনাম ৰতি ফুৰিব, বন্ধুজনে সেই খবৰটো আনি তোমাক দিব লাগিব। — মাৰ্ক টোৱেইন*

পুৰুষৰ সম-অধিকাৰৰ ভিত্তিত এখন সুস্থ সমাজ, এটা বিকাশমুখী সুস্থ জাতি গঢ়ি তোলাত নাৰীয়ে প্ৰভুত ইন্ধন যোগাব পাৰে। ইয়াৰ বাবে নাৰীৰ প্ৰয়োজন হ'ব আত্মনিৰ্ভৰশীলতা; শিক্ষাই দিব আত্মনিৰ্ভৰশীলতা, আত্মনিৰ্ভৰশীলতাই নাৰীৰ আত্মনিয়ন্ত্ৰণৰ সুবিধা দিব। আৰু আত্মনিৰ্ভৰশীলতাই দিব স্বাৱলম্বিতা— যিটো নাৰীৰ বাবে সবাতোকৈ প্ৰয়োজনীয় অৰ্হতা।

সুশিক্ষিত নাৰীয়ে যিদৰে একোটা পৰিয়াল সূচাৰুৰূপে পৰিচালনা কৰিব পাৰে, একেদৰে এগৰাকী সুশিক্ষিতা নাৰীয়ে সামাজিকভাৱে নিপুণা হৈ দেশৰ ৰাজনীতিতো শুভ প্ৰভাৱ পেলাব পাৰে। নাৰীৰ সুশিক্ষিতা হ'লে ৰাজনৈতিকভাৱেও সচেতন হয়। ব্যক্তিগত আত্মনিয়ন্ত্ৰণৰ দৰে ৰাজনীতিত অংশ গ্ৰহণেৰে সমাজ আৰু জাতিৰ ভৱিষ্যত নিৰ্ণয় কৰাটো নাৰীৰ অধিকাৰেই নহয়, কৰ্তব্যও। নাৰীৰ ৰাজনৈতিক অধিকাৰ ক্ৰমান্বয়ে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰত বিশেষকৈ পশ্চিমীয়া দেশবোৰত আৰম্ভ হৈ সমগ্ৰ বিশ্বতে বিয়পি পৰে। ভাৰতো তাৰ ব্যতিক্ৰম নহয়। পঞ্চাশৰ দশকতে ভাৰতৰ নাৰীয়ে ৰাজনৈতিক অধিকাৰ লাভ কৰে।

১৯৪৫ চনৰে পৰা কেইবাখনো সদস্য ৰাষ্ট্ৰই স্বাক্ষৰেৰে ৰাষ্ট্ৰসংঘৰ প্ৰতিনিধি হোৱাৰে পৰা নাৰীৰ স্থিতি বিষয়ক আয়োগ আৰু সিবোৰৰ ব্যৱস্থাপনা, আন্তৰ্জাতিক নাৰীবৰ্ষ পালন, বিশ্ব সন্মিলনসমূহৰ উদ্যোগত যুগুতোৱা প্ৰতিবেদন আৰু প্ৰতিবেদনৰ আলোচনা মৰ্মে কেতবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এনে বিষয়বোৰ হ'ল—

১) বৰ্ধিত হাৰত নাৰী শিক্ষা আৰু নাৰীক কৰ্মক্ষেত্ৰত নিয়োগ

২) জন কল্যাণমূলক ব্যৱস্থা (নাৰীৰ স্বাস্থ্য, সমাজ সচেতনতা বৃদ্ধি কাৰক ব্যৱস্থা)

৩) সামাজিক, ৰাজনৈতিক আৰু নাগৰিক অধিকাৰৰ সমতা

৪) নাৰীৰ নীতি নিৰ্ধাৰণৰ অধিকাৰ

৫) গ্ৰাম্য ক্ষেত্ৰত কাৰিকৰী ব্যৱস্থা প্ৰসাৰ

৬) মহিলা অনুষ্ঠান আৰু প্ৰতিষ্ঠানৰ বিকাশ

৭) মহিলাৰ বিনামূলীয়া শ্ৰমৰ মূল্যদান

ইবিলাক নাৰীৰ সৰ্বদিশত উন্নীতকৰণত সহায়ক হয়। আৰু জাতি গঠন প্ৰক্ৰিয়াত নাৰীক উদগণি দিয়াত সহায় কৰে। F.L.S. (Forward Loading Strategies) কাৰ্যসূচীৰ অন্তৰ্গত নিৰ্দেশনা মতে নাৰীক নতুন আন্তৰ্জাতিক অৰ্থনীতিৰ বিধিৰ আধাৰত কৰ্তব্যসমূহ সম্পন্ন কৰাত নাৰীয়ে যাতে অসুবিধা নাপায়, তাৰ ব্যৱস্থা কৰাৰ কথা আছে, যাতে নাৰীয়ে মুক্ত মনেৰে, চিন্তা শ্ৰমেৰে জাতি গঠন প্ৰক্ৰিয়াত সহায় কৰিব পাৰে। ইয়াৰ দ্বাৰা নাৰীক সিদ্ধান্ত গ্ৰহণ, ৰাজনৈতিক দায়িত্ব পালনৰ বাবে সাজু কৰিব পৰা আৰু লিঙ্গ ভিত্তিক সমতাৰ বিকাশ সম্ভৱপৰ কৰি তোলা হয়।

এইসমূহ কাৰ্যৰ বাবে তথ্যভিত্তিক তৃণমূল পৰ্যায়ৰ গৱেষণাৰ প্ৰয়োজন। তৃণমূল, আঞ্চলিক, ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এইসমূহ কাৰ্যৰ বাবে সম্পদসমূহ (নাৰীক) চিনাক্তকৰণৰ প্ৰয়োজন। ই নাৰীৰ আত্মবিশ্বাস বৃদ্ধি কৰাত সহায় কৰিব।

চতুৰ্থ বিশ্ব সন্মিলনত কেতবোৰ নাৰী সমস্যাৰ ক্ষেত্ৰ বাছি উলিয়াই ব্যৱস্থাপনাৰ বাবে চিন্তা কৰা হৈছিল। সেইবোৰ হৈছে—

১) দৰিদ্ৰতা আৰু নাৰীৰ ওপৰত ইয়াৰ অবিৰত হেঁচা, ২) সকলো পৰ্যায়ত সুশিক্ষা, সুপ্ৰশিক্ষণ পাবৰ বাবে নাৰীয়ে পোৱা বৈষম্যমূলক অপ্ৰতুল অৱস্থা, ৩) স্বাস্থ্য আৰু আনুষংগিক সেৱাসমূহত নাৰীয়ে ভোগ কৰা বৈষম্য, ৪) নাৰী আৰু শিশুৰ ওপৰত হোৱা হিংসা, ৫) নাৰীৰ ক্ষেত্ৰত হোৱা ধৰ্মীয় বা আন ধৰণৰ বিৰোধাচৰণ আৰু সংঘৰ্ষৰ প্ৰভাৱ ইত্যাদিৰ লগতে অৰ্থনৈতিক গাঁথনিৰ

*এজন মানুহক হত্যা কৰা — তুমি এজন হত্যাকাৰী; একলাখ মানুহক হত্যা কৰা — তুমি এজন দিগ্বিজয়ী বীৰ। আটাইবোৰ মানুহক হত্যা কৰা — তুমি ঈশ্বৰ। — জঁ ৰষ্টদে*



ব্যাখ্যাসহ উৎপাদন প্ৰক্ৰিয়াৰ বিষয়ে জ্ঞান দিয়া যাতে নাৰীয়ে তেনে ক্ষেত্ৰতো নিজৰ প্ৰবেশ সাব্যস্ত কৰিব পাৰে।

ভাৰততো বৃটিছৰ আগমনৰ পাছত নৱজাগৰণৰ সূচনা হয়। এই নৱজাগৰণত প্ৰথমে বঙ্গ জাগি উঠে, স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাট সূচনা হয়। বঙ্গৰ লগতে অসমতো বাল্যবিবাহ, বহু বিবাহ আদি প্ৰথাৰ অৱসান ঘটে, বিধবা বিবাহৰ প্ৰচলন হয়, এই আন্দোলনৰ প্ৰবক্তা ৰূপত আমি পাওঁ বঙ্গৰ ৰাজা ৰাম মোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ আদিক। এই ঢৌৱে অসমকো চুইছিল। অসমতো স্ত্ৰী শিক্ষাৰ সূচনা হয়। কটন মহাবিদ্যালয়ত ১৯৩৪ চনত উচ্চ শিক্ষাৰ বাবে ছাত্ৰীৰ নামভৰ্তিৰ অনুমোদন হয়। বহুতো অভিজাত পণ্ডিতে অনানুষ্ঠানিকভাৱে ঘৰুৱাভাৱেও স্ত্ৰী শিক্ষাৰ প্ৰচলন কৰে। ক্ৰমান্বয়ে স্ত্ৰী শিক্ষাৰ প্ৰসাৰ ঘটে— এই প্ৰসাৰ আৰু প্ৰচাৰত ইন্ধন যোগায় মহাত্মা গান্ধীয়ে আন্দোলনৰ সময়ত কুৰি শতিকাৰ আগভাগত অসম ভ্ৰমণ কৰি স্ত্ৰী শিক্ষাৰ উন্নয়নৰ লগতে নাৰীৰ উন্নয়নৰ হকে মাত মতা কাৰ্যই।

বৰ্তমানেও নাৰী মুক্তি সম্পূৰ্ণ হোৱা নাই। কন্যা ভ্ৰূণ হত্যা, নাৰী নিৰ্যাতন, বলাৎকাৰ, যৌতুকৰ বাবে নাৰী হত্যা চলিয়েই আছে। নাৰী নিৰ্যাতনৰ এনে বিষয়বোৰৰ চৰকাৰী-বেচৰকাৰী পৰিসংখ্যাবোৰ বৰ্তমানেও বিভীষিকাময় ৰূপতে আছে।

'নাৰী মুক্তি' নাৰীয়ে নিজেই সাব্যস্ত কৰিব লাগিব। তাৰ কাৰণে শিক্ষা, সাহসিকতা, স্বাৱলম্বিতা নাৰীয়ে অপৰিহাৰ্য ৰূপত আহৰণ কৰিব লাগিব। নাৰীয়ে নিজক চিনি পাব লাগিব— নাৰী কেৱল যৌন আবেদনময়ী উপভোগ্য যৌনসত্তা নহয়, নাৰী-পুৰুষৰ দৰেই এক মানৱসত্তাহে। এই কথা বিশ্বৰ নাৰীয় হৃদয়ঙ্গম কৰাব পাৰিব লাগিব। □□

প্ৰসঙ্গপুথি ঃ

১। গগৈ, কানাই ঃ 'নাৰীৰ বৈশিষ্ট্যৰাজি আৰু উৎকণ্ঠা প্ৰৱণতা', গৰীয়সী, মাৰ্চ, ২০১৩
২। শৰ্মা, ড° অঞ্জলি ঃ 'নাৰী মুক্তিৰ তাৎপৰ্য ঃ পৰিবৰ্তনৰ সোঁতত অসমীয়া নাৰী'। গৰীয়সী, মাৰ্চ, ২০০৫
৩। শৰ্মা, শশী ঃ 'যুগে যুগে নাৰী', গৰীয়সী, মে' ২০০৪



TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM

**Pratibha Devi Singh Patil** (Born: 19 December 1934) is an Indian politician who served as the 12th President of India from 2007 to 2012. A member of the Indian National Congress, Patil is the only woman to hold the office.

*তুমি আনতকৈ নীচ — এনে এটা ধাৰণা তোমাৰ সন্মতি নোহোৱাকৈ কোনেও তোমাৰ মনত সুমুৱাই দিব নোৱাৰে। — ইলিয়নৰ ৰুজভেল্ট*

# মামণি ৰয়ছম গোস্বামী — এক ব্যতিক্ৰমী নাৰীসত্তা

বন্তিমালা দেৱী
প্ৰাক্তন বিভাগীয় প্ৰধান, অসমীয়া বিভাগ

*(৮ মাৰ্চ, ২০১৬, আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে মামনি ৰয়ছম গোস্বামীৰ সোঁৱৰণত তিনিচুকীয়া মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন আৰু উন্নয়ন কোষে অনুষ্ঠিত কৰা জনপ্ৰিয় বক্তৃতাৰ লিখিত ৰূপ)*

মামণি ৰয়ছম গোস্বামী— নামটো উল্লেখ কৰিলেই পলকতে চকুৰ আগলৈ ভাহি আহে স্বমহিমাৰে জিলিক উঠা এগৰাকী দীপ্তিময়ী, প্ৰেৰণাদায়ী, মৰমিয়াল নাৰীৰ মোহময়ী ৰূপ। খ্যাতিৰ শিখৰত আৰোহণ কৰা এই গৰাকী ব্যতিক্ৰমী নাৰীসত্তাই সময়ত গৈ আমৰঙা সত্ৰৰ সত্ৰাধিকাৰ আৰু অবিভক্ত অসমৰ শিক্ষাধিকাৰ, শিক্ষাবিদ স্বৰ্গীয় উমাকান্ত গোস্বামী আৰু স্বৰ্গীয়া অম্বিকা দেৱীৰ জীয়ৰী ড° ইন্দিৰা গোস্বামীক অন্তৰ্লীন কৰি মাকে মৰমতে মতা 'মামণি' নামটোৰেই জগতসভাত বিজয়িনী হ'ল। 'আত্মবল'ৰ মাহাত্ম্য কিমান মামণি বাইদেউৰ জীৱনে আমাক শিকায়। তেওঁৰ বৈচিত্ৰ্যপূৰ্ণ জীৱন পৰিক্ৰমাত উঠা-নমা কৰা হতাশা, দ্বন্দ্ব, সংঘাত আৰু ঘটনা-পৰিঘটনাবোৰৰ মাজৰ পৰা নিজক কেনেকৈ তুলি ধৰি যশ-খ্যাতিৰে বন্দিত হ'ল সেয়া সঁচাকৈয়ে প্ৰেৰণাদায়ক। বাইদেউৰ জীৱনৰ কাহিনী, তেওঁৰ চিন্তাধাৰা, বিচাৰ-বিবেচনা, অনুভৱ, স্বীকাৰোক্তি, প্ৰকাশভঙ্গী, ব্যক্তিত্ব, সাহস, লেখন-শৈলী সকলোতেই যেন ব্যতিক্ৰম। ব্যক্তি আৰু সাহিত্যসেৱী হিচাপে সকলোৰে মাজৰ এগৰাকী হৈও তেওঁ অনন্যা।

ভাৰতৰ সাহিত্যজগতৰ সৰ্বোচ্চ সন্মান 'জ্ঞানপীঠ' বঁটা বিজয়ী মামণি বাইদেউৰ সাহিত্যিক জীৱন সমৃদ্ধ হৈছিল চুটিগল্প, কবিতা, উপন্যাস, জীৱনী, আত্মজীৱনী, অনুবাদ, পুথিসম্পাদনা, প্ৰবন্ধ-নিবন্ধ, বক্তৃতা আদিৰে আৰু ৰামায়ণী সাহিত্যৰ নিৰলস গৱেষক হিচাপে লেখা গৱেষণা-পত্ৰসমূহেৰে। 'কলমৰ অবিহনে জীয়াই থাকিব নোৱাৰো' বুলি কোৱা বাইদেৱে যিহকে লেখিছিল বা যিটোকে কৰিছিল তাত আছিল অন্তৰৰ আহ্বান আৰু বাস্তৱ অভিজ্ঞতাৰ অনুভৱী প্ৰতিফলন।

কৈশোৰ কালত অপইতা হাতেৰে শব্দৰ লগত কলমৰ খেলাৰে আৰম্ভ কৰা সৃষ্টিশীল সাধনাৰ নিৰৱধি যাত্ৰাৰে মামণি ৰয়ছম গোস্বামী পৰৱৰ্তী কালত কেৱল অসমৰে নহয় ভাৰতৰ সাহিত্যাকাশত এক উজ্জ্বল জ্যোতিষ্ক ৰূপে উদ্ভাসিত হোৱাৰ উপৰিও পৃথিৱীত বিভিন্ন স্থানৰ বিদ্বৎ-সমাজতো মোহনীয় ব্যক্তিত্ব আৰু স্বপ্ৰতিভাৰে ভাস্বৰ হ'ব পাৰিলে।

'সোণ পুৰিলেহে উজ্জ্বল হয়'— কথাটো





বাইদেউৰ ক্ষেত্ৰত প্ৰযোজ্য। দুখ-যন্ত্ৰণা, দ্বন্দ্ব-হতাশাৰ জুইত অহৰহ দগ্ধ হৈ থাকিলেও কিন্তু সাৰস্বত সাধনাৰ পৰা কোনো অৱস্থাতে নিজক বিচ্যুৎ কৰা নাছিল। অনেক প্ৰতিকূলতাক অতিক্ৰম কৰি যি অদম্য শক্তি, সাহস আৰু প্ৰস্তুতিৰে তেওঁ জীৱনটো সাৰ্থকভাৱে ৰূপায়ণ কৰি গ'ল সেয়া সমগ্ৰ নাৰী সমাজৰ বাবে গৌৰৱ আৰু প্ৰেৰণা হৈ ৰ'ব। সঁচাকৈয়ে এক ব্যতিক্ৰমী নাৰীসত্তাৰ অধিকাৰী আছিল মামণি বাইদেউ।

প্ৰজ্ঞা আৰু সাধনাৰ সন্তুলনে তেওঁক বিৰল প্ৰতিভাৰ গৰাকী কৰিছিল। য'লৈকে কৈছিল অভিজ্ঞতাৰে সমৃদ্ধ হৈ আহি সেই সোৱাদ সকলোৰে পাব পৰাকৈ তেওঁৰ লেখাৰ মাজলৈ, কথাৰ মাজলৈ লৈ আহিছিল। দেশ-বিদেশৰ অনেক গুণী-জ্ঞানী, যশস্বী লোকৰ সান্নিধ্যত তেওঁৰ প্ৰতিভা উজ্জীৱিত হৈছিল। বিশেষকৈ ৰামায়ণী সাহিত্যৰ নিষ্ঠাৱান গৱেষক হিচাপে তেওঁ অনেক দেশ ভ্ৰমণ কৰিছিল। দিল্লী বিশ্ববিদ্যালয়ৰ পৰা 'প্ৰফেচাৰ এমেৰিটাছ' উপাধি পোৱা প্ৰথম অসমীয়া মামণি বাইদেউৰ জীৱনকালতে তেওঁৰে সাহিত্যৰ ওপৰত তিনিদিনীয়া ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ দিল্লী বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰাটো তেওঁৰ জীৱনৰ অন্য এক গৌৰৱৰ অধ্যায়।

অধ্যাপনা আৰু গৱেষণাৰ কামত সততে ব্যস্ত বাইদেৱে দেশ-বিদেশৰ অনেক অনুষ্ঠানত অংশগ্ৰহণ কৰি পাণ্ডিত্যৰ পৰিচয় দিয়াৰ লগতে বিশিষ্ট অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা বঁটা আৰু সন্মানো লাভ কৰিছিল। তাৰ ভিতৰত দক্ষিণ কোৰিয়াৰ 'এম্বেছেডৰ ফ'ৰ পিচ' আৰু নেডাৰলেণ্ডৰ 'প্ৰিন্স ক্ল'জ এৱাৰ্ড' বঁটাৰে আন্তৰ্জাতিক স্বীকৃতি লাভ কৰি নিজৰ লগতে ভাৰতকো গৌৰৱান্বিত কৰিছিল। সাহিত্য-সংস্কৃতি, বিদ্যায়তনিক কিমান অনুষ্ঠানৰ লগত যে তেওঁ যুক্ত আছিল; অথচ কোনো ভেম বা উচ্চাত্মিকা মনোভাবৰ পৰিচয় পোৱা নগৈছিল। এই গৰাকী নিৰহংকাৰী, সৰলমনা বাইদেউৰ গল্প উপন্যাসৰ ইংৰাজী, হিন্দী, নেপালীকে ধৰি কেবাটাও ভাৰতীয় ভাষালৈ কৰা অনুবাদে সেই ভাষাৰ পঢ়ুৱৈৰ মাজত কেৱল সমাদৰ লাভ কৰাই নহয় কেবাখনো বিশ্ববিদ্যালয়ত পাঠ্যপুথি ৰূপে অন্তৰ্ভুক্ত হোৱাৰো খ্যাতি আৰ্জিছে।

'জনপূৰ্ণ নিৰ্জনত অকলশৰীয়া' আছিল মামণি বাইদেউ। পিতৃ-মাতৃ উভয়ৰে পৰিয়ালৰ আভিজাত্য আৰু ৰক্ষণশীলতাৰ মাজত থাকিও তেওঁৰ গভীৰ জীৱনবোধ, সংবেদনশীলতা আৰু মানৱীয়তা লক্ষণীয়। কুৰি শতিকাৰ চল্লিশ-পঞ্চাশ দশকৰ অসমীয়া সমাজৰ বৰ্ণ-বৈষম্য, কু-সংস্কাৰ, অন্ধবিশ্বাস, অস্পৃশ্যতা, পৰম্পৰাগত আচাৰ-বিচাৰ আদিৰ যেনেকৈ প্ৰতিবাদ কৰিছিল, তেনেকৈ তেওঁৰ লেখাৰ মাজতো সংস্কাৰকামী মনোভাব প্ৰকাশ পাইছিল। আকৰ্ষণীয় ব্যক্তিত্বৰে বাহিৰৰ পৰা দেখাত নিৰ্জু যেন লগা বাইদেউ কিমান নিৰ্ভীক আৰু স্পষ্টবাদী আছিল সেই কথা তেওঁৰ ৰচনাৰ পঢ়ুৱৈয়ে জানে।

সৰুৰে পৰাই সোঁতৰ বিপৰীতে যোৱাৰ লক্ষণ তেওঁ দেখুৱাইছিল। জাত-কুলৰ বিচাৰ থকা সমাজখনত অধিকাৰ গোসাঁইৰ জীয়ৰী হৈ কাৰো হাক-বচন নুশুনি নিম্ন জাত-কুলৰ ল'ৰা-ছোৱালীৰ লগত খেলা-ধূলা কৰি মুকলি মনেৰে ফুৰিছিল। পিছত অৱশ্যে নাদৰ পাৰত বিবস্ত্ৰা হৈ গা ধুইহে ঘৰৰ ভিতৰ সোমোৱাৰ অনুমতি পাইছিল। ঘৰুৱা বন কৰা হৰিজন ল'ৰাৰ বাবে সুকীয়াকৈ থোৱা কাপত চাহ খাই অস্পৃশ্যতাৰ বিৰোধিতা কৰাৰ সাহস সৰু কালতেই কৰিছিল। সমসাময়িক সমাজ ব্যৱস্থাত সত্ৰৰ গোসাঁই বা অধিকাৰসকলে পুষ্পিতা নোহোৱা গোসাঁইৰ ছোৱালীক বিবাহ কৰাৰ নিয়ম আছিল। এনে নিয়মৰ দোহাইৰে বিয়া দিয়া ছোৱালী ফুলতে বিধৱা হৈ অপ্ৰাপ্তিৰ অসুখী জীৱন কটোৱা তেওঁ দেখিছিল। ব্ৰাহ্মণ গোসাঁইৰ বিধৱাসকলৰ বাবে সামাজিক নিয়ম বৰ কঠোৰ আছিল। অম্বুবাচীৰ

চাৰিদিন কঠিন ব্ৰত পালন কৰিবতো লাগিছিলেই, প্ৰাতঃকৃত্যৰ সময়ত মাটিত ভৰি নপৰিবলৈ তামোলৰ ঢকুৰাৰে ভৰিত আচ্ছাদন পৰিধান কৰাৰ বিধান আছিল। কেৱল সমাজৰ স্বাৰ্থত একপক্ষীয়ভাৱে নিৰ্ধাৰণ কৰা বিধি-বিধানৰ বাবে এইসকল নাৰীয়ে জীৱনৰ হৰ্ষ-আনন্দ, ৰং-ৰহইচৰ পৰা বঞ্চিত হৈ লাঞ্ছনা-গঞ্জনা সহি-সামৰি শাস্তি আৰু প্ৰায়শ্চিত্তৰ ভয়ত অতৃপ্তিৰ হুমুনিয়াহ কাঢ়ি জীৱন কটাব লগা হৈছিল। নিজৰ পৰিয়ালতে হওক বা আনৰে হওক বিধৱাসকলৰ প্ৰতি এই অবিচাৰে বাইদেউক ক্ষুব্ধ কৰিছিল, ব্যথিত কৰিছিল। অধিকাৰ গোসাঁইৰ ছোৱালী হ'লেও সমাজত বৰ্তি থকা এই ৰীতি-নীতি বিধি-ব্যৱস্থাবোৰৰ পক্ষপাতিত্বৰ প্ৰতি বিৰোধিতা কৰাৰ সাহস থকাৰ বাবেই তেওঁৰ লেখাত সেইবোৰৰ বিপক্ষে বলিষ্ঠ দৃষ্টিভঙ্গী প্ৰকাশ হৈছে। মানৱতাবাদী চিন্তা-কূপৰ পৰা 'মানুহ'ৰ মুক্তি বিচাৰিছিল। সেই মানুহ যিকোনো স্তৰৰ, যিকোনো বৃত্তিৰ বা লিঙ্গৰ হ'ব পাৰে।

'নগে গড়গাঁৱৰ বতৰা' দিয়াৰ পৰিৱৰ্তে মামণি বাইদেৱে তেওঁৰ লেখাৰ সমলৰ বাবে বাস্তৱ অভিজ্ঞতা আৰু চাক্ষুস প্ৰমাণক গুৰুত্ব দিছিল। সেই ক্ষেত্ৰত তেওঁ দেখুওৱা সাহস এগৰাকী মৰ্যাদাসম্পন্না নাৰীৰ বাবে ব্যতিক্ৰম বুলিয়েই ক'ব লাগিব। সাধাৰণতে অসহজ যেন লগা কিছুমান পৰিবেশ-পৰিস্থিতি অধ্যয়ন কৰিবলৈ তেওঁ সংকোচ নকৰিছিল। গল্পৰ প্ৰয়োজনত শৱদেহ স্পৰ্শ কৰিবলৈ মৰ্গলৈ যাওঁতে নাকত ৰুমাল নোলোৱাকৈ গৈছিল; যিহেতু মৰ্গত পৰি থকা মৃতদেহৰ গোন্ধটোৰ তেওঁৰ প্ৰয়োজন আছিল। তেনেকৈ পতিতালয়ৰ দৰে অত্যন্ত স্পৰ্শকাতৰ ঠাইলৈ যাবলৈও কুণ্ঠিত হোৱা নাছিল। এই দুয়োটা অধ্যয়ন তেওঁ দিল্লী বিশ্ববিদ্যালয়ত অধ্যাপক হৈ থকা সময়ত দিল্লীতে কৰিছিল।

বাইদেউৰ গল্প-উপন্যাসৰ বিষয়বস্তু আৰু পটভূমিৰ বৈচিত্ৰ্য মনকৰিবলগীয়া। অসমীয়াতে লিখিলেও অসমৰ বাহিৰৰ বিষয়বস্তু আৰু পটভূমিও জীৱন্ত ৰূপত অংকণ কৰিছে যেনেকৈ অসমৰ বিষয়বস্তু অসমৰে পটভূমিত সফল ৰূপায়ণ কৰিছে। গভীৰ অন্তৰ্দৃষ্টি, সূক্ষ্ম পৰ্যবেক্ষণেৰে ৰুচিসন্মতভাৱে লেখা তেওঁৰ ৰচনাসমূহত ভাষায়ো স্বাভাৱিক গতি লাভ কৰিছে। সাধাৰণতে বাইদেউৰ ভাষাত কৃত্ৰিমতা আৰু বাগাড়ম্বৰ দেখা নেযায়। তেওঁৰ এটা নিজস্ব কথাশৈলী আছে।

১৯৮৪ চনৰ দিল্লীৰ অগ্নিগৰ্ভা পৰিস্থিতিৰ প্ৰত্যক্ষদৰ্শী আছিল বাবেই মামণি বাইদেৱে ইন্দিৰা গান্ধীক গুলীয়াই হত্যা কৰাৰ পিছত দিল্লীত সংঘটিত লোমহৰ্ষক আৰু নাৰকীয় কাহিনী স্পষ্টভাৱে বৰ্ণনা কৰিব পাৰিছে। পাকিস্তানত জুলফিকৰ আলি ভুট্টোৰ ফাঁচীৰ দিনা দিল্লীৰ বাট-পথ শূন্য হৈ পৰিছিল, ঘৰৰ বাহিৰলৈ মানুহ ওলোৱাৰ পৰিৱেশ নাছিল। তেনেকুৱা অৱস্থাতো পৰিৱেশ-পৰিস্থিতিৰ বুজ ল'বলৈ পাকিস্তান দূতাবাসলৈ বুলি ওলাই যোৱাৰ দুঃসাহস বাইদেৱে কৰিছিল।

কাশ্মীৰতে হওক বা মধ্যপ্ৰদেশতে হওক নতুবা ৰায়বেৰিলীতে হওক শ্ৰমিকসকলৰ জীৱন সংগ্ৰাম তেওঁ সহৃদয়তাৰে পৰ্যবেক্ষণ কৰিছিল। ৰায়বেৰিলীত শ্ৰমিক বিদ্ৰোহৰ সময়ত বিষয়াসকল নিৰাপত্তাহীনতাত ভুগি ঘৰৰ ভিতৰত সোমাই থকা অৱস্থাত বাইদেৱে অকলে আগবাঢ়ি সেই উগ্ৰ শ্ৰমিক সমদলৰ আগত থিয় হৈছিলগৈ। মানৱ ধৰ্মত বিশ্বাস ৰখা বাইদেৱে শ্ৰমিকসকলৰ শোষণ-নিষ্পেষণ নিজে প্ৰত্যক্ষ কৰি প্ৰকৃত ছবিখন পাঠকৰ সমুখ দাঙি ধৰিবলৈ সদায়েই আগ্ৰহী আছিল। এনে ব্যতিক্ৰমী চিন্তাধাৰাৰ বাবেই তেওঁৰ লেখাসমূহ অত্যন্ত সংবেদনশীল আৰু অন্তৰস্পৰ্শী। ইয়াৰ মূলতে আছিল মানৱীয় প্ৰমূল্যবোধক অগ্ৰাধিকাৰ দিয়া বাইদেউৰ মানুহৰ উত্তৰণৰ হকে থকা আন্তৰিক তাড়না।





গভীৰভাৱে মানুহক ভাল পাইছিল বাবে মানুহ অধ্যয়ন তেওঁৰ এক নিচা আছিল। দুঃস্থ, নিঃস্বজনৰ কাৰণে তেওঁৰ অন্তৰে কান্দিছিল। সেইবাবে মানুহৰ কল্যাণ কামনা কৰা বাইদেউৰ আশা, — "জীৱন যন্ত্ৰণাই হাৰাশাস্তি কৰা, জীৱনৰ ৰস-পম শুহি লোৱা যন্ত্ৰণাদায়ক অৱস্থাবোৰ নোহোৱা হওক, যিকোনো পীড়ন-শোষণৰ পৰা মানুহে মুক্তি পাওক।" সেয়ে তেওঁৰ লেখাসমূহত মানৱতাবাদী চিন্তাধাৰা বিচাৰি পোৱা যায়। বহুতে ক'ব খোজাৰ দৰে বাইদেউ কেৱল নাৰীবাদী নাছিল। সেই কথা তেওঁ নিজেও কৈ গৈছে। পুৰুষ-নাৰী উভয়ৰে সৰ্বাঙ্গীন কল্যাণ কামনা কৰা মামণি বাইদেৱে উপলব্ধি কৰিছিল— 'সেইখনেই আদৰ্শ সমাজ য'ত মানুহে মানুহক মানুহ বুলি ভাবে।' তেওঁৰ মানৱতাবাদী চিন্তাধাৰাৰ উৎসও এয়ে।

এক চুম্বকীয় ব্যক্তিত্বৰ অধিকাৰী বাইদেউৰ ৰচনাৰ বিষয়-বৈচিত্ৰ্য, চৰিত্ৰ চিত্ৰণ আদিৰ লগতে তেওঁৰ বহু চৰ্চিত আলোড়ন সৃষ্টিকাৰী আত্মজীৱনী আধালেখা দস্তাবেজ' আৰু 'মোৰ লেখাৰ নেপথ্যৰ কথা'ৰ পৰা তেওঁৰ ব্যতিক্ৰমী নাৰীসত্তাৰ বিষয়ে উপলব্ধি কৰিব পাৰি। এই ব্যতিক্ৰমী সত্তাৰ বিষয়ে আগতীয়াকৈ উমান পায়ে নিশ্চয় হোমেন বৰগোহাঞিদেৱে ২৬ বছৰীয়া মামণি বাইদেউক তেখেত সম্পাদক হৈ থকা খবৰ-কাগজত প্ৰকাশ কৰিবলৈ আত্মজীৱনী লিখিবলৈ কৈছিল। অৱশ্যে বিশেষ কাৰণত আধাবাট নৌযাওঁতেই বন্ধ কৰিব লগা হ'ল। গোস্বামী বাইদেউৰ জীৱন আৰু সাহিত্য একেডাল সূতাৰে গঁথা আছিল। যিমান যন্ত্ৰণা, হতাশা, অন্তৰ্দ্বন্দ্বই জুৰুলা নকৰক, লেখাই আছিল তেওঁৰ জীৱনীশক্তি। সেই কথা অধ্যৱসায়ৰ জ্যোতিৰে উদ্ভাসিত বাইদেউৰ নিজৰ কথাতে প্ৰকাশ— "....একমাত্ৰ সাহিত্যই হৈছে অমৃত, যাৰ ওচৰত মই পৃথিৱীৰ সকলো দুখৰ পৰা পলাই গৈ আশ্ৰয় ল'ব পাৰোঁ।'

হৃদয়ৰ এই নিৰন্তৰ তাগিদাৰ বাবেই কৈশোৰৰ পৰা নিসঙ্গতাবোধ, হতাশাগ্ৰস্ততা আৰু আত্মহত্যাৰ প্ৰবণতাৰে ভাৰাক্ৰান্ত, অস্থিৰ অশান্ত অৱস্থাৰ পৰা মুক্তি পাবলৈ বাইদেৱে কলমটোকে সুহৃদ বুলি লৈছিল। তাৰ পিছতো বিধিৰ বিড়ম্বনাত বৈবাহিক জীৱনৰ দ্বিতীয় বছৰতে অপ্ৰত্যাশিতভাৱে স্বামীক হেৰুৱাই আকাশলৈ চাব নোৱৰা মানুহগৰাকীয়ে প্ৰজ্ঞাৰ ঐকান্তিক সাধনাৰে এসময়ত আকাশ চুব পৰা হ'ল।

জীৱন-যুঁজত জয়ী হ'ল মামণি বাইদেউ। কলিজাত বেদনাৰ মহাভাৰ কঢ়িয়াই ফুৰা বাইদেৱে উপলব্ধি কৰিলে— "যিসকলৰ অৱস্থা মোৰ দৰে হৈছে সেইসকলে আত্মহত্যা কৰিছেনে? সকলো জীয়াই আছে, কাঁইটৰ আঁচোৰ খায়ো, ক্ষত-বিক্ষত হৈ জীয়াই আছে....।" জীৱনৰ প্ৰতি এই ইতিবাচক দৃষ্টিভঙ্গীৰ আঁৰত আছিল বাইদেউৰ মাতৃৰ জীৱন-উদ্দীপক পৰামৰ্শ। অবৰ্ণনীয় দুখবোধ আৰু হতাশাৰ বৃত্তৰ পৰা জীয়েকক উলিয়াই আনিবৰ বাবে তেখেতে কৈছিল— 'সকলো সাধাৰণ মানুহৰ দুখ-দুৰ্দশা আৰু বিষাদ-হতাশাবোধৰ মাজতেই নিজকো বিচাৰি পাব পৰাকৈ তুমি জন্ম দিব লাগিব অদম্য বাসনাৰ, নিজৰ সত্তাৰ ধ্বংসস্তূপৰ মাজতো। তেতিয়াহে তুমি নিজৰ আত্মাৰ শান্তিৰ পৰশ অনুভৱ কৰিবলৈ সক্ষম হ'বা।' এই পৰামৰ্শই বাইদেউৰ ব্যতিক্ৰমী নাৰীসত্তাক মজবুত কৰিলে।

তেওঁৰ গল্প-উপন্যাসৰ অনেক কাহিনী আৰু চৰিত্ৰ ধৰ্ম, বৰ্ণ, লিঙ্গ, সম্প্ৰদায় নিৰ্বিশেষে সমাজৰ শোষিত, বঞ্চিত, দলিত, নিৰ্যাতিতসকলক লৈয়ে মুখ্যতঃ ৰচিত হৈছে। বিভিন্ন চৰিত্ৰসমূহৰ মাজেৰে ফুটাই তোলা, শাৰীৰিক-মানসিক যন্ত্ৰণা, অন্তৰ্দ্বন্দ্ব, প্ৰেম, সমাজ-সচেতনতা, আপোনত্ব, স্পষ্টবাদিতা, মনস্তত্ত্ব, সংস্কাৰ, মানৱতাবাদ, সূক্ষ্ম-অনুভূতি,

সৌহার্দ, আত্মসমালোচনা, মননশীলতা আদি বিশেষত্বই লেখিকাগৰাকীৰ ভিতৰৰ সত্তাটোক পাঠকক অনুভৱ কৰাবলৈ সক্ষম কৰাইছে। কেবাটাও চৰিত্ৰৰ মাজেৰে বাইদেউৰ নিজৰ জীৱনৰ ঘাত-প্ৰতিঘাত, হতাশা, বিষাদ, দ্বন্দ্ব প্ৰকাশ কৰাইছে। বিধৱাসকলৰ প্ৰতি তেওঁ অত্যন্ত সংবেদনশীল হোৱাৰ বাবে তেওঁৰ ৰচনাত বিধৱাই প্ৰাধান্য পাইছে। পৰিয়ালতে হওক বা বৃন্দাবনতে হওক বৰ ওচৰৰ পৰা তেওঁ বিধৱাসকলৰ জীৱনৰ যন্ত্ৰণা দেখিছিল। তথাকথিত সমাজ-ব্যৱস্থাৰ বাবে উচ্চ বৰ্ণৰ নাৰীয়ে স্বামীৰ মৃত্যুৰ পিছত কঠোৰ সংযমী জীৱনৰ অকথ্য যাতনা ভুগিবলগীয়া হৈছিল। তেওঁলোকৰ লগত হোৱা প্ৰবঞ্চনা, প্ৰতাৰণা, অনাচাৰ, ব্যভিচাৰে বাইদেউক অশেষ মনোকষ্ট দিছিল, বিদ্ৰোহী কৰি তুলিছিল। কালৰ কুটিল পাকচক্ৰত এদিন নিজেও স্বামীক হেৰুৱাই দুৰ্বিষহ জীৱনৰ চাকনৈয়াত দিশহাৰা হ'বলগা বাইদেৱে উপন্যাসৰ চৰিত্ৰৰ খাতিৰত অকালতে বিধৱা হোৱা নাৰীৰ অনুভৱ অত্যন্ত সততাৰে উপস্থাপন কৰিছে এইদৰে— 'আচম্বিতে এনে অৱস্থাত পৰা মানুহ এজনীৰ অৱস্থা কেনে হ'ব পাৰে? তেওঁৰ সুস্থ 'চেকচুৱেল' জীৱনৰ এনে আচম্বিত সমাপ্তিয়ে তেওঁৰ মানসিক জগতক কেনে দৰে প্ৰভাৱিত কৰিব পাৰে, এয়া বৰ বিষম ৰহস্যৰ জাল।' এই ৰহস্যৰ বাবেই কোনোবা মুহূৰ্তত মনলৈ অহা দুৰ্বলতাক বান্ধি ৰাখিব নোৱাৰিলে কাৰোবাৰ স্খলন হৈ পাপবোধত ভুগি নিজকে চৰম শাস্তি দিয়ে আৰু কোনোবা হয়তো অৱচেতন মনত ক্ৰিয়া কৰি থকা সংস্কাৰ আৰু নৈতিকতাবোধৰ বাবে শেষমুহূৰ্তত স্খলনৰ পৰা ৰক্ষা পৰে। এই দুয়োটা অৱস্থাকে লেখিকাই চৰিত্ৰৰ মাজেৰে দেখুৱাইছে।

বৃন্দাবনত উপেন চন্দ্ৰ লেখাৰু ছাৰৰ দৰে ঋষিতুল্য শিক্ষাগুৰুৰ তত্ত্বাৱধান আৰু সাহচৰ্যৰে ধন্যা বাইদেৱে ডক্টৰেট ডিগ্ৰীৰ বাবে লেখা গৱেষণাগ্ৰন্থ 'তুলসীদাসৰ ৰামচৰিত মানস'ৰ লগত মাধৱ কন্দলিৰ ৰামায়ণৰ তুলনাত্মক অধ্যয়ন' আৰু ইংৰাজী গ্ৰন্থ Ramayana from Ganga to Brahmaputra' লিখিয়েই ক্ষান্ত থকা নাছিল। ৰামায়ণৰ প্ৰচাৰ আৰু প্ৰসাৰ কাৰ্যত ব্ৰতী হৈ দেশৰ লগতে বিদেশতো ৰামায়ণী সাহিত্যৰ বিষয়ে কৰা চিন্তা-চৰ্চাৰে সমাদৃত হৈছিল। ৰামায়ণ তেওঁৰ বুকুত এনেদৰে সোমাই পৰিছিল যে অৱসৰৰ পিছত 'ৰামাঞ্জলি' নামৰ গুৱাহাটীৰ নিজৰ ঘৰৰ চৌহদত South East Asia Ramayana Research Institute স্থাপন কৰি ৰামায়ণভিত্তিক গৱেষণা কাৰ্যৰ বাবে সুবিধা কৰি ট্ৰাষ্টক অৰ্পণ কৰি যায়। লেখাৰু ছাৰৰ উপদেশ, উদ্যোগ আৰু আশীৰ্বাদ শিৰত লৈ দিল্লী বিশ্ববিদ্যালয়ত আধুনিক ভাৰতীয় ভাষা-সাহিত্য অধ্যয়ন বিভাগত অধ্যাপিকা হিচাপে যোগদান কৰি অৱসৰলৈকে বিদ্যায়তনিক আৰু সাহিত্যিক দুয়ো ক্ষেত্ৰতে নিজক যোগ্যতাৰে প্ৰতিষ্ঠিত কৰি অসম আৰু অসমীয়াৰ গৌৰৱ বঢ়ালে। এই গৌৰৱ তেওঁ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈকে লৈ গ'ল।

সোঁতৰ বিপৰীতে যোৱা গোস্বামী বাইদেৱে আনে নকৰা বা কৰিবলৈ ভয় কৰা বিষয়ত এটা সাহস দেখুৱাই গ'ল। বলি-বিধানৰ বিৰুদ্ধে ৰাজহুৱাভাৱে মাত মতা আৰু এই ধৰ্মীয় স্পৰ্শকাতৰ বিষয়টোকে সমল কৰি অসমৰ অন্যতম পীঠস্থানখনক কেন্দ্ৰ কৰি সাহিত্য ৰচনা কৰা প্ৰথমগৰাকী অসমীয়া সাহিত্যিক সম্ভৱতঃ মামণি বাইদেউ। যুগে যুগে চলি অহা বলি-প্ৰথাৰ যুক্তিযুক্ততা সন্দৰ্ভত বক্তব্য দাঙি ধৰা বাইদেৱে এই অমানৱীয় কাৰ্য সমৰ্থন নকৰিছিল।

নিজৰ মাতৃভূমিৰ প্ৰতি তেওঁ দায়বদ্ধ আছিল। অসমৰ সুখ-শান্তি আৰু প্ৰগতিৰ বাবে দূৰত থাকিও চিন্তা কৰা বাইদেৱে সন্ত্ৰাস-জৰ্জৰিত জন্মভূমিলৈ শান্তি ঘূৰাই অনাৰ বাবে ভয়-সংশয়-সমালোচনা নেওচি আন্তৰিকতাৰে আগবাঢ়ি আহিছিল। এগৰাকী নাৰীৰ

** সকলো প্ৰকাৰৰ হিংসা প্ৰতিৰোধৰ প্ৰধান বল হ'ল আত্মবিশ্বাস। কোনো মানুহেই যেন হিংসাৰ আশ্ৰয় নলয়। — হজৰত মহম্মদ*



শুভ আৰু মঙ্গলময় শক্তিত আস্থা ৰাখি চৰকাৰ আৰু আলফা নেতৃত্বৰ মাজত মধ্যস্থতাকাৰী ৰূপত দায়িত্ব লোৱাৰ সাহসক স্বীকাৰ কৰিবই লাগিব।

ব্যতিক্ৰম তেওঁৰ ব্যক্তিত্বত আছিল। অভিজাত পৰিয়ালৰ সন্তান, সুশিক্ষিত, স্বাৱলম্বী বাইদেৱে আত্মাৰ আহ্বানক সদায়েই প্ৰাধান্য দি আহিছিল। এখন মেলি থোৱা কিতাপৰ দৰেই তেওঁৰ জীৱন। নিজৰ জীৱনৰ অনেক ব্যক্তিগত আৰু গুপুত কথা নিসংকোচে পাঠকক জনাইছে। তেওঁৰ মানত বিধৱা মানে বিবৰ্ণ নহয়, দুৰ্বল বা অপাংক্তেয়ও নহয়। সেয়ে তেওঁ দেখাদেখিকৈয়ে প্ৰচলিত ব্যৱস্থাৰ বিপৰীতে নিজৰ মতে জীৱনযাপন কৰি গ'ল। এটা পৰ্যায়লৈকে বাইদেৱে মুক্ত জীৱন আকোঁৱালি ল'লেও নিজৰ স্বাধীন বিচাৰেৰে এডাল 'লক্ষ্মণ ৰেখা' হয়তো মানি চলিছিল, যাৰ বাবে বিবাহিত স্বামীৰ প্ৰতি প্ৰেম আৰু সন্মান ৰাখি আনৰ নামৰ সেন্দূৰ পিন্ধিবলৈ তেওঁ সন্মত হোৱা নাছিল।

বাইদেউৰ ব্যক্তিত্ব, স্পষ্টবাদিতা আৰু সৌন্দৰ্যই সকলোকে মুগ্ধ আৰু প্ৰভাৱিত কৰিব পাৰিছিল। নানান দায়িত্ব আৰু কৰ্মত ব্যস্ত থাকিলেও তেওঁ যথেষ্ট সাদৰী, অনুভৱী আৰু পৰোপকাৰী মহিলা ৰূপে জনপ্ৰিয় আছিল। একে সময়তে তেওঁ যেনেকৈ আধুনিক চিন্তা-চৰ্চাৰে প্ৰগতিশীল আৰু যুক্তিবাদী, তেনেকৈ সমাজ-সংস্কৃতিৰ প্ৰতিও সচেতন আৰু দায়িত্বশীল আছিল। দেশৰ ৰাজধানীত থকা দিল্লী বিশ্ববিদ্যালয়ত কৰ্মৰত হৈ সুখ্যাতিৰে অধ্যয়ন-অধ্যাপনাৰ লগত জড়িত থাকি, শিক্ষাসদী কাম-কাজত সততে নিজক ব্যস্ত ৰাখি, দেশ-বিদেশৰ নানা ঠাইলৈ ভ্ৰমণ কৰি, অনেক গুণী-জ্ঞানী ব্যক্তিৰ সান্নিধ্যৰে অভিজ্ঞতাপুষ্ট হোৱা বাইদেৱে জীৱনৰ অৰ্ধেক কাল বাহিৰত কটায়ো অৱসৰৰ পিছত উভতি আহিছিল আপোন ঠাইখনলৈ, আপোনৰ মাজলৈ। কিন্তু সকলো আশা-আঁচনি অসম্পূৰ্ণ অৱস্থাতে এৰি অভাৱনীয়ভাৱে বৰ সোনকালে জীৱনৰ পৰা তেওঁ মেলানি মাগিব লগা হ'ল। বাইদেউৰ পাৰ্থিৱ জীৱনৰ অন্ত পৰিল যদিও তেওঁৰ অমূল্য সৃষ্টিৰাজিয়ে অসমীয়া সাহিত্যত বাইদেউক অমৰ কৰি ৰাখিব। তেওঁৰ জীৱন-চৰ্চা, কৰ্মস্পৃহা আৰু সত্য-শিৱ-সুন্দৰৰ বাটেৰে কৰা সাধনাই পাঠকৰ হৃদয় চিৰদিন প্ৰভাৱিত কৰি ৰাখিব। ❑❑

**সহায়ক তথ্য-সূত্ৰ ঃ**

১। হৃদয়ৰ তপস্বিনী ঃ সম্পাঃ ৰাণী গোহাঁই
২। মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প ঃ জ্যোতি প্ৰকাশন
৩। মামণি ৰয়ছম গোস্বামী— স্মৰণ, সৃজন, মনন ঃ সম্পাঃ ড° বিভা দত্ত নেওগ
৪। গৰিয়সী - ১৯৯৮ ষষ্ঠ বছৰ ৩য় সংখ্যা ডিচেম্বৰ
৫। গৰিয়সী - ২০১৩ বিংশ বছৰ ৮ম সংখ্যা মে'
৬। গৰিয়সী - ২০১৩ একবিংশ বছৰ ২য় সংখ্যা নৱেম্বৰ
৭। গৰিয়সী - ২০১৪ একবিংশ বছৰ ৫ম সংখ্যা ফেব্ৰুৱাৰী
৮। গৰিয়সী - ২০১০ অষ্টাদশ বছৰ ৩য় সংখ্যা ডিচেম্বৰ
৯। গৰিয়সী - ২০১২ ঊনবিংশ বছৰ ৫ম সংখ্যা ফেব্ৰুৱাৰী
মামণি ৰয়ছম গোস্বামীৰ ৰচনাৱলী— 'মোৰ লেখাৰ নেপথ্যৰ কথা' সম্পা ঃ হেমন্ত ভৰালী।

** অজ্ঞতা লুকুৱাই ৰাখিব পৰাটোৱেই হ'ল জ্ঞানীৰ পৰীক্ষা। —* **ফ্ৰেঞ্চিছ কোৱেল্‌ছ**

# নাৰীবাদী আন্দোলন আৰু বজাৰ মৌলবাদ

ড° অপূৰ্ব ভাস্কৰ গগৈ
উপাধ্যক্ষ

নাৰীবাদী আন্দোলনৰ মুখ্য ধাৰা দুটা, এটা শ্ৰেণীভিত্তিক আৰু আনটো শ্ৰেণী নিৰপেক্ষ। মাৰ্ক্সীয় নাৰীবাদ প্ৰথমটো। কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেডৰিখ এঙ্গেলচৰ মতাদৰ্শ এই নাৰীবাদৰ ভেটি। লেনিন, অগাষ্ট বেবেল, ক্লাৰা জেটকিন, আলেকজান্দ্ৰা কোলনতাই আদিৰ নেতৃত্বত গঢ় লোৱা এই নাৰীবাদে শ্ৰেণী বৈষম্যক নাৰী নিৰ্যাতনৰ কাৰণ বুলি চিহ্নিত কৰে। পুঁজিবাদ আৰু সামন্তবাদৰ অৱশেষসমূহ আঁতৰাই শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা কৰিব পাৰিলেহে প্ৰকৃত নাৰী মুক্তি সম্ভৱ বুলি ভাবে।

আনহাতে, নাৰীবাদৰ আনটো ধাৰা অৰ্থাৎ শ্ৰেণী নিৰপেক্ষ ধাৰাটোৱেই সমাজত প্ৰবল ধাৰা। ইয়াৰ তিনিটা 'ঢৌ' আছে বুলি চিহ্নিত হৈছে। প্ৰথমটো ঢৌ ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা কুৰি শতিকাৰ ষাঠিৰ দশকলৈকে। দ্বিতীয়টো ঢৌ কুৰি শতিকাৰ ষাঠিৰ দশকৰ পৰা আশীৰ দশকলৈ আৰু তৃতীয়টো ঢৌ কুৰি শতিকাৰ আশীৰ দশকৰ মাজভাগৰ পৰা বৰ্তমানলৈকে। বিশ্বৰ বিশেষকৈ পুঁজিবাদৰ উত্থানৰ বিভিন্ন পৰিঘটনাৰ সৈতে নাৰীবাদৰ এই ঢৌবিলাকৰ বিকাশৰ কাল মিলি যায়।

নাৰীবাদৰ প্ৰথমটো ঢৌ নাৰীবাদৰ স্বাৰ্থত আইনী ব্যৱস্থাসমূহৰ পৰিবৰ্তন আৰু ভোটাধিকাৰ আদিৰ দৰে ব্যৱস্থাসমূহৰ দাবীসমূহ যুক্ত হৈ আছিল। কিন্তু পিছলৈ বিশ্ব পৰিস্থিতিলৈ অহা জটিলতাসমূহে নাৰীৰ আন্দোলনৰ গতিও সলনি কৰিলে। এই দ্বিতীয় ঢৌটোত নাৰীবাদী আন্দোলন বিভিন্ন শাখাত বিভক্ত হ'ল। তাৰে কিছুমান এনেধৰণৰ — 'ব্লেইক' নাৰীবাদ, 'ৰেডিকেল' নাৰীবাদ , 'চিকান' নাৰীবাদ, 'ফ্ৰেন্স' নাৰীবাদ, 'ৰেডিকেল লেচবিয়ান' নাৰীবাদ, 'ডিফাৰেন্স' বা 'ইকুৱেলিটি' নাৰীবাদ, 'ইকুইটি' নাৰীবাদ,'ইক' নাৰীবাদ, 'কালচাৰেল' নাৰীবাদ ইত্যাদি। ইয়াৰে ৰেডিকেল নাৰীবাদ নাৰীৰ দাবী পূৰণৰ বাবে শালীনতাৰ পাৰ ভাঙি বহু দূৰ আগবাঢ়ি গৈছে। এই যুগৰ নাৰীবাদৰ কেৱল আইনী সুৰক্ষাৰ দাবীতে সীমাবদ্ধ নাথাকি লিংগ সাম্য প্ৰতিষ্ঠাৰো দাবী জনায়। যৌনতা, প্ৰজননগত অধিকাৰ, পাৰিবাৰিক হিংসা, ধৰ্ষণ, বিবাহ বিচ্ছেদ আদি নানা প্ৰসংগৰ সমাধানৰ বাবে এই পৰ্যায়ত বিভিন্ন আন্দোলন গঢ় লৈ উঠে।

আনহাতে নাৰীবাদৰ তৃতীয় পৰ্যায়ৰ ঢৌটো গেট চুক্তিৰে বিশ্বৰ চুকে-কোণে নব্য উদাৰবাদী পুঁজিবাদৰ প্ৰচলন সময়ৰ পৰা তাৰ বৰ্তমানৰ বিকাশলৈ চলা কালচোৱা। এই নাৰীবাদৰ চচিয়েল মিডিয়াৰ সৈতে, সম্পৰ্কযুক্ত অংশক কোনোৱে

* জ্ঞানীয়ে তেওঁ যিখিনি কৰিবলৈ সক্ষম, তাক নাভাবে। তেওঁ ভাবে তেওঁ আচলতে কি কৰা উচিত সেইটোহে। — মণ্টেইন



কোনোৱে নাৰীবাদৰ চতুৰ্থ ঢৌ বুলি চিনাক্তকৰণ কৰিলেও এই দুই পৰ্যায়ৰ নাৰীবাদ একেই। প্ৰকৃততে এই গোটেই সময়চোৱাৰ নাৰীবাদক উত্তৰ আধুনিক নাৰীবাদ বুলি অভিহিত কৰিব পাৰি। এই নাৰীবাদে সকলো প্ৰকাৰৰ গ্ৰাণ্ডনেৰেটিভ বা মহা আখ্যানক অস্বীকাৰ কৰে। নাৰীৰ সমস্যাসমূহক ক্ষুদ্ৰ ক্ষুদ্ৰ ৰূপত চিহ্নিত কৰি সেইবিলাকক ক্ষুদ্ৰ আখ্যান বা মিনি নেৰেটিভৰ পথেৰে সমাধান কৰিবলৈ বিচাৰে। নাৰীবাদৰ এইটো ঢৌৱে নাৰীৰ সংস্কৃতিগত সমস্যাকো সাঙুৰি লৈছে। সমকামী আৰু লিংগ পৰিবৰ্তন কৰি নাৰী হোৱা সকলকো এই নাৰীবাদত অন্তৰ্ভূক্ত কৰা হৈছে।

বিশ্বায়নৰ উপভোক্তাবাদৰ প্ৰভাৱৰ পৰা এই নাৰীবাদ মুক্ত হ'ব পৰা নাই।

এতিয়া আহোঁ বজাৰ মৌলবাদলৈ। মুক্ত বজাৰ অৰ্থনীতিক ৰবাৰ্ট জেনচেন, জোচেফ ষ্টিগলিজ আদি বহু অৰ্থনীতিবিদে 'বজাৰ মৌলবাদ' আখ্যা দিছে। ইয়াৰ কাৰণ হ'ল মৌলবাদে যেনেকৈ ধৰ্মীয়, জাতীয়তাবাদী বা নৃতাত্বিক — এনে কোনো এটা বিষয় লৈ তাত মহানত্ব আৰোপ কৰি এক অতীতৰ কল্পৰাজ্য নিৰ্মাণ কৰি সেই বিষয়ে 'সৃষ্ট সত্য'ক অপৰিবৰ্তনীয় আৰু প্ৰত্যাহ্বান কৰিব নোৱাৰাকৈ সংগ্ৰাম বা আন্দোলন গঢ়ি তোলে — ঠিক তেনেকৈ বজাৰ অৰ্থনীতিয়েও বজাৰৰ সৰ্বোচ্চ ব্যৱহাৰক আৰু সৰ্বোচ্চ প্ৰতিযোগিতাক আমোঘ বুলি জনগণক বিশ্বাস কৰায়। বজাৰৰ অদৃশ্য হাতোৰাৰ প্ৰভাৱত জনগণে বজাৰৰ প্ৰৱঞ্চনাকো উপেক্ষা কৰিবলৈ লয়।

বজাৰৰ এই মৌলবাদী আচৰণেই নাৰীকো পুঁজিৰ সৰ্বোচ্চ লাভৰ বাবে বিনোদন আৰু সৌন্দৰ্য ইণ্ডাষ্ট্ৰিৰ নাগপাশত বন্দী কৰি পেলায়।

নাৰীদেহৰ সৌন্দৰ্য বৃদ্ধিৰ বাবে বিশ্বজুৰি বিশাল বজাৰ। এই বজাৰ টিকি আছে নাৰীৰ নিজ দেহৰ প্ৰতি ঘৃণাৰ সৃষ্টি কৰি। প্ৰচাৰ মাধ্যমসমূহে বজাৰ দখলৰ স্বাৰ্থত অহৰহ প্ৰচাৰেৰে নাৰীৰ প্ৰতিটো চাল-চলন ওজন আৰু প্ৰত্যঙ্গৰ একো একোটা ষ্টেণ্ডাৰ্ড নিৰ্দ্ধাৰণ কৰি দিছে। সেই নিৰ্দ্ধাৰিত মান লাভৰ আকাংক্ষাত বিলিয়ন বিলিয়ন ডলাৰৰ সৌন্দৰ্য বৃদ্ধি উপকৰণ বিক্ৰী হৈছে। কচমেটিক চাৰ্জাৰী তেই খোদ আমেৰিকা যুক্তৰাষ্ট্ৰতে ২০১৬ চনত ২৬.৩ বিলিয়ন ডলাৰৰ ব্যৱসায় কৰা হৈছে। সেইদৰে কেৱল আমেৰিকা যুক্তৰাষ্ট্ৰতে ২০২২ চনলৈকে কেৱল সৌন্দৰ্য বৃদ্ধি সামগ্ৰীত ৫১.৬ বিলিয়ন ডলাৰ বিনিয়োজিত হ'ব।

নাৰীবাদৰ উত্তৰ আধুনিক পৰ্বই এই বিলাকলৈ খুব বেছি চকু দিয়া দেখা নাই। তেওঁলোকৰ আন্দোলনেও বিশ্বায়নৰ গৰাহত পৰি ঠাঁৱনি হেৰুৱা দেখা গৈছে। অহা ২৬ আগষ্টত Go Topless, 2018 পালনে তাকেই প্ৰকাশ কৰিছে।

মানৱ প্ৰজাতিটোৰ আধা অংশই নাৰী। প্ৰাগঐতিহাসিক শ্ৰেণী সমাজ সৃষ্টিৰ সময়তে মাতৃতন্ত্ৰৰ অৱসান ঘটে। পিতৃতন্ত্ৰ প্ৰতিষ্ঠা হয়। ফ্ৰেডৰিখ এঙ্গেলচে ইয়াকেই 'নাৰীৰ বিশ্বঐতিহাসিক পৰাজয়' বুলি চিহ্নিত কৰিছিল। নাৰীৰ ওপৰত পিতৃতন্ত্ৰ বা পুৰুষতন্ত্ৰ আৰু শ্ৰেণীবিভক্ত সমাজ দুয়োটাৰে শোষণ অব্যাহত আছে। কিন্তু মনত ৰাখিব লাগিব পিতৃতন্ত্ৰ উপৰি কাঠামোহে ইয়াৰ ভেটিটো শ্ৰেণীভিত্তিক আৰ্থসামাজিক কাঠামোৰ ভিতৰতে আছে।

এই অতি গুৰুত্বপূৰ্ণ বিষয়টো লৈ মন নকৰিলে নাৰীবাদী আন্দোলন বিপথে যাবলৈ বাধ্য। বজাৰ মৌলবাদৰ বাবে সৰ্বোচ্চ লাভ অৰ্জনেই মূল কথা; বাকী যিকোনো কথাই অৰ্থহীন। সমাজৰ শ্ৰেণীভিত্তিটোক অস্বীকাৰ কৰিলে বিশ্ব পুঁজিবাদৰ ফান্দত বন্দী হোৱাৰেই সম্ভাৱনা বেছি। ◻◻

* সম্পদৰ লালসা ৰোধ কৰিবলৈ কোনো সম্পদ পৃথিৱীত সৃষ্টি হোৱা নাই। — জেৰেথী টেইলৰ

# এগৰাকী ইতিহাসবিদ আৰু এখন গ্ৰন্থ

অনজনা গোস্বামী
সহযোগী অধ্যাপক, ইতিহাস বিভাগ

বৌদ্ধিক ক্ষেত্ৰত যিসকল লোকৰ অৱদানক কালজয়ী বুলি অভিহিত কৰিব পাৰি সেইসকলৰ ভিতৰত এক উল্লেখযোগ্য নাম হৈছে ড° স্বৰ্ণলতা বৰুৱা। কিন্তু দুৰ্ভাগ্যৰ বিষয় এয়ে যে তেখেতৰ কৰ্মৰাশিৰ বিষয়ে সুধীসমাজত বিশেষ আলোচনা হোৱা দেখা নাযায়। এনে অনুভৱ হয় তেখেতে যেন মান্য স্বীকৃতি নাপালে। এইক্ষেত্ৰত শ্ৰীযুত লক্ষীনাথ তামুলীদেৱে লিখা এষাৰ কথা প্ৰণিধানযোগ্য। তেখেতে লিখিছিল, "ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৌহদত নিজকে বন্দী কৰি ৰাখি কোনো গৱেষক পণ্ডিতে ভাৰতবৰ্ষৰ কথা বাদেই অসমতে পাণ্ডিত্যৰ স্বীকৃতি আদায় কৰিব পৰাতো সহজসাধ্য নহয়।...ড° স্বৰ্ণলতা বৰুৱা আমৃত্যু ডিব্ৰুগড়তে শিপাই থাকিলে কাৰণে ফলে-ফুলে জাতিস্কাৰ হৈ উঠিও অসমৰ বৌদ্ধিক সমাজৰ অলক্ষিতে ৰৈ গ'ল।" অৱশ্যে তিনিচুকীয়া মহাবিদ্যালয়ৰ মহিলা কোষে জীৱিত অৱস্থাতে তেখেতক বিশেষভাৱে সন্মান জনাইছিল আৰু মহাবিদ্যালয়ৰ আলোচনী 'প্ৰজ্ঞান'ত তেখেতৰ ভাৰতীয় ইতিহাস কংগ্ৰেছত (মধ্যযুগীয় ইতিহাস বিভাগ) দিয়া সভাপতিৰ ভাষণ চোৱাচোৱাকৈ প্ৰকাশ কৰি কৃতজ্ঞতা জ্ঞাপন কৰিছিল।

তেখেতৰ জন্ম হৈছিল গোলাঘাটৰ এক সংস্কৃতিবান পৰিয়ালত ১৯৩৯ চনত। দেউতাক আছিল কুমুদ চন্দ্ৰ দত্ত আৰু মাকৰ নাম আছিল হেমপ্ৰভা দত্ত। অতি সাধাৰণভাৱে থাকি ভালপোৱা স্বৰ্ণলতা বৰুৱা স্বভাৱতে শান্ত আৰু বিনয়ী। অনাবিল হাঁহিৰ মানুহগৰাকীৰ মুখত মাতৃৰ মমতা, দৃঢ় কিন্তু সংযমী বাক, সাহসী উত্থাপন, কঠোৰ শাসন আদি গুণৰ সংমিশ্ৰণ দেখা পোৱা যায়।

শিক্ষা জীৱন আৰম্ভ কৰে গোলাঘাটৰ খৃষ্টানপট্টিত থকা মিশ্যন স্কুলত। এই স্কুলত নগাপাহাৰ, গাৰোপাহাৰ, লুচাই পাহাৰ আদিৰ পৰা অহা ছাত্ৰীসকলক লগ পাই তেওঁলোকৰ লগত একাত্ম হোৱাৰ সুযোগ লাভ কৰি সৰুতেই জাতি-জনজাতিৰ লগত মিলাপ্ৰীতিৰে থকাৰ আদিপাঠ পাইছিল। স্বৰ্ণলতাই প্ৰাইমেৰী পৰীক্ষাত প্ৰথম স্থান, এম.ই পৰীক্ষাত অসম উপত্যকাৰ তৃতীয় স্থান, প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগ, কটন কলেজৰ পৰা বুৰঞ্জী অনাৰ্চত প্ৰথম স্থান লাভ কৰিবলৈও সক্ষম হৈছিল। বি.এ পৰীক্ষা দিয়াৰ পিছতে বিহগুৰিৰ শ্ৰীযুত কৃষ্ণ প্ৰসাদ বৰুৱাৰ লগত তেখেতৰ বিবাহ হয়। মাতৃত্ব আৰু বিবাহে তেখেতক শিক্ষালাভত বাধা দিব নোৱাৰিলে। ন-মহীয়া কেঁচুৱাৰে এম.এ পঢ়ি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত প্ৰথম

* মাংসৰ সোৱাদ নহয়, অতিথিৰ আন্তৰিকতাইহে ভোজৰ তৃপ্তি সূচায়। — ক্ৰেডন



শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰাৰ লগতে স্বৰ্ণপদকেৰে বিভূষিতা হৈ ড° সূৰ্যকুমাৰ ভূঞা সোঁৱৰণী বঁটাও লাভ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত প্ৰথম শ্ৰেণী পোৱা প্ৰথমগৰাকী ছাত্ৰী আছিল ড° স্বৰ্ণলতা বৰুৱা। ১৯৭২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ড° প্ৰতাপ চন্দ্ৰ চৌধুৰীৰ তত্ত্বাৱধানত "Rajmantri Purnananda Buragohain and his Times" বিষয়ৰ গৱেষণা গ্ৰন্থৰ বাবে পি.এইচ.ডি উপাধি লাভ কৰে।

তেখেতে কৰ্মজীৱন বিহগুৰি হাইস্কুলতে আৰম্ভ কৰে। তাৰ পিছত একাদিক্ৰমে গোলাঘাটৰ দেৱৰাজ ৰয় কলেজ, কানৈ কলেজত অধ্যাপনা কৰি ১৯৬৭ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত যোগদান কৰে। ১৯৯৯ চনত তেখেতে চাকৰি জীৱনৰ পৰা অৱসৰ লয় যদিও শৈক্ষিক দায়িত্বৰ বাবে তিনি বছৰলৈ ম্যাদ বঢ়াই দিয়াৰ বাবে সম্পূৰ্ণ অৱসৰী জীৱন যাপন কৰে ২০০২ চনৰ পৰাহে। অৱশ্যে ইয়াৰ পিছতো ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰতিষ্ঠা হোৱা শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ আসনৰ দায়িত্ব পালন কৰি গৈছিল। এই দায়িত্ব নিষ্ঠাৰে পালন কৰি এই আসনখনৰ গতি-প্ৰকৃতি, গৱেষণাৰ ভৱিষ্যত দিশবোৰ কেনে হোৱা উচিত তাকো বিজ্ঞানসন্মতভাৱে নিৰ্দ্ধাৰিত কৰি গৈছে।

তেখেতৰ দুকুৰিৰো অধিক ইংৰাজী আৰু আঢ়ৈকুৰিৰো অধিক অসমীয়া গৱেষণা পত্ৰ বিভিন্ন উচ্চমান বিশিষ্ট আলোচনীত প্ৰকাশ হৈছে। তদুপৰি শতাধিক প্ৰবন্ধ বিভিন্ন কাকত আলোচনীত সিঁচৰতি হৈ আছে। তেখেতে লিখা আৰু সম্পাদনা কৰা গ্ৰন্থসমূহ হ'ল, A Comprehensive History of Assam, Last Days of Ahom Monarchy, Status of Women in Assam (ed), Life and Teachings of Sri Sri Aniruddhadeva (ed), অসমীয়া নাৰী অতীত আৰু বৰ্তমান (সম্পা.), চুতীয়া জাতিৰ বুৰঞ্জী (মুখ্য সম্পা.) আদি। তদুপৰি অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে তেখেতে পাঁচখন পাঠ্যপুথি প্ৰণয়ন কৰিছে। তেখেতৰ দ্বাৰা কেইবাটাও গৱেষণাধৰ্মী বক্তৃতাও প্ৰদান কৰা হৈছিল। কেইটামান গ্ৰন্থ ৰূপেও প্ৰকাশ পাইছে। যেনে, "তিনিচুকীয়া ঃ যুগে যুগে নিজৰ কাচোন।" অসমত বুৰঞ্জী চৰ্চাৰ ঐতিহ্য, Bhakti Movement and Social Transformation in Assam আদি, তেখেতৰ তত্ত্বাৱধানত প্ৰায় কুৰিজন গৱেষকে পি.এইচ.ডি উপাধি লাভ কৰিছে। International Congress of Asian and North African Studies ৰ ৩৪ তম অধিবেশনত তেখেতে পাঠ কৰা গৱেষণা পত্ৰ 'The Indian Historical Evidence on Southern Silk Road : The Route of Ahom Migration to Assam'খন চীনাভাষালৈ অনূদিত হৈছে। দেশৰ বিভিন্ন বিশ্ববিদ্যালয়, উচ্চ পৰ্যায়ৰ শৈক্ষিক সমিতি যেনে Indian Institute of Advanced Study, Shimla, Indian Council of Social Science Research, Indian Council of Historical Research আদিৰ বিশেষজ্ঞ সদস্য হিচাপে তেখেতে সেৱা আগবঢ়াই গৈছে। স্বৰ্ণলতা বৰুৱাই শিলচৰত অনুষ্ঠিত হোৱা উত্তৰ-পূব ভাৰত বুৰঞ্জী সন্মিলনৰ ষোড়শ অধিবেশনত সভাপতিৰ আসন অলংকৃত কৰি এক অতি সাহসী আৰু চিন্তা উদ্বেগকাৰী ভাষণ প্ৰদান কৰিছিল। অসম সাহিত্য সভাৰো হাওৰাঘাট অধিবেশনৰ বুৰঞ্জী সন্মিলনত তেখেত আছিল সভাপতি। আটাইতকৈ মৰ্যাদাপূৰ্ণ কথাটো হ'ল ২০০৬ চনত বিশ্বভাৰতী শান্তি নিকেতনত অনুষ্ঠিত হোৱা 'ভাৰতীয় ইতিহাস কংগ্ৰেছ'ৰ মধ্যযুগীয় ইতিহাস শাখাৰ তেখেত আছিল সভাপতি।

১৯৮৯ চনত তেখেতৰ নেতৃত্বত ডিব্ৰুগড়

* এজন বন্ধুক ক্ষমা কৰাতকৈ এজন শত্ৰুক ক্ষমা কৰাটো অধিক সহজ। — উইলিয়াম ব্লেক

বিশ্ববিদ্যালয়ৰ চাকৰিজীৱী মহিলা সন্থা গঠন কৰি সমাজ জীৱনৰ বাবে গঠনমূলক তথা উন্নয়নমূলক আঁচনি লৈছিল। নিজে গাঁৱলৈ গৈ মানুহৰ সমস্যাৰ বুজ লৈছিল, দিহা-পৰামৰ্শ দিছিল। লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত চাকৰি কৰা নিৰক্ষৰ মহিলা, শিশু আৰু চৌহদৰ কৰ্মৰত ভৃত্যসকলৰ শিক্ষাৰ বাবে 'সাক্ষৰতা কেন্দ্ৰ' খুলিছিল। কেন্দ্ৰৰ সভানেত্ৰীৰূপে এইক্ষেত্ৰত এক জাগৰণ আনিবলৈও সক্ষম হৈছিল। উল্লেখযোগ্য যে এই বিশ্ববিদ্যালয়ৰ 'নাৰী অধ্যয়ন কেন্দ্ৰৰো' তেখেত আছিল বাটকটীয়া।

ইতিহাস বিষয়টো আছিল তেখেতৰ প্ৰাণৰো প্ৰাণৰ। তেখেতে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে ইতিহাস নাজানিলে উত্তৰ পুৰুষ গুৰি নথকা বঠাৰ দৰে হ'ব। সেয়েহে অসমত স্কুল পৰ্য্যায়ত এই বিষয়টো উঠাই নিদিবলৈ তেখেতে চৰকাৰী পক্ষক সবলভাৱে যুক্তি দাঙি ধৰিছিল।

এই খিনিতে তেখেতৰ জীৱনৰ এক উল্লেখযোগ্য ঘটনা উনুকিয়াব খুজিছোঁ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ পৰা Journal of Historical Research নামৰ এখন গৱেষণা পত্ৰিকা প্ৰকাশ হৈ আহিছে। ইয়াত লিখা এটা প্ৰবন্ধৰ বাবে সমসাময়িক উগ্ৰ জাতীয়তাবাদী নেতাৰ হেঁচাত ড° স্বৰ্ণলতা বৰুৱা আৰু ড° মণিলাল বোসক নিলম্বন কৰিলে। প্ৰবন্ধটোত একো নতুন কথা নাছিল। ঊনবিংশ শতিকাত কানিৰ প্ৰচলনৰ ফলত অসমীয়া সমাজত হোৱা অৱক্ষয়ৰ ছবিখনহে তুলি ধৰা হৈছিল। নিলম্বনৰ পিছত তেখেতে আইনৰ আশ্ৰয় ল'ব লগা হয়। সৰ্বভাৰতীয় স্তৰত এই ঘটনাৰ প্ৰতিবাদ হ'ল। দেশৰ আগশাৰীৰ বাতৰি কাকত The Hindu, Indian Express আদিত ইয়াৰ বিৰুদ্ধে সম্পাদকীয় প্ৰকাশ হ'ল। তেওঁলোকৰ ওপৰত বহুৱা অনুসন্ধান সমিতিয়ে খুট উলিয়াব নোৱাৰিলে। ন্যায়ালয়েও দিলে ন্যায়। তেখেত আকৌ বিশ্ববিদ্যালয়লৈ ঘূৰি আহিল। ড° ডম্বৰুধৰ নাথৰ মতে "ড° স্বৰ্ণলতা বৰুৱা বাইদেউৱে বোধহয় অসমৰ একমাত্ৰ ঐতিহাসিক আছিল যি বৌদ্ধিক স্বাধীনতা লাভৰ অৰ্থে উচ্চ ন্যায়ালয়ত ন্যায়প্ৰাপ্তিৰ বাবে গোচৰ তৰিব লগা হৈছিল।" ই সঁচাই ইতিহাস চৰ্চাৰ এক নিখুঁট নমুনা।

২০১৫ চনত এইগৰাকী ইতিহাসবিদে আলঝেইমাৰ ৰোগত আক্ৰান্ত হৈ এই ধৰণীৰ পৰা চিৰবিদায় মাগিলে।

এতিয়া আহোঁ গ্ৰন্থখনৰ বিষয়লৈ। প্ৰকৃততে ক'বলৈ গ'লে ড° স্বৰ্ণলতা বৰুৱাৰ অনুপম কীৰ্তি হ'ল **A Comprehensive History of Assam** নামৰ গ্ৰন্থখন। ই এখন বৃহৎ কলেৱৰৰ কিতাপ পৃঃ সংখ্যা ৭২৮। ১৯০৫ চনতে প্ৰথম প্ৰকাশ পোৱা গেইটৰ বুৰঞ্জীখনৰ পিছত এইখনেই ইংৰাজী ভাষাত লিখা এক পূৰ্ণাঙ্গ অসম বুৰঞ্জী।

বুৰঞ্জী এখন লিখিবলৈ হ'লে ইতিহাসবিদজনে কেইটামান কথাত গুৰুত্ব দিব লাগিব। প্ৰথম কথা ইতিহাসবিদজনৰ দৃষ্টিভংগী বা উদ্দেশ্যৰ লগত খাপ নেখালেও তেওঁ আটাইবোৰ তথ্য তাত সংযোজন কৰিব লাগিব। দ্বিতীয়তে লিখকগৰাকী আত্মোগত ভাবোচ্ছ্বাসৰ পৰা মুক্ত হ'ব লাগিব। তৃতীয়তে পক্ষপাতিত্বমূলক দৃষ্টিভংগী ত্যাগ কৰিব পাৰিব লাগিব। চতুৰ্থতে তথ্য হ'লেই নহ'ব ইয়াৰ যুক্তিসিদ্ধ প্ৰমাণ থাকিব লাগিব। পঞ্চমতে প্ৰবাদ বা কাহিনীতকৈ ইতিহাস যে বেলেগ তাক ঐতিহাসিকজনে বুজি পাব লাগিব। ষষ্ঠতে ইতিহাস ৰচনা পদ্ধতিত গ্ৰহণযোগ্যতা থাকিব লাগিব। সপ্তমতে বিচাৰ পদ্ধতি বিষয়নিষ্ঠ হ'ব লাগিব। এই আটাইবোৰ কথাই ইতিহাসবিদ ড° স্বৰ্ণলতা বৰুৱাই কিতাপখন লিখোঁতে সচেতনভাৱে পালন কৰিছে।

তেখেতে ৰাংকেৰ আদৰ্শেৰে তথ্যৰ ওপৰত নিৰ্ভৰ কৰি বুৰঞ্জীখন লিখিছে। ক'বলৈ গ'লে ই এখন





ৰাজনৈতিক বুৰঞ্জী। ইতিহাসলিখনৰ পৰম্পৰাগত বৰ্ণনাত্মক আৰ্হিতেই ইয়াক লিখা হৈছে। ইয়াক চাৰিটা ভাগত ভাগ কৰা হৈছে। প্ৰথমভাগত বৰ্তমান অসমখনৰ বিষয়ে এক চমু ধাৰণা দিয়া হৈছে। লগতে সমলসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। তাৰ পিছৰ পৰ্য্যায়ত প্ৰাচীন, মধ্য আৰু আধুনিক অৰ্থাৎ বৃটিছসকল অহাৰ পৰা অসম আন্দোলনৰ সময়লৈকে গোটেই চোৰা কাল সামৰি লৈছে। এই গ্ৰন্থখন বিভিন্ন সময়ৰ অসমীয়া সভ্যতাৰ যেন এখন বাস্তৱ ছবি। ইয়াত পাহাৰ-ভৈয়ামৰ জাতি-জনগোষ্ঠী আৰু বিভিন্ন ধৰ্মীয়লোকৰ অৱদানক সঠিক গুৰুত্ব দি লিপিবদ্ধ কৰিছে। গ্ৰন্থখনৰ ভাষা সহজ-সৰল। প্ৰত্যেকটো যুগৰে সামাজিক আৰু অৰ্থনৈতিক বিষয়ৰ ওপৰত একোটা অধ্যায় লিখা হৈছে। অৰ্থনৈতিক ব্যাখ্যাত মাৰ্ক্সীয় ব্যাখ্যাৰ আশ্ৰয় লৈছে যদিও অন্য সময়ত এক নিৰপেক্ষ নীতিয়েই লোৱা দেখা গৈছে। কোনো লোককে ইয়াত মহিমামণ্ডিত কৰিবলৈ বিচৰা নাই, সেয়া লাগে আহোম ৰজাসকলেই হওক বা বীৰাঙ্গনাসকলেই হওক। কোনো ব্যক্তিৰ নামৰ আগত বিশেষণ নাই। জয়মতী বা মূলাগাভৰুৰ বিষয়ে লিখোঁতে কিম্বদন্তীৰ আশ্ৰয় নলৈ তথ্যৰহে আশ্ৰয় লোৱা দেখা গৈছে। জনগোষ্ঠীসমূহৰ বিষয়ে লিখোঁতে গুৰুত্ব দিব লগা ঠাইত গুৰুত্ব দিছে আৰু সুৰুচিপূৰ্ণ ভাষা ব্যৱহাৰ কৰিছে। তেনেকৈ আক্ৰমণকাৰীৰ বিষয়ে লিখোঁতেও সংযম ৰক্ষা কৰি চলিছে। এইদৰে গ্ৰন্থখন ৰচনাৰ ক্ষেত্ৰত বস্তুনিষ্ঠতাৰ প্ৰমাণ দিছে। দৃষ্টিভংগীৰ ভাৰসাম্যতা ৰাখিব পাৰিছে। যিকোনো লোকেই গ্ৰন্থখনৰ বিশ্লেষণ আৰু মৌলিকতাক স্বীকাৰ নকৰি থাকিব নোৱাৰিব। কিতাপখনত অসম আন্দোলন সম্পৰ্কে লিখা কথাখিনিত তেখেতৰ সাহসৰ উমান পাব পাৰি। কিতাপখন প্ৰকাশ কৰাৰ সময়ত (১৯৮৫) উগ্ৰ জাতীয়তাবাদী লোকৰ উত্থাৰ মাজতে তেখেতে সঠিকভাৱে লিখিলে, "অসমত থকা বিদেশী নাগৰিকৰ চিনাক্তকৰণ আৰু বহিষ্কৰণৰ যুক্তিসঙ্গত দাবীত আন্দোলন হ'লেও পিছলৈ ইয়াত সাম্প্ৰদায়িক আৰু প্ৰতিক্ৰিয়াশীল শক্তিবোৰ জড়িত হৈ পৰি ঠায়ে ঠায়ে বাঙালী বিৰোধী, মুছলমান বিৰোধী, কমিউনিষ্ট বিৰোধী হৈ পৰে। আন্দোলনত অগণতান্ত্ৰিক পদ্ধতিও অৱলম্বন কৰা হ'ল। ফলত বিভিন্ন শ্ৰেণীৰ মাজত অবিশ্বাসৰ সৃষ্টি হ'ল,.. আদি।" ই এক সত্য কথা।

অসমৰ ইতিহাস চৰ্চাত এই গ্ৰন্থখন এক উল্লেখযোগ্য তথা উৎকৃষ্ট সংযোজন। ভাবিলে আচৰিত লাগে যে এই গ্ৰন্থখন প্ৰচুৰ অধ্যয়ন আৰু বিশ্লেষণেৰে অতি বিচক্ষণতাৰে এগৰাকী মহিলাই লিখি উলিয়ালে। এনে সৃষ্টিশীলতাই অনাগত ইতিহাস চৰ্চাত তেখেতক নিঃসন্দেহে এক স্থায়ী স্থান দিব। ☐☐



**Indira Priyadarshini Gandhi** (19 November 1917 – 31 October 1984) was the first and, to date, the only female Prime Minister of India. 1st recipient of 'Bharat Ratna'

# Gandhiji on Gender Violence :
## An Overview

**Dr. Bondona Puzari**
Associate Professor
Department of Philosophy

In traditional patriarchal societies it is believed that women should remain confined to their families and under legal and customary subjection to their husband or other male family members. This was the situation of women in pre independent India. Although in Vedic period women enjoyed more rights and better status than in the Post Vedic, Medieval and British period. Yet gender equality was never existed in India. During pre Gandhian times gender inequality and gender violence were all pervasive. Women were considered as the root cause of all evil and responsible for downfall of men. Women had an inferior status and were totally dependant on men. Customs and practices like female infanticide, child marriage, purdah (veil), dowry, polygamy, sati, repeated pregnancies, permanent and pathetic widowhood, illiteracy etc. made the life of women very hard.

Gandhiji opposed various practices which were injurious to women though such practices has the sanction of Dharma Shastra, law and tradition. Although Gandhiji had great reverence for the traditions of the country, he also realized that certain customs and traditions of the Indian society were antithetical to the spirit of development of the women of the Nation. To quote Gandhi, "It is good to swim in the water of tradition, but to sink in them is suicide." The custom of child marriage became a target of his criticisms. In his opinion, child marriage is a source of physical degeneration, as much as a moral evil. Gandhiji was against the child marriage, since they were devoid of the element of consent on the part of the concerned boy as well as the girls. He believed that both boy and girl should be developed physically and mentally at the time of marriage and that they should have





a voice in the choice of their life partner. He also believed that the practice of child marriage came in the way of progress of women. He advocated mobilization of strong public opinion and supported the agitation of the local people against such happings. The system of dowry could not pass unnoticed from his critical eyes. He define dowry marriages as 'heartless'. He opined that the girls should never marry men who demand dowry at the cost of their self respect and dignity. As Gandhiji believed that the basis of marriage is mutual love and respect, he urged people to solemnize inter communal marriages between the Harijans and the caste Hindus.

Gandhiji was extremely perturbed by the plight of the widows, particularly child widows. He put forth an earnest appeal to the young generation of the country to marry the widows. Gandhiji was against the wrong done to the widows. He protested against the prevalent belief that a widow crossing one's path is a bad sign; on the other hand he considered it to be his good fortune to see a widow in the early hours of the day. Gandhiji advised every family to treat widow with utmost respect and to give her knowledge. The system of Purdah also came under Gandhiji's attack and he questioned the very foundation of this practices. For him, the purdah system was no less than a "vicious brutal and barbarous practices". According to Gandhiji purdah system denied women their freedom and it also crippled the free movement of women. He appealed to the public in general and women in particular to tear down purdah system. Gandhiji was sure that the abolition of purdah would lead to mass education for both men and women and also would help women in gaining strength and becoming an active participant in the struggle for Swaraj.

Again Gandhiji was against the Sati custom. He argued that if wife must prove her loyalty and undivided devotion to her husband, then the husband must also prove his allegiance and devotion to his wife. To him Sati was a futile exercise as instead of restoring the dead husband to life, it takes away one more life. He believed that satihood is the acne of purity. As purity cannot be attained by denying but can be attained only through constant striving and constant immolation of spirit from day to day. To Gandhi wife was not a slave of the husband but his comrade, betterhalf, colleague and friend. The wife is a co-sharer of husband with equal rights and duties. Married life according to Gandhiji is intended to promote mutual good here and here after. It is meant to serve humanity. Gandhiji believed that a wife is not bound to be an accomplice in

her husband's crime and when she hold anything to be wrong she must dare to be the right. Again., in Gandhiji view prostitution is a social disease promoted by men who lack morality. The predicaments of the devadasis, a part of the lower, untouchable segment of the society had an indelible effect on the sensitive mind of the Mahatma. The pathetic condition of child prostitutes disturbed him immensely.

Gandhiji did not stop at opposing the practices which were harmful to women, but he advocated some ideas by the implementation of which the status of women can be improved. Education is one of the most beneficent means by which women would be able to assert their natural right. According to Gandhi, home life is entirely the sphere of women, they ought to have knowledge regarding domestic affairs and upbringing of the children. He has immense faith in the capability of women to carry on a non-violent crusade. Gandhiji advocated the economic independence of the women. Although he wanted woman to take up some work so as to supplement the earning of the family; yet he recommended work like spinning which will not disturb the home as he regarded their duties at home to be as important as men's duty to earn.

Gandhiji was of the opinion that women were superior to men in their moral and spiritual strength. They had greater power of self sacrifice and suffering. On this account women were capable of infinite strength, which they only needed to realize. According to Gandhiji women had a key role to play in the family. The family was the crucible of the society where future citizens, leaders and law givers were nurtured. Hence it was in the family that mother could mould the values and traits of her children in a direction that could lead to social progress. Relating women Gandhiji had strong views on the value of equality between the sexes. He was against gender bias in the training of children. He asserted that girls ought not to be taught to adorn themselves as that identified them as object of desire without any other distinct human qualities.

Gandhiji was neither a feminist nor anti feminist. He was a great soul who was saddened by the deplorable condition of Indian women and wanted to uplift their status, rid them of suppressive customs and wanted them to play an important role in social, political and economic life of India. Gandhiji was of opinion that married women are co-sharer in their husband's power and privilege. He also emphasized on character and education

* এজন পুৰুষ বা মহিলাৰ বংশ পৰিচয় জনাৰ একমাত্ৰ উপায়টো হ'ল কাজিয়াৰ সময়ত তেওঁ দেখুওৱা আচৰণখিনি। —জৰ্জ বাৰ্ণাড শ্ব



as the real property that parents can transmit equally to their children. He asked women to cease to consider themselves as the object of men's lust. They should stop adoring themselves to please their husbands and others. He wanted every husband to to treat his wife as an 'ardhangini' and 'sahadharmini'. The wife is a comrade with same freedom which the husband sees for himself. Men and women are equal as the same soul dwells in both of them. Since soul is sexless; men and women are perfectly equal in the eyes of God. According to Gandhiji women have equal mental capacities, have the right to participate in the minutest details of the activities of men and have the same right to freedom and liberty as men. Gandhiji believed that women of India had strength, ability, character and determination to stand on her own and work shoulder to shoulder with men in every walk of life.

Gandhiji considered women not only equal to men but in many ways superior to men. According to him, to call women weaker sex was libel and a gross insjustice to women. He believed that strength means moral power hence women are immeasurably superior to men. Gandhiji believed that women have been given by God with the marvelous power which is lying dorment. If they realize their power, they can dazzle the world. ❑❑



**Reita Faria Powell** (born 1945 in Goa) is an Indian model, doctor and the winner of the Miss World 1966, to become the first Asian woman to win the event.

**Justice M. Fathima Beevi** (born on 30 April 1927 at Pathanamthitta, Travancore (now Kerala), was the first female judge to be appointed to the Supreme Court of India and Asia.



* সময়ৰ সদব্যৱহাৰৰ অৰ্থ হ'ল আটাইতকৈ গুৰুত্বপূৰ্ণ কামখিনি বাছি উলিওৱা আৰু গুৰুত্ব বুজি উচিত মতে কাম কৰি যোৱা। — লী ইয়াকুকা

# ফাকুৱাৰ ৰং ... ঃ স্বাস্থ্য আৰু পৰিবেশ সচেতনতা

মণিকা দেৱী
সহযোগী অধ্যাপিকা আৰু বিভাগীয় প্ৰধান
ৰসায়ন বিভাগ

বসন্ত ঋতু আৰম্ভ হোৱাৰ লগে লগে ভাৰতবৰ্ষত বিভিন্ন সম্প্ৰদায়ে প্ৰতিবছৰেই কিছুমান ধৰ্মীয় উৎসৱ পালন কৰাৰ লগতে আন কিছুমান উৎসৱৰো জাকজমকীয়া পৰিবেশ সৃষ্টি হোৱাটো এক মনকৰিবলগীয়া বিষয়। ফাগুন মাহ বা ইংৰাজী মাৰ্চ মাহত পালন কৰা এনে এক বিশেষ উৎসৱ হৈছে ফাকুৱা বা হ'লী। হিন্দু সমাজত ধৰ্মীয় উৎসৱ হিচাপেও ফাকুৱা পালন কৰি আহিছে। অতি প্ৰাচীন এই উৎসৱ হলিকা নামেৰেও জনা যায়। উৎসৱৰ সময়ত মথুৰা, বৃন্দাবন, নন্দ গাঁও আদিত হোৱা মানুহৰ সমাগমৰ পৰা ইয়াৰ বিশালতা অনুধাৱন কৰিবলৈ সহজ। মুখ্যতঃ ভাৰতবৰ্ষ আৰু নেপালতেই অতি জাকজমকতাৰে এই ৰঙৰ উৎসৱ পালন কৰি আহিছে।

ফাকুৱা উৎসৱ পালন সম্পৰ্কে অতীজৰে পৰাই ভিন ভিন ব্যাখ্যা আগবঢ়াই অহা দেখা যায়।

অসম দেশত খেতি চপোৱাৰ পিছত মাঘ বিহু উদ্‌যাপন কৰাৰ দৰে কৃষিজীৱী লোকসকলে ৰবি শস্য সামৰি বসন্ত ঋতুক আদৰণি জনোৱাৰ লগতে সফলভাৱে কৃষিকাৰ্য্য সামৰাৰ ক্ষেত্ৰত প্ৰকৃতিৰ উদাৰতাক সন্মান জনাই এই উৎসৱ পালন কৰে।

বিবাহিত মহিলাই পৰিয়ালৰ সুখ-শান্তিৰ নিমিত্তেও ফাকুৱা পালন কৰে বুলি কোনো কোনোৱে কয়।

বসন্ত কালত প্ৰকৃতিৰ বুকুত শোভাবৰ্দ্ধন কৰা নানা ৰঙৰ ফুলে সকলোৰে মন প্ৰাণ উতলা কৰে। এই সময়ত বতৰৰ পৰিবৰ্তনৰ কাৰণে অসুখ অশান্তি হোৱাও দেখা যায়। ছালৰ শুষ্কতা বৃদ্ধি পায়। প্ৰকৃতিৰ বুকুৰ পৰা আহৰণ কৰা ঔষধি গুণযুক্ত ফুল, ফল, পাতেৰে তৈয়াৰী ৰঙেৰে খেলা ফাকুৰ দ্বাৰা ইবিলাকৰ নিৰাময় হয় বুলি লোক সমাজত প্ৰচলিত। প্ৰাকৃতিক ৰঙৰ যোগান ধৰা গছবোৰৰ ভিতৰত নিম, কুমকুম, বেল, পলাশ, হালধি, জেতুকা আদিৰ নাম উল্লেখযোগ্য।

আজিকালি সকলো সমাজ (Section Society)ত পালন কৰিবলৈ লোৱাৰ ৰঙৰ এই উৎসৱে ৰাষ্ট্ৰীয় উৎসৱ (National Festival)ৰ মান বহন কৰিছেগৈ। সেয়েহে সময়ৰ পৰিবৰ্তন আৰু প্ৰয়োজনীয়তাৰ খাতিৰতেই ফাকুৱাত কৃত্ৰিমভাৱে (Synthetic) তৈয়াৰী ৰং বা ৰাসায়নিক (Chemical) ৰঙৰ গুৰুত্ব বৃদ্ধি পাইছে। কিয়নো এনে ৰংসমূহ চকুত লগাকৈ জকমকীয়া

* তুমি যেতিয়া এজন মহৎ লোকক দেখা, তেওঁক অনুসৰণ কৰিবলৈ যত্ন কৰিবা। এজন অসৎ লোকক দেখা, তেতিয়া নিজৰ হৃদয়খনকে পৰীক্ষা কৰি চাবা। — কনফুচিয়াচ



(grandeur) আৰু দামও কম। ৰঙৰ বিশুদ্ধতা (Purity of Colour) আৰু স্বাস্থ্যৰ ওপৰত ইয়াৰ প্ৰতিকূল প্ৰভাৱ আদি গুণসমূহৰ বিশ্লেষণৰ প্ৰতি আওকাণ কৰি কৃত্ৰিম ৰঙেৰে ফাকু খেলাৰ ফলত মাটি, বায়ু, পানী প্ৰদূষিত হৈ পৰিবেশ বিনষ্ট হৈছে। কৃত্ৰিম ৰংসমূহ কিছুমান ৰাসায়নিক যৌগ (Chemical compound)ৰ সমাহাৰ হোৱাটোৱেই এনে প্ৰদূষণৰ মুখ্য কাৰক হিচাপে চিহ্নিত হৈছে। ৰঙৰ চমক দেখুওৱা যৌগ কিছুমান হ'ল —

লেড অক্সাইড (Leadoxide) ঃ ক'লা ৰং

কপাৰ কাৰ্বনেট (Coppercarbonate) ঃ সেউজীয়া ৰং

এলুমিনিয়াম ব্ৰমাইড (Aluminium bromide) ঃ ৰূপালী বা বগা ৰং

মাৰকাৰী ছালফাইড (Mercury-Sulphide) ঃ ৰঙা ৰং

ক্ৰমিয়াম আয়'ডাইড (Chromium Iodide) ঃ বেঙুনীয়া ৰং

প্ৰুচিয়ান ব্লু কালাৰড ডাই (Prussian blue coloured dye) ঃ নীলা ৰং ইত্যাদি।

**শৰীৰত ৰাসায়নিক যৌগৰ প্ৰতিকূল প্ৰভাৱ ঃ**

ওপৰত উল্লেখ কৰা ৰাসায়নিক যৌগ লেড অক্সাইডে জন্ম পাব লগা শিশুৰ স্নায়ুতন্ত্ৰ আৰু মগজুৰ বিকাশত বাধা দিয়ে। শৰীৰত ৰক্তচাপ বৃদ্ধি আৰু বৃক্কৰ ক্ষতিকাৰক হিচাপেও লেড বা সীহ নামৰ ধাতুবিধ চিহ্নিত হৈছে। ঠিক একেদৰে এলুমিনিয়াম ব্ৰমাইডে চকু আৰু ছাল নষ্ট কৰে। জেন্‌টিন ভায়লেট ডাইও চকু আৰু ছালৰ বাবে নিৰাপদ নহয়।

কৃত্ৰিম ৰংসমূহত থকা কিছুমান উল্লেখযোগ্য ধাতু যেনে ঃ কেডমিয়াম (Cadmium), নিকেল (Nickel), কপাৰ (Copper), জিংক (Zinc), আইৰন (Iron), ক্ৰমিয়াম (Chromium) আদিয়েও স্বাস্থ্যৰ ওপৰত বেয়া প্ৰভাৱ পেলায়। শৰীৰত বৃক্কজনিত ৰোগ, হাড়ৰ ৰোগ, ছালৰ কেনচাৰ, বমি, ডায়েৰিয়া (diarrhoea), যকৃতৰ ক্ষতি, চকুৰ ৰোগ আদিৰ মুখ্য কাৰক হিচাপে এই ধাতুসমূহ চিহ্নিত হৈছে। তেজত অক্সিজেন সৰবৰাহী হিমগ্লবিন (haemoglobin)ত আইৰনৰ উপস্থিতি অতি গুৰুত্বপূৰ্ণ হোৱাৰ বিপৰীতে ফাকুৰ ৰঙত থকা আইৰনে জ্বৰ আৰু ছালৰ উত্তেজনা বৃদ্ধি (sensivity of skin) আদি ৰোগ সৃষ্টি কৰে। এনেদৰেই ৰঙত থকা জিংকৰ কাৰণে ডিঙিৰ অসুখ, ভাগৰ লগা, অত্যধিক ঘাম ওলোৱা, ছালৰ শুষ্কতা বৃদ্ধি আদি ৰোগ হোৱাৰ অধিক সম্ভাৱনা থাকে।

যিহেতু কৃত্ৰিম ৰঙত থকা ৰাসায়নিক পদাৰ্থই স্বাস্থ্যৰ ক্ষতি কৰে, সেয়েহে ফাকু খেলোঁতে সকলোৱে সাৱধানতা অৱলম্বন কৰাটো অতি প্ৰয়োজন।

**ফাকু খেলাৰ আগত ল'ব লগা সাৱধানতা ঃ**

১। শৰীৰত নাৰিকল তেল, জলফাই তেল (olive oil) বা ভিটামিন - ই যুক্ত তেল সানিহে খেলিবলৈ ওলাব লাগে। চুলিত মিঠাতেল সনা উচিত।

২। কাণৰ চৌপাশ, আঙুলিৰ মাজভাগ, নখৰ চাৰিওকাষে তেলৰ প্ৰলেপ দিব লাগে।

৩। নখত নেইল পলিচ থকা উচিত।

৪। চকুত প্ৰটেক্টিভ চচ্‌মা (protective lense) পিন্ধিব লাগে।

৫। শৰীৰত কটা-চিঙা থাকিলে বেণ্ডএইড্ (bandaid) বা বেণ্ডেজ (bandage) কাপোৰৰ আৱৰণি তৈয়াৰ কৰা অতি প্ৰয়োজন। কিয়নো এনে কৰিলে কটা অংশই ৰাসায়নিক পদাৰ্থৰ শোষণ বিঘ্নিত কৰি কেন্‌চাৰ, অন্ধতা আদি ৰোগ প্ৰতিৰোধ কৰে।

৬। শ্বাসৰন্ধ্ৰেৰে গুড়ি ৰং সোমাব নোৱাৰাকৈ

* ব্যক্তিজন যিয়ে নহওক, পৰিস্থিতি যেনে নহওক, ইতিবাচক দৃষ্টিভংগীৰে ভালখিনি বিচাৰিবা, দেখিবা তুমি বিচৰাখিনি পাই গৈছা। — ব্ৰিয়ান ট্ৰেছী

সাৱধান হোৱা উচিত।

ফাকুৱাৰ ৰঙে গাৰ ছালৰ শুষ্কতা বৃদ্ধি কৰে। খেলৰ পিছত শৰীৰত দেখা দিয়া আন কিছুমান সমস্যা হ'ল —

চকলা বান্ধি হোৱা ছালৰ ৰোগ।

চুলিৰ শুষ্কতা বৃদ্ধি আৰু মূৰৰ খোলাৰ ছালৰ ক্ষতি।

চকুৰ খজুৱতি (irritation of eyes)

শৰীৰ ক্লান্ত হৈ পৰা (overall fatigue) আৰু দুৰ্বলতা (weakness) ইত্যাদি।

**খেলৰ পিছত কি কৰা উচিত ?**

১। ফাকু খেলি আহি অন্ততঃ ৫-১০ মিনিট পানী ঢালি ৰঙৰ গুৰিবোৰ আঁতৰাব লাগে। শৰীৰত ঘা বা আঁচোৰ পৰাকৈ ৰং গুচাব নালাগে।

২। গা ধোওঁতে পনীয়া চাবোন (liquid soap) ব্যৱহাৰ কৰা ভাল।

৩। নেমুৰ ৰস, দৈ বা চন্দনৰ গুড়ি দেহত সনা উচিত।

৫।গা ধোৱাৰ পিছত জলফাই তেল কপাহত লৈ মুখ পৰিষ্কাৰ কৰিব পাৰি।

**কৃত্ৰিম ৰং বৰ্জন কৰোঁ আহক ঃ**

বৰ্তমান প্ৰাকৃতিক ৰং (natural colour) প্ৰস্তুত কৰি ফাকুৱা উৎসৱ পালন কৰাটো অতি জৰুৰী হৈ পৰিছে। প্ৰকৃতিৰ বদান্যতা (bounty) ই সহজলভ্য কৰি দিয়া গছৰ পাত, ফুল, ফল, শিপা আদিৰে ৰং প্ৰস্তুত কৰিববৈলে এক জনজাগৰণৰ পৰিবেশ তৈয়াৰ কৰিব লাগিব। অতীজত হালধি, বেল, কুমকুম, চন্দন, পলাশৰ ফুল আদি শুকুৱাই গুড়ি কৰি ফাকু তৈয়াৰ কৰা কথা সকলোৱেই শুনি আহিছোঁ। এই গছসমূহ ঔষধি গুণ যুক্ত হোৱাৰ উপৰিও ধৰ্মীয় বৈশিষ্ট্য (ritualistic significance)ও লেখত ল'বলগীয়া। সেয়েহে এনে তৰু-তৃণসমূহকেই পুনৰ ৰং তৈয়াৰ কৰিববৈলে উচ্চ স্তৰ (high scale)ত ব্যৱহাৰ কৰাৰ সময় সমাগত। প্ৰকৃতিৰ চহকী জৈৱ বিচিত্ৰতাই ধৰাৰ বুকুত বিলাই দিয়া গোলমোহৰ, জেতুকা, চাহ, কফি, চন্দন, পলাশ, আমলখি আদিৰ ফুল, ফল, পাত সংগ্ৰহ কৰি ছাঁত শুকুৱাই গুড়ি কৰি ৰং প্ৰস্তুতকৰণৰ প্ৰণালীবদ্ধ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পাৰি। শিশুসকলৰ মাজৰ পৰাই এনে প্ৰশিক্ষণৰ আৰম্ভণি কৰিলে, তেওঁলোক বিভিন্ন দিশৰ পৰা উপকৃত হোৱাৰ অধিক সম্ভাৱনা থাকে।

**প্ৰাকৃতিক ৰং প্ৰস্তুত কৰা প্ৰণালী ঃ**

ৰঙা ৰং ঃ ৰঙা চন্দনৰ গুড়িৰ লগত জবা ফুলৰ গুড়ি মিহলালে এই ৰং পোৱা যায়। ডালিমৰ গুটি পানীত ডুবাই থলে, গাজৰ, বিলাহী আদিৰ ৰস পানীত মিহলালে ৰং অধিক গাঢ় হয়।

কমলা ৰং ঃ গোটেই ৰাতি পলাশ ফুল পানীত ডুবাই ৰাখি ৰঙীন পানীখিনি কিছু সময় উতলালে উজ্জ্বল কমলা বৰণ ধৰে।

চকলেট ৰং ঃ এই ৰঙৰ কাৰণে চাহ বা কফি পানীত উতলোৱা হয়।

তামবৰণীয়া মুগা ৰং ঃ একাচিয়া গছৰ পৰা আহৰণ কৰা কাঠা গুড়ি কৰি পানীত মিহলালে পানীৰ ৰং তামবৰণীয়া মুগা হয়।

ক'লা ৰং ঃ শুকান আমলখি পানীত তিয়াই থলে নিশাৰ আন্ধাৰৰ দৰে ক'লা বৰণ লয়।

হালধীয়া ৰং ঃ এই ৰং পাবৰ কাৰণে নাৰ্জি ফুলৰ শুকান পাহিৰ গুড়িৰ লগত বেচন মিলাই ল'ব লাগে।

সেউজীয়া ৰং ঃ গুলমোহৰ গছৰ পাতৰ পৰা তৈয়াৰী কৰা সেউজীয়া ৰঙৰ কাৰণে পাতবোৰ শুকুৱাই গুড়ি কৰিব লাগে। জেতুকা পাতৰ গুড়িৰ লগত বেচন মিহলাই ল'লেও সেউজীয়া শুকান ফাকু তৈয়াৰ হ'ব।

* এই জটিল পৃথিৱীত বিশ্বাসে মানুহক ৰক্ষা কৰা নাই, ৰক্ষা কৰিছে তাৰ প্ৰয়োজনীয়তাইহে। — বেঞ্জামিন ফ্ৰেংকলিন



**পৰিবেশ সুৰক্ষাৰ পোষকতা**

আজিকালি ইণ্ডিয়ান ট'ক্সিক'লজি ৰিছাৰ্চ চেণ্টাৰ (ITRC) আৰু নেচাৰেল বটানিকেল ৰিছাৰ্চ ইনষ্টিটিউট (NBRI)সমূহে উদ্ভিদৰ ৰসৰ পৰা ৰং প্ৰস্তুত কৰিছে। তদুপৰি প্ৰাকৃতিক ৰং ব্যৱহাৰ কৰি ফাকুৱা উৎসৱ পালনৰ সমৰ্থনত বহুতো বেচৰকাৰী প্ৰতিষ্ঠানে প্ৰচাৰ অব্যাহত ৰাখিছে। দিল্লীস্থিত নৱদৈন্য (Navadayna), বাতাবৰণ আদি প্ৰতিষ্ঠানসমূহে নিৰলসভাৱে পৰিবেশ সচেতনতাৰ সম্পৰ্কত কাম কৰি আহিছে। এই গোটসমূহে পৰিবেশ সচেতনতাৰ শিবিৰ মুকলি কৰি শিশুহঁতক প্ৰাকৃতিক ৰং প্ৰস্তুত কৰাৰ প্ৰশিক্ষণো দিছে।

শেহতীয়াকৈ কিছুমান ফাৰ্মেও ব্যৱসায়িক ভিত্তিত বিপদমুক্ত ফাকুৱা উৎপাদন আৰু বিক্ৰীৰো ব্যৱস্থা কৰিছে। ইয়াৰ ভিতৰত লক্ষ্ণৌৰ ৰাজাজিপুৰমত থকা এ এম এ লেবৰটৰীজ প্ৰাইভেট লিমিটেড (AMA Laboratories Private Limited) এক উল্লেখযোগ্য প্ৰতিষ্ঠান। তদুপৰি ক্লাচিক এণ্টাৰপ্ৰাইজেজ, মুম্বাই,মতিলাল নগৰ (Classic Enterprises,Mumbai, Motilal Nagar), শ্ৰীশ্ৰী লক্ষ্মী ইণ্ডাষ্ট্ৰিজ, জয়পুৰ, গংগৌৰীবজাৰ (Shri Laxmi Industries, Jaipur, Gangouribazar) আদি প্ৰতিষ্ঠানসমূহেও কৃত্ৰিম ৰং প্ৰস্তুতকৰণৰ বিপৰীত দিশত প্ৰতিষ্ঠা লাভ কৰিছে।

কৃত্ৰিম ৰংবোৰে স্বাস্থ্যৰ ওপৰত পেলোৱা কুপ্ৰভাৱৰ ওপৰত বৃহৎ হাৰত সজাগতা বৃদ্ধি কৰাৰ লগতে কৃত্ৰিম ৰঙৰ বিকল্প ৰং প্ৰচুৰ পৰিমাণে উৎপাদন কৰি সুলভ মূল্যত বিক্ৰীৰ ব্যৱস্থা কৰিব পাৰিলে পৰিবেশ সুহৃদ (ecofriendly) বাতাবৰণত অতি উল্লাসেৰে এই উৎসৱ উপভোগ কৰিব পৰা যাব। এনেক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা ইতিবাচক পদক্ষেপ আগবঢ়ালে স্বাস্থ্যৰ অপকাৰী কৃত্ৰিম ফাকুৰ উৎপাদন আৰু বিক্ৰী বন্ধ হোৱাৰ উপৰিও এক সুৰক্ষিত পৰিবেশ দীৰ্ঘকাললৈ উজ্জীৱিত হৈ থাকিব। □□



**Vijaya Lakshmi Pandit** (Born: August 18, 1900, Allahabad) first woman President of United Nations General Assembly



**Sarojini Naidu** (Born: February 13, 1879, Hyderabad) was a freedom fighter and poet of modern India and 1st Governor of the United Provinces of Agra and Oudh from 1947 to 1949

* জীৱনক লৈ ভয় নাখাবা। জীৱনটো অৰ্থবহ বুলি ভাবিববৈলে শিকা। এই বিশ্বাসে জীৱনটোক প্ৰাণৱন্ত কৰি তুলিব। — উইলিয়াম জেমছ্

# Importance of Plants in Our Indoor Environment

**Dr. Sanjukta Gohain Baruah**
Head, Deptt. of Botany

Indoor air pollution is a major problem. Stagnant indoor environment allow pollutants to build up and stick around in greater amount. Synthetic building materials, modern furnishing, electrical equipments, everyday household products such as cleaning products etc. in homes and offices can produce a variety of toxic compounds. Indoor air pollution can also be caused by bacteria, viruses, fungi, pollen etc. All of these are made worse in small or poorly ventilated spaces.

The main household toxins concern are benzene, formaldehyde, trichloroethylene, carbon monoxide etc. These carcinogenic chemicals are used in the manufacturing of synthetic substances and materials. Benzene can also be emitted from gas ranges during use.

Polluted indoor air contaminated by volatile organic compounds (VOCs) are a major cause of headaches, nausea, sore and itchy eyes, loss of concentration and other 'sick building' symptoms. It is a major suspect in the development of asthma and allergy of small children.

The National Aeronautics and Space Administration (NASA) has spent a lot of time on researching air quality in sealed environment. Extensive research by the space agency discovered a new concept of indoor air quality improvement in which plants play an important role. Dr. B. Wolverton (NASA scientist) as well as other scientists of different parts of the world have shown that interior plants (house plants) can remove air borne chemicals from the indoor environment. They reported that all indoor plants (flowering and nonflowering) are able to purify indoor air to some degree through their normal photosynthesis process in which green plant synthesise

* আপোনাৰ যদি স্মৃতি শক্তিশালী নহয়, তেন্তে কেতিয়াও ফাঁকি দিবলৈ চেষ্টা নকৰিব, ফাঁকি আৰু স্মৃতিৰ বিৰোধিতা সদায়েই আছে। — মণ্টেইন



carbohydrates from substances like carbon dioxide, water and some minerals with the help of chlorophyll and in the presence of sunlight. In this process oxygen is liberated as by-product. Photosynthesis cannot take place without water being made available to the leaves by transpiration. Transpiration is a process in which the loss of water take place in the form of water vapour from the tissues of aerial parts of the plants. Plants absorb some of the particulates from the air at the same time that they take carbon dioxide, which is then processed into oxygen through photosynthesis. Moreover some microorganisms associated with the plants are present in the potting soil. These microorganisms are also responsible for much of the cleaning effect.

Microorganisms, living on and around the plant roots, converted the chemicals to food and energy for themselves and their host plants. Most of the house plant do consume a small amount of oxygen during night. However, it is an insignificant amount when compared to the overall volume of air in a room.

As well as purifying the air we breathe by absorption of carbondioxide and emission of oxygen, the presence of indoor plants have also been shown many other beneficial effects. They reduce anxiety, anger, sadness, stress level and mental tiredness. The indoor plants increased positive feelings and improved concentration level.

Some common effective plants for improving Indoor air quality are as follows:



**Areca palm** *(Chrysalidocarpus lutescens)*
Family : Aracaceae (Palmae)

Areca palm is also known as golden palm, yellow palm and butterfly palm. It is as upright house plant and can reach 10-12 ft. in the height. The plant prefers humid area. The distinctive features of these plants are the unbranched stem, columnar growth and at the top a crown or rosette of the feather or fan shaped leaves. It is grown as an ornamental plant in gardens in tropical and subtropical region and indoors as a houseplant.

Areca palm is known for removing formaldehyde, benzene and carbonmonoxide from the air.

* যিকোনো লোকে খং কৰিব পাৰে, সেয়া অতি সহজ কিন্তু উচিত পন্থাত, উচিত ব্যক্তিজনৰ বিৰুদ্ধে খং কৰাটো সহজ নহয়। — এৰিষ্টটল



**Lady Palm** (Rhapis exelsa)
Family - *Aracaceae (Palmae)*

Lady palm is a durable palm species adapts well to most interiors. They are easy to grow and produce slender stems with finely fibrous sheath, covered with dark brown fibers. Leaves are deep green, semicircular leaf segments are narrow and generally 9 in number. Their apex is tooth and pointed. Leafstalks are shorter than the leaf blades.

The plant body is propagated by suckers during July-August. It is a hardy plant and can be grown in open, partial or semishade places sometimes associated with warm, moist and humid conditions.

Lady palm filters out ammonia, a chemical found in cleaning products.



**Boston fern** *(Nephrolepis exaltata)*

Boston fern is a popular household plant. It has long, curving, feathery, pale-green pinnate leaves. These beautiful ferns are grown in pots or in hanging baskets in shady corners. It also prefers bright but indirect sunlight and humid area.

Bostom fern acts as a natural air humidifier removes formaldehyde and is a general air purifier.



**Spider Plant** *(Chlorophytum comosum)*
Family : Liliaceae

*Chlorophytum* is one of the toughest of all house plants. The beautiful plant have rosette of arching green leaves. The leaves are green with margins edged in cream colour. The plants grow well in both shade and semi-shade Spider plant can flower the whole year. The small white flowers have decorative value. The peduncles are important, because young plants grow from them and cutting can therefore be taken. Although Spider plant is not really a hanging plant, it is very often seen places high up in a room to give it more space.

Spider plant is great at removing





formaldehyde, carbon monoxide and other toxins or impurities.



**Snake plant** (*Sansevieria trifasciata*)
Family : Agavaceae

Snake plants are generally herbaceous, succulents and leaves are elegant, erect, stiff and sword like, usually variegated and grow in tufts. They have longitudinal marginal bands of golden-yellow on either side of the deep green light banded center.

Snake plant can be propagated by cutting a fully green leaf into 2-3 inch and placing the vertically in a highly porus mixture. The plant can also be propagated by cutting off the suckers as close as to mother plant and placing them in a pot.

Snake plant is the most durable of all house plants and are able to survive under most testing conditions. Flowering profusely every year .

Snake plants are able to remove toxins such as nitrogen oxides, formaldehyde, trichloroethylene.



**Peace Lily** *(Spathiphyllum sp.)*
Family : Araceae

Peace Lily is a beautiful, profusely flowering house plant. The plant can also be regarded a marse plant and therefore it prefers lots of water throughout the year. It grows well in shady places and flowers almost whole the year. The main flowering occurs in the spring and the flowers remain on the plant for many months.

Peace Lily is known for removing benzene, a common household chemical, purifying the air trichloroethylene, a chemical found in cleaners and solevents. Peace lily also removes formaldihyde and acetone.



**English Ivy** *(Hedera helix)*
Family : Araliaceae

English Ivy is a very attractive and popular houseplant. The climbing vine has 5-lobed glossy dark green leaves with cearmy veins. Many different varieties have very attractive foliage They are grown in containers particularly in hanging baskets. They showed good growth in moist, semi-shaded locations and moderate to slightly low temperature. Variegated from prefer more light. English Ivy can be propagated by cuttings at any time of the year.

English Ivy is known for removing the chemical - benzene, a known carcinogen found in cigarette, smoke, detergents, pesticides and the off-gasing of the other synthetic materials, as well as filtering out the formaldehyde found in cosmetic products.



**Aloe vera** *(Aloe sp)*
Family : Liliaceae

*Aloe* plants are stem less and form chumps of rosettes that are 10-15 cm in diameter. Leaves are light to dark green in colour, triangular in shape and tapper off in long dry awns. They are arranged in the form of a dense rosette and have soft while spines.

*Aloe* plants need well drained soil with slight drying between watering. They showed good growth in shade to full sun with protection from high heat. Although Aloe vera have medicinal properties, they are also known to remove formaldehyde from the air.



**Dracaena** (*Dracaeba* sp.)
Family : Agavaceae

Dracaenas are attractive foliage plants with k with long wide leaves that are green, variegated with lines of white, cream or red. There are more than 40 different kinds of Dracaena plants which are perfect house plants for home and office.

Dracaena is grown in shaded and semishaded places. The plants need protection from extreme high and cold temperatures. The plants are propagated

* প্ৰকৃততে কাক ভাল পাব লাগে, কাৰ পৰা আঁতৰি চলিব লাগে, সেই কথা জনাজনেই শিক্ষিত। — লিন ইউটাং



by stem cuttings in February-March and July-August.

The plant is known for removing trichloroethylene, a chemical found in many solvent, dry cleaning solutions and refrigerants. They can also remove benzene



**Chrysanthemum** *(Chrysanthemum sp.)*
Family : Compositae

*Chrysanthemum* is a very attractive, showy, ornamental flower. The plant flowers after rainy season. Large numbers of varieties are available for flowering from September to February. Chrysanthemum is propagated vegetatively either through sucker or by the terminal cuttings.

The plant body likes partial sun andlots of water.

Cgrysenthemum is very effective at removing benzene, formaldehyde and trichloroethylene.



**Gerbera daisy** *(Gerbera jamesonii)*
Family : Compositae

Gerbera derives its name from German naturalist Traugort Gerber. The plants are dwarf, perennial, herbaceous and are hairy throughout. Leaves are deeply lobed with long stalk and arranged in the from of rosette at the base. Flowers may be single or double and are borne on the long stalks. They may be coloured, bicoloured or in various shades of white, cream, lemon-yellow, orange, pink, red, maroon, scarlet etc.

The plant is propagated by the division of the mother plant. Clumps are divided after every 2-3 years to keep the plant vigorous. They are cut into small segments each possessing a few well developed leaves and roots. The best time of division is the rainy season.

Gerbera is fantastic at removing benzene a known cancer-causing chemical. It also absorbs Carbon dioxide and gives off oxygen overnight.

□□

* উপহাৰতকৈ উপহাৰ দিয়াৰ বাবে যি মানসিকতাৰ প্ৰয়োজন, সেয়াহে অধিক মূল্যবান। — কৰ্ণেইল

# বিজ্ঞান বনাম অন্ধবিশ্বাস

**ড° দীপিকা ভট্টাচাৰ্য**
সহযোগী অধ্যাপক, গণিত বিভাগ

বিজ্ঞান মানে ‘বিশেষ জ্ঞান’ যি আমাক সত্যক জানিবলৈ সহায় কৰে। কিন্তু বৈজ্ঞানিক মানসিকতা থাকিলেহে আমি সত্যক জানিব পাৰিম। কেৱল মাত্ৰ কিছুমান যন্ত্ৰপাতি সম্পৰ্কিত তথ্য আহৰণ বা বিজ্ঞানৰ ডিগ্ৰী থাকিলেই বৈজ্ঞানিক মানসিকতা অৰ্জন কৰিব নোৱাৰি। অন্যহাতে, প্ৰথাগত বিজ্ঞান শিক্ষাৰে শিক্ষিত নহ'লেও ব্যক্তি বিশেষ বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী হ'ব পাৰে। বৈজ্ঞানিক মানসিকতাই অন্ধ কু-সংস্কাৰৰ বিপৰীতে আমাক জীৱন আৰু জগত সম্পৰ্কে মুক্ত মনৰ অধিকাৰী হৈ যুক্তি আৰু তথ্য সহকাৰে জাগতিক ঘটনাৱলীৰ নিৰপেক্ষ বিচাৰ-বিশ্লেষণ কৰাত সহায় কৰে। ই কেৱল সংকীৰ্ণ উন্নাসিকতা নহয়, বৰঞ্চ প্ৰকৃত সত্য অন্বেষণ কৰি প্ৰয়োজন অনুসৰি গ্ৰহণ অথবা বৰ্জন কৰাৰ মানসিকতা। বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতাইহে মানুহে মানুহৰ লগত প্ৰকৃত মানসিক সম্পৰ্ক গঢ়ি তুলি মানৱ সমাজক শোষণ আৰু প্ৰতাৰণাৰ পৰা ৰক্ষা কৰি আদৰ্শ সমাজ গঢ় দিবলৈ সহায় কৰে।

তথাকথিত শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ কথা আৰু কামৰ বৈপৰীত্যই কেতিয়াবা আমাক বিচলিত কৰে আৰু সেইবাবেই নিজৰ দুৰ্বল লেখনিৰে এই লেখাটো প্ৰস্তুত কৰিবলৈ যত্ন কৰিম। আমি আজি এফালে সমাজ পৰিৱৰ্তনৰ কথা কওঁ, অথচ আমিয়ে আকৌ কৰ্মক্ষেত্ৰত চূড়ান্ত নিষ্ঠাহীনতাৰ পৰিচয় দিওঁ। কথা আৰু কামৰ সমন্বয়হীনতা যেন জাতীয় চৰিত্ৰ হৈ পৰিছে। প্ৰচলিত বহু সামাজিক ৰীতি-নীতি অথবা আচাৰ-অনুষ্ঠান আদি অপ্ৰয়োজনীয় আৰু ক্ষতিকৰ বুলি আমি বক্তব্য উপস্থাপন কৰোঁ কিন্তু নিজেই কেতিয়াবা সেই একেই আচাৰ-অনুষ্ঠান পৰম্পৰাৰ অজুহাত দি পালন কৰোঁ। প্ৰচলিত সামাজিক ৰীতি-নীতিবোৰৰ প্ৰয়োজন-অপ্ৰয়োজন, মঙ্গল-অমঙ্গল নিৰ্ধাৰণ কৰাটো বৰ সহজ কামো নহয়। অন্যহাতে কোনো এটা প্ৰচলিত পদ্ধতিৰ বিৰুদ্ধাচৰণ কৰিবলৈ গ'লেই সমাজৰ পৰা বিভিন্ন বাধাৰ সন্মুখীন হ'ব লাগে। একমাত্ৰ বিজ্ঞান আৰু সমাজ সচেতন বৈজ্ঞানিক মানসিকতাইহে আমাক ধৰ্মান্ধতা আৰু কু-সংস্কাৰবোৰৰ বিৰুদ্ধে মাত মাতি নৈতিকতা আৰু মানৱিকতাৰ জয়গান গাবলৈ অনুপ্ৰাণিত কৰিব পাৰে। এনেকুৱা অলেখ বিষয়ৰ পৰা আমাৰ সীমিত জ্ঞান বা সীমিত সাধ্যৰে মাত্ৰ কেইটামান বিষয় ইয়াত আলোচনা কৰিবলৈ যত্ন কৰিম।

**ক) ঋতুস্ৰাৱ সংক্ৰান্তীয় অন্ধবিশ্বাস ঃ**

প্ৰথমেই উল্লেখ কৰিব বিচাৰিছোঁ আমাৰ সমাজত মহিলাৰ ঋতুস্ৰাৱ সম্বন্ধীয় প্ৰচলিত কিছুমান অন্ধবিশ্বাস (taboo) আৰু অবৈজ্ঞানিক ধাৰণাৰ

* *কঠোৰতম সত্যটোতকৈ সন্দেহ অধিক নিষ্ঠুৰ।* — মাৰ্লিয়েৰ



ফলশ্ৰুতিত সৃষ্ট নিয়মৰ বিষয়ে। মহিলাৰ মাহেকীয়া ঋতুস্ৰাৱ এক প্ৰাকৃতিক শৰীৰ বৃত্তীয় প্ৰক্ৰিয়া যদিও এই অতি স্বাভাৱিক বিষয়টো লৈ এতিয়াও ঋতুস্ৰাৱ চলাকালীন মহিলাৰ ওপৰত অৰ্থহীন কিছুমান নিষেধাজ্ঞা আৰোপ কৰা হয়। এই বিশেষ দিনকেইটাত সেই মহিলাগৰাকীক অশুদ্ধ বা অপৱিত্ৰ হিচাপে গণ্য কৰা হয়। তেওঁ কোনো মাঙ্গলিক কাম কৰিব নোৱাৰে, পূজাঘৰত সোমাব নোৱাৰে, পাকঘৰত প্ৰৱেশ কৰিব নোৱাৰে ইত্যাদি। প্ৰথমবাৰৰ বাবে ৰজস্বলা হোৱাৰ পিছত তেনেই অপৈনত ১১/১২ বছৰীয়া ছোৱালীজনীক কেৱলমাত্ৰ পৰম্পৰাৰ অজুহাত দি কিছুমান নিয়ম, যেনে— বিচনাৰ পৰিৱৰ্তে মাটিত শুবলৈ দিয়া, চ'ফা-চকী ইত্যাদিত বহিবলৈ নিদিয়া, ব্ৰত পালন কৰিবলৈ বাধ্য কৰা হয়। অতিকে আচৰিত কথা এয়েই যে তথাকথিত শিক্ষিত মাতৃসকলেও নিৰ্বিকাৰ চিত্তে বিনা প্ৰতিবাদে তেওঁৰ ফুল কুমলীয়া জীয়েকক পৃথক বাচন-বৰ্তনত খাবলৈ দিয়ে বা তাই ব্যৱহাৰ কৰা কাপোৰ-কানি বেলেগ ধুবলৈ নিৰ্দেশ দিয়ে। অথচ এই সময়ছোৱাত বিভিন্ন শাৰীৰিক আৰু মানসিক অস্বাচ্ছন্দ্য অনুভূত হোৱা বাবে তেওঁক প্ৰয়োজন হয় সহানুভূতি আৰু যত্নৰ। সকলোৰে পৰা পৃথকে থকাৰ পৰিৱৰ্তে পৰিয়ালৰ লোকৰ সৈতে একেলগে থকা-খোৱাৰ পৰা আৰম্ভ কৰি যাৱতীয় দৈনন্দিন কামসমূহ স্বাভাৱিভাৱে সম্পাদন কৰিবলৈ সুবিধা দিব লাগে, যাতে ঋতুস্ৰাৱ এটা অতি স্বাভাৱিক প্ৰক্ৰিয়া বুলি অতি সহজভাৱে তেওঁ মানসিকভাৱে গ্ৰহণ কৰিব পাৰে। এই অৰ্থহীন অবৈজ্ঞানিক নিয়মবোৰৰ সলনি তাইক নিজকে কেনেকৈ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিব লাগে সেই সম্বন্ধীয় স্বাস্থ্য বিজ্ঞানসন্মত জ্ঞান দিয়াটো প্ৰয়োজন। লগতে পুষ্টিকৰ খাদ্য আৰু আনন্দ-স্ফুৰ্তি কৰি থাকিবলৈ দিয়া উচিত। তিনি দিনৰ মূৰত ঋতুস্নান কৰাৰ পৰিৱৰ্তে প্ৰত্যেকদিনাই স্নান কৰাটো অতি অপৰিহাৰ্য বুলি জনাই দিব লাগে। এই কথা সহজেই অনুমেয় যে আগতে যেতিয়া আজিৰ নিচিনাকৈ বিভিন্ন সুবিধাসমূহ উপলব্ধ নাছিল তেতিয়া সম্ভৱতঃ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিবলৈ বিচনাত শুবলৈ দিয়া নহৈছিল বা সকলোৰে আগতে ওলাবলৈ দিয়া নহৈছিল। কিন্তু আজি একবিংশ শতিকাত আমি যি সকলে নিজৰ কন্যাক ‘ছেনিটাৰী নেপকিন’ ব্যৱহাৰ কৰিবলৈ শিকাইছোঁ, তেওঁলোকেই আকৌ বিচনাত শুবলৈ বা চ'ফাত বহিবলৈ বাধা দিয়াৰ কি যুক্তি থাকিব পাৰে সেই কথাটোহে বিচাৰ্যৰ বিষয়। উচ্চ শিক্ষিত নাৰী এগৰাকীয়ে মোক কৈছিল যে ঋতুস্ৰাৱৰ সময়ত নাৰীয়ে বোলে আচাৰ স্পৰ্শ কৰিলে আচাৰ বেয়া হৈ যায়। তেওঁ নিজে কেতিয়াবা চুই চাইছেনে জানিব বিচৰাত তেওঁ ক্ষুণ্ণ হোৱা যেন অনুভৱ কৰিলোঁ। বৈজ্ঞানিক দৃষ্টিভংগী থকা হ'লে কিন্তু পৰীক্ষা কৰি চোৱাৰ কাৰণে হ'লেও তেওঁ নিজে এবাৰ চুই চোৱা উচিত আছিল বুলি মই বিশ্বাস কৰোঁ। কেৱলমাত্ৰ মাহেকীয়া চলি থকা কোনো নাৰীয়ে স্পৰ্শ কৰাৰ কাৰণে আচাৰ তেনেকৈ কেতিয়াও বেয়া হৈ যাব নোৱাৰে — এই সহজ সত্যটো তেতিয়াই তেওঁ অনুধাৱন কৰিবলৈ সমৰ্থ হ'লহেঁতেন।

**খ) অশৌচ পালন ঃ**

অশৌচ পালন হ'ল সন্তানৰ জন্মৰ বাবে অথবা আত্মীয়ৰ মৃত্যুৰ বাবে পালন কৰিবলগীয়া নিয়ম বা অশুচিতা। এই সামাজিক ৰীতিৰ উৎস বিচাৰি গ'লে আমি অনুমান কৰোঁ যে ইয়াৰ যুক্তিগ্ৰাহ্য ভিত্তি আছে। কেঁচুৱা জন্মৰ পাছত মাতৃ আৰু কেঁচুৱা নিৰ্দিষ্ট কেইটামান দিনৰ বাবে আছুতীয়াকৈ থাকিব লাগে। সাধাৰণতে বাহিৰা মানুহৰ আগত কেঁচুৱাক অশৌচৰ দিনকেইটাত উলিয়াই দিয়া নহয়। কেঁচুৱা জন্ম দিয়াৰ পিছত মহিলাগৰাকী অত্যন্ত ভাগৰুৱা হৈ পৰে আৰু কেঁচুৱা আৰু মাতৃ উভয়েই যিকোনো

* *মই বতাহৰ গতি সলাব নোৱাৰোঁ। কিন্তু মোৰ লক্ষ্যস্থান পাবলৈ মই মোৰ নাৱৰ পাল ঠিক কৰি ল'ব পাৰোঁ।* — জিমী ডিন

বেমাৰৰ দ্বাৰা অতি সহজেই আক্ৰান্ত হোৱাৰ সম্ভাৱনা থাকে বাবে এই নিয়মবোৰ পালিত হৈছিল বুলি আমি ধাৰণা কৰোঁ। ই অতিকৈ প্ৰয়োজনীয় এটা নিয়ম। কিন্তু প্ৰকৃত উদ্দেশ্যৰ প্ৰতি দৃষ্টিপাত নকৰি কেঁচুৱাক লৈ মাকক কেতিয়াবা অস্বাস্থ্যকৰ কোঠালি এটাত পৃথকে থাকিবলৈ দিয়া দেখা যায়। অনুৰূপভাৱে পৰিয়ালৰ কাৰোবাৰ মৃত্যুৰ পিছত মৃতকৰ নিকটাত্মীয়ই অশৌচ পালন কৰিবলীয়া হয়। এই সময়ছোৱাত তেওঁলোকে কোনো ৰাজহুৱা অনুষ্ঠানত অংশগ্ৰহণ কৰা, মাছ-মাংস বা অন্যান্য তেল-মছলাযুক্ত খাদ্য গ্ৰহণ কৰা ইত্যাদিৰ পৰা বিৰত থাকিব লাগে। তাৰোপৰি মৃতকৰ ঘৰত খবৰ কৰিবলৈ যোৱা অথবা শেষকৃত্যৰ অংশ লোৱা যিকোনো লোকেই নিজৰ ঘৰত আহি গা ধুব লাগে। এই নিয়মবোৰ স্বাস্থ্যনীতি অনুসৰি সৃষ্ট হোৱা বুলি সহজেই ধাৰণা কৰিব পাৰি। যি বেমাৰত মানুহজনৰ মৃত্যু হৈছিল, সেই বেমাৰৰ বীজাণুৰ পৰা যাতে অন্য মানুহৰ সংক্ৰমণ হ'ব নোৱাৰে তাৰ বাবেই হয়তো গা ধোৱাৰ কথা ভবা হৈছিল। ঠিক তেনেকৈ কেতিয়াবা মৃতকৰ পৰিয়ালৰ মানুহবোৰ বেমাৰটোত আক্ৰান্ত নহ'লেও জীৱাণুৰ বাহক (Carrier) হোৱাৰ সম্ভাৱনা থাকে কাৰণেই হয়তো নিৰ্দিষ্ট এটা সময়ৰ বাবে তেওঁলোক ৰাজহুৱা অনুষ্ঠানত অংশগ্ৰহণ কৰাত নিষেধাজ্ঞা আৰোপ কৰা হয়। গতিকে এই নিয়মবোৰৰ এটা বৈজ্ঞানিক ভিত্তি আছে। কিন্তু অতি আচৰিত হওঁ যেতিয়া বিজ্ঞান শিক্ষাৰে শিক্ষিত মানুহ এজনেও এই কাৰণবোৰৰ বিষয়ে চিন্তা নকৰি কেৱলমাত্ৰ মানিব লাগে বুলিয়েই এই নিয়মবোৰ পালন কৰে। উদাহৰণ স্বৰূপে অসমত থকা এজনে তেওঁৰ মুম্বাই বা বেঙ্গালুৰুত থকা কোনো আত্মীয়ৰ মৃত্যুৰ বাতৰি পাই যেতিয়া পিঁয়াজ নহৰু খালে শাও লাগিব বুলি ভাবি অশৌচ পালন কৰে, তেতিয়া তেওঁ শিক্ষিত মানুহ হোৱাৰ পৰিবৰ্তে কেৱল মাত্ৰ এজন ডিগ্ৰীধাৰী মানুহহলৈ অৱনমতি হয়।

**গ) জ্যোতিষ আৰু ভাগ্য-গণনা ঃ**

সংবাদপত্ৰ, দূৰদৰ্শন ইত্যাদিৰ এটা জনপ্ৰিয় বিষয় 'ৰাশিফল'। সৰ্বসাধাৰণ মানুহতো বাদেই, তথাকথিত উচ্চ শিক্ষিতসকলেও ভাগ্য গণনা, গ্ৰহৰত্ন ধাৰণ ইত্যাদিৰ প্ৰতি নিৰ্ভৰশীল হৈ থকা আমি প্ৰত্যক্ষ কৰোঁ। এই ৰচনাৰ আৰম্ভণিত আমি তথাকথিত শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ কথা আৰু কামৰ সামঞ্জস্যহীনতাৰ কথা উল্লেখ কৰিছিলোঁ। জ্যোতিষ আৰু ভাগ্য গণনাত বিশ্বাস কৰা ইয়াৰ এটা উৎকৃষ্ট উদাহৰণ। আমি মুখেৰে কওঁ 'মানুহে নিজেই নিজৰ ভাগ্য গঢ় দিয়ে— Man is the architect of his fate আৰু আমিয়েই আকৌ আমাৰ ভাগ্যক মেৰামতি কৰাবলৈ জ্যোতিষীৰ ওচৰলৈ ঢাপলি মেলোঁ। জ্যোতিষবিদ্যাত সূৰ্য, চন্দ্ৰ, মঙ্গল, শনি ইত্যাদি গ্ৰহ হিচাপে ধৰা হয়। তাৰোপৰি ৰাহু-কেতু নামেও দুটা গ্ৰহৰ উল্লেখ পোৱা যায়। কিন্তু বিজ্ঞানৰ সাধাৰণ জ্ঞান থকা এজনেও জানে যে সূৰ্য বা চন্দ্ৰ কোনো গ্ৰহ নহয়, সূৰ্য এটা নক্ষত্ৰ আৰু চন্দ্ৰ পৃথিৱীৰ উপগ্ৰহ। গতিকে যি শাস্ত্ৰৰ ভিত্তিটো এটা ভুল ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত তাকেই বিজ্ঞান বুলি গ্ৰহণ কৰাৰ কোনো যুক্তি বিচাৰি পোৱা নেযায়। মানুহৰ জন্ম, মৃত্যু বা জীৱন যদি গ্ৰহ-নক্ষত্ৰবোৰে নিৰ্ধাৰণ কৰে তেনেহ'লে দেখোন আমি জীৱনত কোনো পৰিকল্পনা কৰি সিদ্ধান্ত লোৱা অৰ্থহীন কাৰণ জীৱনৰ ভৱিতব্য পূৰ্ব নিৰ্ধাৰিত। পৃথিৱীৰ বিভিন্ন স্থানত বা একেটা চিকিৎসালয়তেই একে সময়তেই একাধিক শিশুৰ জন্ম হয়, তেওঁলোকৰ প্ৰত্যেকৰ জীৱন অথবা ভাগ্য একেই হ'ব নে? অনুৰূপভাৱে যেতিয়া ছুনামি বা ভূমিকম্পত একেলগে অগণিত মানুহৰ মৃত্যু হয় তেওঁলোকৰ প্ৰত্যেকৰেই একে সময়তেই মৰণৰ ক্ষণ নিৰ্দিষ্ট হৈ আছিল নে? এক কথাত ক'বলৈ গ'লে জ্যোতিষ, ভাগ্য গণনা ইত্যাদি সমূলি বৈজ্ঞানিক

* *প্ৰকৃত বন্ধুত্ব সুস্থ স্বাস্থ্যৰ দৰে, যেতিয়ালৈকে হেৰুওৱা নাযায়, তেতিয়ালৈকে ইয়াৰ মূল্য বুজা নাযায়। — চাৰ্লছ চেলিব কল্টন*



ভিত্তিহীন অথচ এইবোৰক কামত লগাই সাধাৰণ মানুহৰ সৰলতা আৰু মানসিক দুৰ্বলতাক সাৰথি কৰি এক শ্ৰেণীৰ ঠগ-প্ৰবঞ্চকে ব্যৱসায় কৰিছে আৰু মানুহক ঠগি আছে।

মানুহৰ অবৈজ্ঞানিক ধ্যান-ধাৰণাৰ এনেকুৱা অগণিত উদাহৰণৰ পৰা মাত্ৰ কেইটামানহে ইয়াত উল্লেখ কৰিছোঁ। এইখিনিতে এটা কথা স্পষ্ট কৰা ভাল হ'ব যে কোনো ব্যক্তিবিশেষ, জাতি, সম্প্ৰদায় বা ধৰ্মাৱলম্বীত উদ্দেশ্য কৰি এই ৰচনাটো যুগুত কৰা হোৱা নাই। সাধাৰণভাৱে মধ্যবিত্ত শিক্ষিত শ্ৰেণীটোৰ পৰস্পৰ বিৰোধী আচৰণকেই ইয়াত মুখ্যভাৱে আলোচনা কৰিবলৈ যত্ন কৰা হৈছে। এই শ্ৰেণীটোকে এই আলোচনাত প্ৰাধান্য দিয়াৰ একমাত্ৰ কাৰণ হ'ল যে এই শ্ৰেণীৰ মানুহখিনিই সমাজৰ মূল চালিকা শক্তি। দুৰ্বল, অৰ্ধশিক্ষিত, অশিক্ষিত জনসাধাৰণৰ বাবে এই শ্ৰেণীৰ মানুহৰ আচৰণ বেছিৰ ভাগ ক্ষেত্ৰতেই অনুকৰণীয় হৈ পৰে। সাধাৰণ শ্ৰমজীৱী অৰ্থনৈতিকভাৱে দুৰ্বল মানুহে তথাকথিত শিক্ষিত মানুহবোৰকে বহু সময়তেই আদৰ্শ হিচাপে গ্ৰহণ কৰে। পদাৰ্থ বিজ্ঞানৰ শ্ৰেণীত বিশ্বব্ৰহ্মাণ্ডৰ গূঢ় বৈজ্ঞানিক তত্ত্ব ব্যাখ্যা আগবঢ়োৱা শিক্ষকে যেতিয়া হাতৰ দহ আঙুলিত গ্ৰহৰত্ন ধাৰণ কৰা দেখা যায়, তেতিয়া অতি স্বাভাৱিকভাৱেই সাধাৰণ মানুহ এজনে এই অন্ধবিশ্বাস বা ধাৰণাবোৰৰ সপক্ষে যুক্তি বিচাৰি পায়। বিশেষকৈ আমাৰ নিচিনা শিক্ষাবৃত্তিত জড়িত সকলে যথেষ্ট সুচিন্তিত আচৰণ কৰা উচিত কিয়নো আমি আমাৰ অগোচৰেও কেতিয়াবা বৃহৎ ছাত্ৰ সমাজক প্ৰভাৱান্বিত কৰোঁ। আমাৰ পাৰিপাৰ্শ্বিক ঘটনাৱলী আমি অন্ধ কু-সংস্কাৰ আৰু আৱেগৰ দ্বাৰা পৰিচালিত নহৈ যুক্তি আৰু বুদ্ধিৰে কাৰ্য-কাৰণ বিচাৰ-বিশ্লেষণ কৰি নিজৰ কৰ্মপন্থা নিৰ্ধাৰণ কৰি চলিবলৈ চেষ্টা কৰিলে সমাজক সুস্থভাৱে আগুৱাই লৈ যাবলৈ সহায় কৰিব পাৰিম।

□□



**Kalpana Chawla** (March 17, 1962 – February 1, 2003) was an American astronaut and the first woman of Indian origin in space

**Santosh Yadav** (Born: 1969), is an Indian mountain climber and the first woman in the world to climb Mount Everest twice, and the first woman to successfully climb Mt. Everest from Kangshung Face.



* *তিনিটা বুনিয়াদী বস্তুৰ পছন্দৰ ওপৰত মানুহৰ জীৱনৰ গতি নিৰ্ভৰ কৰে। সেই তিনিটা বস্তু হ'ল আপোনাৰ শৃংখলাবোধ, আপোনাৰ বন্ধু-বান্ধৱ আৰু আপোনাৰ নিয়ম নিষ্ঠতা। — চাৰ্লছ মিলহাফ*

# নাৰীৰ ধৰ্মীয় অধিকাৰ ঃ এটি অৱলোকন

মনিকা দাস
সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ

উচ্চস্তৰৰ জীৱনবোধৰ এখন পৰিশীলিত সমাজত অনুপম জীৱন যাপন সকলোৰে কাম্য। এনেকুৱা এখন সুস্থ সমাজৰ চাবিকাঠি হিচাপে অতীজৰে পৰা ধৰ্মীয় আদৰ্শক প্ৰাধান্য দি অহা হৈছে। কিয়নো ধৰ্ম মানেই হ'ল কৰ্তব্যনিষ্ঠতা, সততা, সত্যনিষ্ঠতা আৰু ত্যাগ। ঈশোপনিষদত মহৎ আৰু সাৰ্বজনিক আদৰ্শত কোৱা হৈছে —

তেন ত্যৎক্তেন ভূঞ্জীমা মা গৃধ কস্যস্বিদ্ধনম্। (ত্যাগৰ মাজেৰে ভোগ কৰা আনৰ সম্পদৰ প্ৰতি লালায়িত নহ'বা।) সেই মহৎ আদৰ্শ আগত ৰাখি ধৰ্মশাস্ত্ৰসমূহতো সুস্থ জীৱন যাপনৰ সন্ধান দিয়া হৈছে। ভাৰতীয় ধৰ্মগ্ৰন্থত "যিয়ে ধাৰণ কৰি ৰাখে সেয়ে ধৰ্ম (ধৃ ধাৰায়িত ইত ধমঃ) বুলি কোৱা হৈছে। প্ৰাচীন ভাৰতীয় সাহিত্যত ধৰ্ম শব্দই দায়িত্ব, কৰ্তব্য, আচাৰ সৎগুণ আদি বিষয়ক সামৰি ব্যাপক অৰ্থ বহন কৰিছিল। ধৰ্ম, ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰাসমূহেই বহুসময়ত এখন সমাজৰ গতি নিয়ন্ত্ৰণ কৰাৰ লগতে ব্যক্তিগতভাৱে মানুহৰ সামূহিক জীৱনৰ প্ৰতি আস্থা সামাজিক স্বীকৃতি, সাংস্কৃতিক দায়বদ্ধতা আদিৰ পৰিপুষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

কিন্তু ধৰ্মৰ শক্তিশালী আদশৰ্ত পৰিচালিত সুস্থ সমাজৰ পৰিবৰ্তে বৰ্তমান এখন ৰক্ষণশীল সমাজ গঢ় লোৱা পৰিলক্ষিত হয়। এই সমাজৰ কালক্ৰমিক তুলাচনীত ধৰ্মীয় আদৰ্শৰ স্থিতি বিশ্লেষণ কৰিলে দেখা যায় যে অতীতৰ পৰা বৰ্তমানলৈকে কম বেছি পৰিমাণে লিংগ ভিত্তিক সমাজত ধৰ্মীয় অধিকাৰত ধৰ্মীয় বৈষম্য পৰিস্ফুট। ধৰ্মৰ আলমত এক প্ৰভাৱশালী শ্ৰেণীৰ ধ্যান-ধাৰণাই অন্য এক শ্ৰেণীৰ ধ্যান-ধাৰণা হিচাপে পৰিগণিত হৈছে। প্ৰভাৱশালী শ্ৰেণীৰ সমাজ বুলি কওঁতে ইয়াত পুৰুষকেন্দ্ৰিক সমাজখনৰ কথা কোৱা হৈছে য'ত নাৰীৰ মৰ্যাদা অধিকাৰ, সামাজিক স্বীকৃতি পুৰুষৰ ধ্যান-ধাৰণাৰ দ্বাৰা নিৰ্ধাৰিত হয়। কৰ্মৰ প্ৰকৃতিৰ ভিত্তিত সৃষ্টি হোৱা এই লিংগভিত্তিক সমাজত পুৰুষ শ্ৰেণীতকৈ নাৰীৰ ধৰ্মীয়, সামাজিক, ৰাজনৈতিক মৰ্যাদা নিম্ন। এই সমাজত নাৰীৰ ব্যক্তিসত্ত্বা ধৰ্মৰ ভিত্তিত অৱনমিত হোৱা দেখা যায়।

যদিও ভাৰতীয় ধৰ্মশাস্ত্ৰ যেনে বেদ, উপনিষদ, কালিকা পুৰাণ, ৰামায়ণ, মহাভাৰত ইত্যাদিত বৈদিক আৰু আদি বৈদিক যুগত নাৰীৰ সামাজিক আৰু ধৰ্মীয় মৰ্যাদা উচ্চ আছিলে বুলি পোৱা যায়, ঠিক একে সময়তে নাৰীক জৈৱিক, শাৰীৰিক কাৰণত ধৰ্মীয় কৰ্মত অংশ গ্ৰহণৰ পৰা বিৰত ৰখাৰ উদাহৰণো পোৱা যায়। প্ৰবাদমতে প্ৰাচীন কালত নাৰীয়ে মাতৃদেৱীৰ ৰূপত পুৰুষতকৈ উচ্চ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছিল। কিয়নো নাৰীয়ে আছিল কৃষিৰ আবিস্কাৰক আৰু শিশুৰ জন্মদাত্ৰী। সেই সময়ত পৃথিৱী বা ভূমিৰ পৰা গছ-

* চিৰদিন জীয়াই থাকিবলৈ তুমি কেতিয়াও চেষ্টা নকৰিবা। এইক্ষেত্ৰত তুমি কেতিয়াও সফল নোহোৱা। — জৰ্জ বাৰ্ণাড শ্ব



লতা, খেতিবাতি, ফলমূল সৃষ্টি হোৱা বাবেই পৃথিৱীখনক মাতৃৰ লগত তুলনা কৰি অৰ্চনা কৰা হৈছিল। শক্তি বা মাতৃদেৱীৰ মূল উৎসও ইয়াতেই। পৰিয়াল সৃষ্টিৰ বাবে নাৰীৰ লগতে পুৰুষৰ সংযোজনৰ আৱশ্যকতাৰ ভিত্তিত জন্ম হৈছিল লিঙ্গ আৰু যোনি পূজা। অসমৰ কামাখ্যা দেৱী আৰু বড়োসকলৰ খেৰাই পূজাৰ জনজাতীয় উৎসও সেই একেই ধৰণৰ।

পুৰুষ আৰু নাৰীৰ সংযোজনৰ গুৰুত্বৰ ভিত্তিত ধৰ্মীয় কৰ্মত বৈদিক আৰু আদি বৈদিক যুগত নাৰীক পুৰুষৰ ধৰ্ম সহচাৰী বুলি গণ্য কৰা হৈছিল। ঐতৰেয় ব্ৰাহ্মণত (১-২-৫) কোৱা হৈছে যে নাৰীৰ অবিহনে পুৰুষ সম্পূৰ্ণ হ'ব নোৱাৰে। বেদত নাৰীৰ অংশগ্ৰহণ অবিহনে পুৰুষে যজ্ঞীয় ফলতো নাপায়েই আনকি তেওঁৰ পৰমাৰ্থিক পথো চিৰকালৰ বাবে স্তব্ধ হৈ পৰা বুলি কোৱা দেখা যায়। নাৰীক ধৰ্মত সমান অংশীদাৰ গণ্য কৰি অতীতত ৰামায়ন মহাভাৰতত পতি-পত্নীৰ ধৰ্মীয় কাৰ্য্যত সমানে অংশগ্ৰহণ কৰাৰ ব্যাখ্য পোৱা যায়।

তদুপৰি বৈদিক যুগত পুৰুষৰ দৰেই নাৰীয়েও দহৰ পৰা বাৰ বছৰ পৰ্যন্ত ব্ৰহ্মচৰ্য আশ্ৰমত থাকি ব্ৰহ্মবিদ্যা আহৰণ কৰাৰ উপৰিও উপনয়ন সম্পন্ন কৰাৰ নিয়মো আছিল। কিন্তু উপনয়ন পালন কৰা নিয়মসমূহ নাৰী আৰু পুৰুষভেদে কিছু পাৰ্থক্য আছিল। কিশোৰী কন্যাক উপনয়ন সম্পন্ন কৰাৰ পিছত বেদ অধ্যয়ন আৰু চৰ্চা কৰাৰ সুবিধাও প্ৰদান কৰা হৈছিল। অৱশ্যে এই সুবিধা বৈদিক যুগৰ শেষৰ ফালে বৰ্ণবাদৰ প্ৰচলন হোৱাত কেৱল মাত্ৰ উচ্চ বৰ্ণৰ ভিতৰতে সীমাবদ্ধ হৈ পৰিল।

কিন্তু নাৰীৰ এই মৰ্যাদাত কালক্ৰমত পৰিবৰ্তন হোৱা কিছুমান ধ্যান-ধাৰণাই ঋণাত্মক প্ৰভাৱ পেলায়। নাৰীৰ অধিকাৰ আৰু ধৰ্ম পৰিপূৰকতাহীন, সামঞ্জস্যহীন হয়। তাৰ কাৰণ ফঁহিয়াই চালে কিছুমান শাৰীৰিক আৰু মানসিক কাৰকে ধৰ্ম আৰু নাৰীৰ অধিকাৰত প্ৰভাৱ পেলোৱা দেখা যায়। নাৰীক যিটো সময়ত খাদ্য আৰু শিশু উৎপাদিকা হিচাপে মাতৃপূজা বা যোনিপূজা ৰূপত গুৰুত্ব দিয়া হৈছিল, উন্নত উৎপাদন সঁজুলিৰ আগমনে নাৰীৰ সেই মৰ্যাদা অৱনমিত কৰিছিল। কিয়নো নাৰীৰ কৰ্ম পুৰুষৰ কৰ্মতকৈ গৌণ, নাৰী দুৰ্বল সেয়ে নাৰীৰ কৰ্ম মূল্যহীন। এইদৰে সৃষ্টি হৈছিল পুৰুষকেন্দ্ৰিক সমাজ য'ত নাৰীৰ জীৱন পৰিচালিত হৈছিল কিছুমান সংকীৰ্ণ ৰক্ষণশীল ধৰ্মীয় নীতি নিয়মেৰে। যিটো সময়ত ধৰ্মশাস্ত্ৰত নাৰীক উচ্চ মৰ্যাদাৰে বিভূষিত কৰা দেখা গৈছে সেই একে সময়তে ধৰ্মৰ নামত নাৰীক অস্পৃশ্য বুলিও অভিহিত কৰিছে। নাৰীক অশুচি বুলি গণ্য কৰি ধৰ্মীয় কৰ্মত নাৰীৰ অংশগ্ৰহণত বহু সময়ত নিষিদ্ধতাও অৱলম্বন কৰা দেখা গৈছে। কিছুমান ধৰ্মীয় মঠ-মন্দিৰ, মছজিদ, গীৰ্জা, সত্ৰ ইত্যাদিত নাৰীৰ প্ৰৱেশত নিষিদ্ধতাৰ উদাহৰণ পোৱা যায়। যেনে —

কেৰেলাৰ সবাৰিমালা (Sabarimala Ayappa) আয়প্পা মন্দিৰ, য'ত ১০ ৰ পৰা ৫০ বছৰৰ বয়সৰ মহিলাক মন্দিৰত প্ৰবেশ কৰিবলৈ দিয়া নহয়। এতিয়াও এই মন্দিৰত প্ৰবেশৰ বিষয়টো আইনী মেৰপাচত ওলমি আছে।

মুম্বাইৰ হাজী আলি দৰগাহ, দিল্লীৰ নিজামুদ্দিন দৰগাহ আদিত নাৰীৰ প্ৰবেশ দৰ্জাৰ ওচৰলৈকেহে। সমাধিত স্পৰ্শৰ অধিকাৰ নাই। ঠিক সেইদৰে অসমৰ বৰপেটাৰ পাটবাউসী সত্ৰত মহিলাক প্ৰবেশ কৰিব দিয়া নহয়, কাৰণ মহিলাৰ সাময়িক ঋতুস্ৰাৱ। ২০১০ চনত অসমৰ ৰাজ্যপাল জে বি পাটনায়কে এই প্ৰথাৰ বিৰোধিতাত ২০ গৰাকী মহিলাক লগত লৈ সত্ৰত প্ৰবেশ কৰিছিল।

ইতিহাসতো নাৰীৰ 'ঋতুস্ৰাৱ' কাৰকে সকলো ক্ষেত্ৰতে পুৰুষে ধৰ্মীয় সেৱাৰ ক্ষেত্ৰত

* এটা সময়ত প্ৰতিজন বীৰেই বিৰক্তিৰ কাৰণ হৈ পৰে। — এমাৰ্ছন

মহিলাক পৃথক কৰাৰ উদাহৰণ আছে। নাৰীৰ এই সময়ছোৱা অপবিত্ৰ, অশুচি বুলি গণ্য কৰি নাৰীৰ স্পৰ্শ পাপ বুলিও বিশ্বাস কৰে। নাৰীৰ প্ৰতি প্ৰদৰ্শন কৰা ঋণাত্মক ধাৰণাই ধৰ্মৰ ঐক্য, সংহতি, প্ৰেম আৰু সততাৰ মাজত ধৰ্মীয় আদৰ্শত নাৰীৰ স্থান সম্পূৰ্ণৰূপে সংকুচিত প্ৰতিপন্ন কৰিছে। মনু সংহিতাৰ নৱম অধ্যায়ৰ তিনি নম্বৰ শ্লোকটি

‘পিতাৰক্ষিত কৌমৰ ভৰ্তাৰক্ষিত যৌৱনে।
পুত্ৰা ৰক্ষিত স্থৱিৰেভাৱে স্ত্ৰীশ্বাতন্ত্ৰ্যম নাহতি।

(পিতাই কুমাৰীকালত, স্বামীয়ে ডেকাকালত আৰু পুত্ৰই বৃদ্ধাৱস্থাত নাৰীক ৰক্ষণাবেক্ষণ দিয়ে, এতেকে নাৰীৰ কোনো স্বাধীনতা নাই।)

মনুৰ এই শ্লোকটিয়ে নাৰীৰ নিম্ন ধৰ্মীয় সামাজিক মৰ্যাদা পৰিস্ফুট কৰিছে। নাৰীৰ পৰাধীনতাৰ আলমত ধৰ্মভিত্তিক নিৰ্যাতন যেনে সতীদাহ প্ৰথা, ডাইনী হত্যা, দেৱদাসী প্ৰথা, পৰ্দা প্ৰথা ইত্যাদিৰ সৃষ্টিত নাৰীৰ সংকুচিত ধৰ্মীয় অধিকাৰৰ ছবিখনেই যেন প্ৰকট কৰি তোলে। সমগ্ৰ বিশ্বজুৰি ধৰ্মই এহাতে মানুহৰ মাজত ঐক্য সংহতি আৰু প্ৰেমৰ বান্ধোন গঢ়াত বিশেষ অৰিহণা যোগোৱাৰ লগতে ধৰ্ম আৰু ধৰ্মাৱলম্বী লোকৰ কিছুমান সংকীৰ্ণ ধ্যান-ধাৰণাই মানুহৰ মাজত সংঘাট, বিদ্বেষ, মনোমালিন্য আদি জটিল পৰিৱেশ সৃষ্টি কৰাৰ লগে লগে অমানৱীয় দুষ্কাৰ্য্য সংঘটিত হোৱাত সহায় কৰিছে। নাৰীৰ অধিকাৰ আৰু ধৰ্ম পৰিপুৰকতাহীন, সামঞ্জস্যহীন নেকি এই প্ৰাসঙ্গিকতাত ১৫০ বছৰীয়া স্বামী বিবেকানন্দৰ জন্ম বাৰ্ষিকীত এটা বেলেগ ধৰণৰ ধ্যান ধাৰণাৰে নাৰীৰ অধিকাৰ ব্যাখ্যা কৰিছে এইদৰে—

"Whether it is the rural housewife keeping to her fast and prayer or the urban women scheduling time for meditation courses off and on women are very much the engine that drives religion in India.-

এই কথাষাৰৰ তাৎপৰ্য্য বিচাৰ কৰিলে আমি উপলব্ধি কৰো ধৰ্মীয় গুৰু বা পুৰোহিতৰ যাৰ জীৱিকাৰ সুতীৰ ধাৰাবাহিকতা ধৰ্মীয় জনপ্ৰিয়তাৰ ওপৰত নিৰ্ভৰ কৰে, নাৰী অবিহনে সেয়া সম্ভৱনে? নিশ্চয় নহয়। কিয়নো আমি এটাই আনটোৰ পৰিপূৰক। সেয়েহে ধৰ্ম আৰু নাৰীৰ অধিকাৰো পৰিপূৰক বুলি বিশ্বাস কৰাতো এখন সুস্থ পৰিশীলিত সমাজৰ কাৰণে অত্যন্তই প্ৰয়োজন। □□

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

ক) বৰ্মণ, শিৱনাথ (সম্পা) ঃ অসমীয়া নাৰী ঐতিহ্য আৰু উত্তৰণ, ষ্টুডেণ্টচ ষ্ট'ৰচ, গুৱাহাটী, ২০০২

খ) Altekar, A.S. : The Position of Women in Hindu Cibilization, Motilal Banarasidas Publishers, Delhi, 2nd Edition, 1959

গ) মহন্ত, জয়কৃষ্ণ ঃ ধৰ্মবিশ্বাস আৰু পৰম্পৰা, স্বস্তিকা প্ৰকাশক, গুৱাহাটী, ২০১১

ঘ) নাথ, ড° ডম্বৰুধৰ অসম বুৰঞ্জী, ষ্টুডেণ্টচ্ ষ্টৰচ্, গুৱাহাটী, ১৯৮৮

ঙ) বৰুৱা, ড° নিৰোদ আৰু ড° সুৰজিত ঃ প্ৰাচীন ভাৰতৰ ইতিহাস, কে.এম. পাব্লিছিং, গুৱাহাটী, ২০০৫

চ) দাস, ড° অংশুমান (সম্পাঃ), অসমৰ জনগোষ্ঠীৰ উৎসৱ-পাৰ্বন, আঁক-বাকৰ বিক্ৰী কেন্দ্ৰ, গুৱাহাটী-১, ২০১৩

** অতীতৰ কোনখিনি মনত ৰখা উচিত, বৰ্তমানৰ কোনখিনি উপভোগ কৰা উচিত আৰু ভৱিষ্যতৰ কাৰণে কি পৰিকল্পনা কৰা উচিত সেইখিনি জনাজনেই হ'ল সুখী মানুহ। — এ গিৰচন*



# মহিলাসকলে জানিবলগীয়া কেইটামান আইনী অধিকাৰ আৰু আনুষাঙ্গিক কথা

ড° ৰূপালী গগৈ
বিভাগীয় প্ৰধান, প্ৰাণী বিজ্ঞান বিভাগ

**1. Right to Zero FIR**

এই অধিকাৰৰ অধীনত এগৰাকী মহিলাই ঘটনাটো সংঘটিত হোৱা অঞ্চলৰ পুলিচ থানাত বা আৰক্ষী চকীত গোচৰ তৰিব পাৰে, এনে নহয় তাৰ বাহিৰেও যিকোনো পুলিচ থানাত গোচৰ তৰিবপাৰে। জ্যেষ্ঠ পুলিচ বিষয়াই তেতিয়া নিৰ্দিষ্ট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনক (FIR) গোচৰটো পঞ্জীয়ন কৰিবলৈ নিৰ্দেশ দিব।

**2. Right to virtual complaints**

এগৰাকী মহিলাই নিজে পুলিচ থানালৈ যাব নোৱাৰিলে আয়ুক্ত বা উপ আয়ুক্ত পৰ্যায়ৰ এজন জ্যেষ্ঠ পুলিচ বিষয়ালৈ ই-মেইল বা ৰেজিষ্টাৰ্ড ডাকযোগে গোচৰ তৰিব পাৰে। তেতিয়া তেনে জ্যেষ্ঠ পুলিচ বিষয়াই সেই অঞ্চলৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনক ঘটনা সংঘটিত এলেকালৈ গৈ প্ৰকৃত অনুসন্ধান কৰি গোচৰটো চলাবলৈ নিৰ্দেশ দিয়ে। পুলিচে তেতিয়া মহিলাগৰাকীৰ ঘৰলৈ গৈ জবানবন্দী গ্ৰহণ কৰে।

**3. Right to untimely registration**

নিজৰ বা পৰিয়ালৰ সন্মান, অভিযুক্তই ভীতিগ্ৰস্ত কৰা আদি বহু কাৰণত এগৰাকী মহিলাই থানালৈ গৈ সময়মতে গোচৰ লিপিবদ্ধ কৰিব নোৱাৰে বা নোখোজে। তেনে ক্ষেত্ৰত বহু পলমকৈ গোচৰ তৰিবলৈ গ'লে পুলিচে কোনো কাৰণতে এফ আই আৰখন গ্ৰহণ কৰিবলৈ অমান্তি হ'ব নোৱাৰিব।

**4. Right to not being called to the police station**

Criminal Procedure Codeৰ ১৬০ নং ধাৰা অনুসৰি সোধপোচ কৰিবৰ বাবে কোনো মহিলাকে পুলিচ চকীলৈ মাতি আনিব নোৱাৰিব। এই আইনৰ মতে এগৰাকী ভাৰতীয় মহিলা সোধ পোচৰ বাবে সোঁশৰীৰে পুলিচ চকীত উপস্থিত নথকাৰ অধিকাৰ আছে। এগৰাকী মহিলা আৰক্ষী আৰু পৰিয়ালৰ সদস্য বা বন্ধুমহলৰ উপস্থিতিতহে মহিলাগৰাকীৰ ঘৰত পুলিচে সোধ-পোচ কৰিব পাৰে।

**5. Right to no arrest**

উচ্চতম ন্যায়ালৰ মতে এগৰাকী মহিলাক সূৰ্যাস্তৰ পাছত আৰু সূৰ্যোদয়ৰ আগেয়ে প্ৰেপ্তাৰ

** তুমি যেন চিৰকাল জীয়াই থাকিবা, সেইদৰে সপোন দেখিবা। কিন্তু কাইলৈকে তোমাৰ মৃত্যু ঘটিব, সেই মনোভাৱেৰে জীৱন নিৰ্বাহ কৰিবা। — জিমী ডীন*

কৰিব নোৱাৰে। আনকি পুলিচ বিষয়াজনৰ লগত মহিলা পুলিচ থকিলেও ৰাতি মহিলাক গ্ৰেপ্তাৰ কৰিব নোৱাৰে। যদিহে মহিলা এগৰাকীয়ে গুৰুতৰ অপৰাধ কৰিছে, তেতিয়া হ'লে সেই মহিলাগৰাকীক কিয় ৰাতি গ্ৰেপ্তাৰ কৰিব লগা হৈছে সেই কথা ব্যাখ্যা কৰি এজন মেজিষ্ট্ৰেটৰ পৰা লিখিত অনুমতি আনিহে গ্ৰেপ্তাৰ কৰিব পাৰিব।

**6. Right to confidentiality**

পুলিচেই হওক বা সংবাদ মাধ্যমেই হওক কোনো কাৰণতে এগৰাকী ধৰ্ষিতা মহিলাৰ পৰিচয় প্ৰকাশ কৰিব নোৱাৰিব। Indian Penal Code ৰ ২২৮-(ক) অনুসৰি নিৰ্যাতিতাৰ পৰিচয় প্ৰকাশ কৰাটো এটা শাস্তিমূলক অপৰাধ। মহিলাগৰাকীৰ নাম বা তেওঁৰ পৰিচয় জানিব পৰা যিকোনো তথ্য যদি ছপা কৰা বা প্ৰকাশ কৰা হয়, তেন্তে সেই ব্যক্তিৰ বিৰুদ্ধে ৩৭৬ নং ধাৰা অনুসৰি দুবছৰ পৰ্যন্ত জেইল আৰু জৰিমনা বিহা হয়। আনহে নালাগে, উচ্চ আদালত বা নিম্ন আদালতত এনে বিচাৰৰ ৰায়দানৰ সময়তো তেনে মহিলাৰ নাম উল্লেখ কৰাৰ পৰিবৰ্তে 'নিৰ্যাতিতা' (Victim) বুলিহে উল্লেখ কৰা হয়।

**7. Right towards crime and not a medical condition**

চিকিৎসকে ধৰ্ষণ নাই হোৱা বুলি ক'লেও এটা ধৰ্ষণৰ গোচৰ খাৰিজ নহয়। Criminal Procedure Codeৰ ১৬৪ (ক) ধাৰা অনুসৰি ধৰ্ষণৰ বলি হোৱা গৰাকীক স্বাস্থ্য পৰীক্ষা কৰোৱাটো প্ৰয়োজন। কিন্তু সেই চিকিৎসাৰ ৰিপ'ৰ্টটো প্ৰমাণ হিচাপেহে গণ্য কৰা হয়। সদ্য ধৰ্ষণৰ কোনো প্ৰমাণ আছে নে নাই সেই কথাটোহে ডাক্তৰজনে ৰিপ'ৰ্টত ক'ব বা লিখিব পাৰিব। কিন্তু ধৰ্ষণ হৈছিল নে নাই সেই কথা আইনেহে সিদ্ধান্তলৈ আনিব, ডাক্তৰে নহয়। চিকিৎসকৰ পৰা সেই ৰিপ'ৰ্টৰ প্ৰতিলিপি এটা পোৱাটো মহিলাগৰাকীৰ অধিকাৰ।

**8. Right to no sexual harassment**

যৌন নিৰ্যাতিতা এগৰাকী মহিলাই যৌন আতিশয্য আইন (Sexual Harassment Act)ৰ অধীনত Internal Complaints Committee (ICC)ত তিনি মাহৰ ভিতৰত লিখিত আবেদন দাখিল কৰিব পাৰিব। এনে কমপ্লেইন জিলা পৰ্যায়ৰ কমপ্লেইন্ট কমিটি পৰ্যন্তলৈকে দাখিল কৰিব পাৰে। প্ৰত্যেক নিয়োগকৰ্তাই নিজৰ অনুষ্ঠানত Sexual Harassment Complaints Committee গঠন কৰাটো এটা দায়িত্ব। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা মতে এনে সমিতি গঠন কৰাটো বাধ্যতামূলক। এগৰাকী মহিলাৰ নেতৃত্বত এই সমিতিখন গঠন কৰিব লাগিব আৰু ইয়াৰে ৫০ শতাংশ সদস্য মহিলা হ'ব লাগিব।

**Central Victim Compensation Fund Scheme**

বলাৎকাৰৰ নিৰ্যাতিতা, এচিদৰ আক্ৰমণ, মানৱ সৰবৰাহকাৰী, সীমান্তত হোৱা গুলীয়াগুলীত নিহত বা আহত হোৱা মহিলাৰ ক্ষতিপূৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ২০০ কোটি টকাৰে 'কেন্দ্ৰীয় নিৰ্যাতিতা ক্ষতিপূৰণ নিধি আঁচনি' [Central Victim Compensation Fund Scheme (CVCF)] এখন প্ৰণয়ন কৰিছে। কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ধৰণৰ নিৰ্যাতনৰ বাবে ধাৰ্য কৰি দিয়া ক্ষতিপূৰণৰ পৰিমাণ হ'ল এনে ধৰণৰ —





| ক্ৰমিক নং | আঘাত/ক্ষয় আদিৰ বিৱৰণ | ক্ষতিপূৰণৰ ন্যূনতম পৰিমাণ |
|---|---|---|
| ১ | এচিদ আক্ৰমণ | ৩ লাখ টকা |
| ২ | বলাৎকাৰ | ৩ লাখ টকা |
| ৩ | অপ্ৰাপ্তবয়স্ক শাৰীৰিক নিৰ্যাতন | ২ লাখ টকা |
| ৪ | মানৱ সৰবৰাহকাৰীৰ বলি হোৱা নিৰ্যাতিতা মহিলা | ১ লাখ |
| ৫ | বলাৎকাৰৰ বাহিৰে আন যৌন নিৰ্যাতন | ৫০ হাজাৰ টকা |
| ৬ | নিৰ্যাতনৰ ফলত মৃত্যু | ২ লাখ টকা |
| ৭ | স্থায়ীভাৱে অক্ষম হোৱা (৮০ শতাংশ বা ততোধিক) | ২ লাখ টকা |
| ৮ | আংশিকভাৱে অক্ষম হোৱা | ১লাখ টকা |
| ৯ | শৰীৰৰ ২৫ শতাংশতকৈ অধিক জুয়ে পোৱা | ২ লাখ |
| ১০ | সন্তান ধাৰণৰ ক্ষমতা নষ্ট হোৱা | ১.৫ লাখ টকা |
| ১১ | ভ্ৰূণ নষ্ট হোৱা | ৫০ হাজাৰ টকা |
| ১২ | সীমান্তত হোৱা গুলীত | |
| | ক) মৃত্যু বা স্থায়ীভাৱে অক্ষম হোৱা মহিলাৰ (৮০ শতাংশ বা ততোধিক) | ২ লাখ টকা |
| | খ) আংশিকভাৱে অক্ষম হোৱা মহিলা | ১ লাখ টকা। |

যদি নিৰ্যাতিতা ব্যক্তি ১৪ বছৰৰ তলৰ হয় তেন্তে ক্ষতিপূৰণৰ পৰিমাণ ৫০ শতাংশ বৃদ্ধি হ'ব।

তথ্যসমূহ বিভিন্ন উৎসৰ পৰা সংগৃহীত।



**Annie Besant**, first woman President of Indian National Congress

TINSUKIA COLLEGE LIBRARY ESTD 1956

# বৃত্তিজীৱী মহিলাৰ বিভিন্ন সমস্যা আৰু সমাধান

তুলিকা দাস
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

**প্ৰস্তাৱনা ঃ**

বৰ্তমান, বিশেষকৈ নগৰাঞ্চলত এক বুজন সংখ্যক মহিলাই চাকৰি কৰিবলৈ লৈছে। বিশ্বায়ন আৰু প্ৰতিযোগিতাৰ যুগত পুৰুষৰ সমানে সমানে আজিৰ নাৰীয়েও কাৰোবাৰ আশাত হাত সাৱটি বহি নাথাকি সৰু হ'লেও এটা চাকৰি যোগাৰ কৰি ল'বলৈ সক্ষম হৈছে। কিন্তু সাধাৰণতেই গৃহিণী এগৰাকীৰ কাৰণে চাকৰি এক উপৰঞ্চি দায়িত্ব আৰু সমস্যাৰূপে দেখা দিয়ে অসম ৰাজ্যৰ লগতে ভাৰতবৰ্ষত বৰ্তমান বহু লাখ মহিলাই বিভিন্ন ধৰণৰ কামত নিয়োজিত হৈ আছে। ভাৰতৰ সৰ্বোচ্চ পদ ৰাষ্ট্ৰপতিৰ পৰা আৰম্ভ কৰি বিভিন্ন পদত মহিলাসকলে প্ৰভাৱ বিস্তাৰ কৰি আছে। এইসকল কৰ্মৰত মহিলাই যিটো অনুষ্ঠানত তেওঁলোকৰ শ্ৰমদান কৰি আছে তাত তেওঁলোকে শাৰীৰিক-মানসিকভাৱে নিৰ্ভয়ে থাকিব পাৰিছেনে? তেওঁলোক সকলোৱে কিবা নহয় কিবা এটা সমস্যা আছে। দেখাত সৰু সমস্যা হ'লেও কিন্তু ই সৰু নহয়। এই সমস্যাবোৰৰ প্ৰতি দুই এজনক বাদ দি বেছিভাগেই অৱহেলা কৰি থকাৰ লগতে ইয়াৰ সমাধান এটা বিচাৰি আলোচনা কৰিলেও কিন্তু সদুত্তৰ নাপায়।

**বিষয়ৰ আলোচনা ঃ**

প্ৰতিগৰাকী শিক্ষিতা মহিলাৰ মনত প্ৰশ্নৰ উদয় হয় — তেওঁ ঘৰখনৰ কামৰ উপৰিও বাহিৰত এটা চাকৰি লোৱা উচিত নে অনুচিত? সকলো বিষয়তে মতভেদ থকাৰ দৰে গৃহিণীয়ে চাকৰি বা যিকোনো এটা পেছাদাৰী বৃত্তি বাছি লোৱাতো উচিত নে অনুচিতক লৈয়ো মতভেদ থকাটো স্বাভাৱিক। কিন্তু সিদ্ধান্তটো শেষত সকলো পৰিস্থিতি চাই বৃত্তিধাৰী মহিলাগৰাকীয়েই ল'ব লগা হয়। আৰ্থিক সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি জীৱন ধাৰণাৰ মানদণ্ড বৃদ্ধিত সহায় কৰিবৰ কাৰণে আৰু নিজৰ শিক্ষাৰ ব্যৱহাৰিক প্ৰয়োগৰ কাৰণেই চাকৰিত যোগ দিবলৈ বিচাৰে। এইটো এটা ইতিবাচক দিশ যে চাকৰি বা বৃত্তিধাৰী মহিলাই সামাজিক কাম-কাজৰ দ্বাৰায়েই তেওঁৰ নিজৰ মাজত লুকাই থকা স্ব-প্ৰতিভাখিনি বিকাশ কৰাৰ সুবিধা পোৱাৰ লগতে চাৰি দেশ, চাৰি ঠাই দেখাৰ সুবিধা পায়, নানাজনৰ লগত চিনাকি হ'বলৈ আৰু বিশেষকৈ ঘৰুৱা একঘেয়ামী কামৰ পৰা বা সমস্যাৰ পৰা আঁতৰি থাকিবলৈ সুবিধা পায়। চাকৰিয়াল মহিলাগৰাকীয়ে পৰিয়ালৰ আৰ্থিক অৱস্থাত বিশেষভাৱে সহায় কৰিব নোৱাৰিলেও নিজৰ আৱশ্যকীয় এপদ-দুপদ বস্তু যোগাৰ কৰি ল'ব

* *আমি সকলোৱেই জানো যে কলা কেতিয়াও সত্য হ'ব নোৱাৰে। কলা হ'ল এনে এটা অসত্য যাৰ সহায়ত আমি সত্য উপলব্ধি কৰিব পাৰো। — পাবলো পিকাচো*



পাৰিলেও মনত আনন্দ পায়। কিন্তু এই আনন্দৰ আঁৰে-আঁৰে বহু সমস্যাই মূৰ দাঙি উঠে।

**সমস্যাসমূহ ঃ**

ক) বৃত্তিধাৰী মহিলা গৰাকীৰ প্ৰধান আৰু প্ৰথম সমস্যাটোৱেই হ'ল সময়। প্ৰথমৰ পৰা অফিচৰ সময় আৰু ঘৰৰ সময়বোৰ ভাগ ভাগ কৰিব জানিব লাগিব। অফিচলৈ আহ-যাহ কৰোঁতেই বেছিখিনি সময় অতিবাহিত হয় বাবে বহুতো মহিলাই চাকৰি এৰি দিবলৈ বাধ্য হয়। কিয়নো পৰিয়ালৰ আলপৈচান ধৰি (মাতৃ হিচাপে/পত্নী/ বোৱাৰী ইত্যাদি হিচাপে) মহিলা গৰাকীয়ে চাকৰিৰ কাৰণে খুব কম সময় পায়; তেতিয়া ইকুলো নৰয়, সিকুলো নৰয়; শেষ পৰ্যন্ত ঘৰ-পৰিয়াল-সন্তান আদিৰ তাগিদাত চাকৰি বাদ দি ওৰেটো জীৱন মানসিক দুখত কটায়। বহুতো মহিলাই আকৌ 'Part-time' চাকৰি বিচাৰে। দূৰত্বৰ কাৰণে অকল সময়েই নহয়, যাতায়াতৰ ব্যৱস্থাইও গৃহিণীক বিপদত পেলায়। এই দুয়োটালৈ লক্ষ্য ৰাখি প্ৰায় মহিলাই ঘৰৰ ওচৰতে চাকৰি বিচাৰে।

খ) কেৰিয়াৰ বিষয়ক সিদ্ধান্ত ঃ জীৱনৰ কোনোবা এটা সময়ত আমি সকলোৱে কেৰিয়াৰ বিষয়ক এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'ব লগা হয়। কোনোবাই ভাল পেকেজৰ কাৰণে চাকৰি বদলি কৰে, কোনোৱে জব ছেটিছফেকচনৰ খাতিৰত গোটেইটো জীৱন এটা চাকৰিত সন্তুষ্ট হৈ থাকে। আকৌ কোনোবাই কেৰিয়াৰ উচ্চ পদবীত থকা সত্বেও মনৰ সন্তুষ্টিৰ কাৰণে আন চাকৰিলৈ যায়গৈ। এই ধৰণৰ সৰু-ডাঙৰ সিদ্ধান্তবোৰ লোৱাৰ সময়ত আমি কেইটামান কথা মনত ৰাখিলে নিজৰ কাৰণে ভাল হয়।

গ) বৃত্তিধাৰী মহিলাগৰাকীয়ে পৰিয়ালৰ সুখ-শান্তি অটুট ৰাখিব পৰাটোহে এক আৱশ্যকীয় কথা। ঘৰৰ কৰিবলগীয়া কামসমূহৰ সময়ৰ নতুন ব্যৱস্থা কৰিবলগীয়া হয়। দুপৰ ভাগত কৰিবলগীয়া কাম এতিয়া কৰ্মস্থলীলৈ যোৱাৰ আগতে ৰাতিপুৱা বা ঘূৰি আহি ৰাতি কৰিবলগীয়া হয়। স্বাভাৱিকতেই জিৰণিৰ সময় কম হয়। সাৱধান নহ'লে নিজৰ স্বাস্থ্য ভাগি পৰাৰ সম্ভাৱনা থাকে।

ঘ) বৃত্তিধাৰী মহিলাৰ পোছাক ঃ কৰ্মৰত মহিলাসকল পোছাকৰ প্ৰতি সজাগ হ'ব লাগে। অফিচত সুনাম অৰ্জন কৰিবলৈ কৰ্মদক্ষতাৰ লগতে অতি প্ৰয়োজনীয় বস্তুটো হ'ল এটা সুন্দৰ ব্যক্তিত্ব। সকলোৰে লগত মিলি কাম কৰাৰ ক্ষমতা, অফিচৰ বিভিন্ন সমস্যাক মেনেজ কৰাৰ দক্ষতা, কম সময়ত নিখুঁতভাৱে কাম কৰাৰ ক্ষমতা থকাৰ বাহিৰেও আৰু যিটো সকলোৱে লক্ষ্য কৰে সেইটো হ'ল, আপুনি সাজ-পোছাকৰ প্ৰতি কিমান সজাগ। বৃত্তিধাৰী মহিলাই অফিচত জইন কৰাৰ আগতেই চাই ল'ব বেছিভাগ কৰ্মচাৰীয়ে কি ধৰণৰ পোছাক পিন্ধি আহে, যেনে— স্কুল-কলেজৰ শিক্ষয়িত্ৰীসকলে সাধাৰণতে ভাৰতীয় পোছাক (শাড়ী-মেখেলা-চাদৰ বা চেলোৱাৰ-কামিজ) পিন্ধে। আকৌ কৰ্পোৰেট জগতৰ মহিলাসকলে বিজনেছ ছ্যুট পৰিধান কৰে। আকৌ লেখা-মেলা কৰা, ডিজাইনিং সংক্ৰান্ত কাম-বনৰ লগত যুক্ত মহিলাই কেছুৱেল সাজ-পোছাকতেই অফিচলৈ আহে। মহিলাই কেনে পোছাক পৰিধান কৰিলে সম্পূৰ্ণ শালীনতা বজাই ৰখাও হয় আৰু নিজৰ সুন্দৰ এক ব্যক্তিত্ব নিগৰিত হয় তাৰ নিৰ্ধাৰণ নিজেই কৰিব লাগিব।

ঙ) বহুতো ক্ষেত্ৰত গৃহিণীয়ে চাকৰিত যোগ দিলেই ঘৰুৱাহী কাম কৰিবলৈ চাকৰ, সৰু ল'ৰা-ছোৱালীক চাবলৈ আয়া, স্কুললৈ যোৱা ল'ৰা-ছোৱালীৰ কাৰণে ঘৰুৱা শিক্ষকৰ নিযুক্তি — ইত্যাদি উপৰুৱা খৰচৰ বাট মুকলি হয়। চাকৰি কৰা কোনো কোনো গৃহিণীয়ে তেওঁ চাকৰি কৰাৰ কাৰণে যে তেওঁলোকৰ আৰ্থিক অৱস্থাৰ উন্নতি হৈছে, সেয়া ওচৰ-চুবুৰীয়াক দেখুৱাবৰ কাৰণেও এনেবিলাক

* মোৰ কৃততকাৰ্যতাবোৰৰ বিষয়ে বেছিকৈ নিলিখিবা, মোৰ ব্যৰ্থতাবোৰ অনেক গুণে বেছি শিক্ষাদায়ক। — জন গিয়েলগাছ।

প্ৰতিযোগিতাত নামে। কোনোবা এগৰাকীয়ে সেয়েহে বিচাৰ কৰি দেখুৱাইছিল, সাধাৰণ মধ্যবিত্ত শ্ৰেণীৰ গৃহিণী এগৰাকীয়ে কাম কৰিলে যিখিনি উপাৰ্জন হয়, সেইখিনি তেওঁৰ যাতায়াত, কাপোৰ-কানি আৰু ওপৰত উল্লেখিত কাৰণসমূহতে খৰচ হয়। তথাপিও মানসিক সন্তোষৰ কাৰণেও চাকৰি বা অন্যান্য কাম-কাজৰ আৱশ্যক হয়। কিন্তু কিছুমান গৃহিণীয়ে আৰ্থিক দুৰৱস্থাৰ কাৰণেই চাকৰিত যোগ দিয়ে, তেওঁলোকে উপৰুৱা খৰচো সীমিত কৰি ৰাখে আৰু লগতে ঘৰৰ সকলো দায়িত্বও পালন কৰে। চাকৰি আৰু ঘৰ দুয়োটা কৃতকাৰ্যতাৰে চলাব পৰা গৃহিণীগৰাকীয়েই আমাৰ সকলোৰে আদৰ্শনীয়।

চ) চাকৰি আৰু গৃহকন্দল ঃ এগৰাকী মহিলাই কোনো এটা চাকৰিত সোমোৱাৰ লগে লগেই বহুতো পৰিয়ালত দাম্পত্য কলহৰ সৃষ্টি হয়। সাধাৰণতে গৃহিণীয়েও উপাৰ্জনৰ ভাগ লৈছে বুলি স্বামীয়ে ভালেই পাব লাগে যদিও লাহে লাহে পতি-পত্নীৰ মাজত সন্দেহ আৰু কলহেহে দেখা দিয়া ধৰা পৰে। গৃহিণীয়ে নিজে উপাৰ্জন কৰা বুলি ভাবি পতিৰ কথা-বতৰাত গুৰুত্ব কমাই দিলেই বিপদে দেখা দিয়ে। তাতে যদি পুৰুষৰ আৰু গৃহিণীগৰাকীৰ দৰমহাৰ পৰিমাণ সমান বা পত্নীৰ দৰমহা স্বামীতকৈ বেছি হয়, তেতিয়া পুৰুষজনৰ মনত হিংসাৰ ভাব উদ্ৰেক হোৱাটোও স্বাভাৱিক। অতি চেষ্টা কৰিলেও, চাকৰি কৰা গৃহিণীগৰাকীয়ে নিজৰ পৰিয়ালৰ সকলো কাম নিয়মিত আৰু সুচাৰুকৈ কৰিব নোৱাৰে। স্বামীয়ে এই কথাটো অনুভৱ কৰে, যেতিয়া তেওঁ কোনো আত্মীয় বা বন্ধুৰ ঘৰত চাকৰিলৈ নোযোৱা গৃহিণীগৰাকীয়ে সকলো কাম নিয়াৰীকৈ কৰা দেখা পায়।

ছ) স্বামী-স্ত্ৰীয়ে একেটা অফিচত কাম কৰাৰ সমস্যা ঃ যিবোৰ অফিচত স্বামী-স্ত্ৰীয়ে একেলগে কাম কৰে তেওঁলোকে অফিচৰ সহকৰ্মীৰ পৰা কিবা-কিবি ইতিকিং কৰাৰ নিচিনা বাক্য মাজে মাজে শুনিবলগা হয়। সেই বুলি দুয়োজনৰ মাজত এজনে চাকৰি এৰি দিয়াৰ কথা নাহে। এইবোৰ সমস্যা নিৰাময়ৰ কেইটামান উপায়—

(১)অফিচ আৰু ঘৰৰ সম্পৰ্ক সাংঘাতিক ধৰণে পৃথক কৰি ৰাখিব লাগে। ঘৰত আপোনালোক স্বামী-স্ত্ৰী কিন্তু অফিচত সহকৰ্মীৰ বাহিৰে আন একো নহয়, এই কথাটো পাহৰি যাব নালাগে। অফিচত এটা ফৰ্মেল ৰিলেচনশ্বিপ অটুট ৰখাৰ চেষ্টা কৰাটো ভাল।

(২)টিফিনৰ সময়ত দুয়োজনে একেলগে নবহি, আন সহকৰ্মীৰ লগত বহি খাব লাগে। ইয়াৰ দ্বাৰা দুয়োজনে এটা উচ্চ স্থান পাব। মাজে মাজে বেলেগ বেলেগ সময়ত ঘৰলৈ আহিব। তেতিয়াহে গতানুতিক ভাব শাম কাটিব।

(৩)অফিচৰ কামত কোনো প্ৰকাৰে যেন ব্যক্তিগত সম্পৰ্কৰ ছাঁ নপৰে, সেই বিষয়ে দৃষ্টি ৰাখিব। একেলগে বহি আড্ডা মৰা, ফোন কৰা আদি কামৰ পৰা বিৰত থাকিব লাগে।

(৪)স্বামী-স্ত্ৰীয়ে একেলগে এটা অফিচত কাম কৰিলে সহকৰ্মীৰ পৰা কথা শুনিবই লাগিব। গতিকে সকলো কথাতে গুৰুত্ব নিদিব। এই ঠাট্টা-মস্কৰাক লৈ যেন নিজৰ দাম্পত্য জীৱনত একো কু-প্ৰভাৱ নপৰে, সেই বিষয়ে সদায় সতৰ্ক হৈ থাকিব। অফিচৰ সমস্যা অফিচতেই শেষ কৰিব লাগে, ঘৰলৈ কেতিয়াও লৈ আহিব নালাগে। নিজৰ মাজত ভাল ধৰণে বুজা-পৰা থাকিলে সকলো সমস্যাই সহজতে সমাধা কৰিব পাৰি।

**জ) সহকৰ্মী বা মুৰব্বীৰ পৰা যৌন অত্যাচাৰ ঃ**

কৰ্মক্ষেত্ৰত সহকৰ্মী বা উচ্চ কোনো পদবীৰ কোনো অফিচাৰৰ পৰা যৌনতাৰ ইংগিত বহুত মহিলাই পাই থাকিও সহ্য কৰি থাকে। ইয়াৰ এটাই কাৰণ চাকৰিটো কিজানিবা হেৰাই যায়। যদিও

*যিজনে নিজকে জ্ঞানী বুলি ভাবে তেওঁৰ দৰে মুৰ্খ কোনো নাই। — জৰ্জ বাৰ্নাৰ্ড শ্ব*



'ছেক্সুৱেল হেৰাছমেণ্ট এট্ ৱৰ্ক প্লেচ'ৰ বিৰুদ্ধে আইন বনাইছে আৰু বহু সংস্থাই এই জঘন্য অপৰাধ প্ৰতিৰোধ কৰাৰ কাৰণে নিজস্ব চে'ল কিছুমান আৰম্ভ কৰিছে, তথাপি বেছিভাগ কৰ্মৰত মহিলাই সংকোচৰ বশৱৰ্তী হৈ দিনৰ পিছত দিন এই অত্যাচাৰ সহ্য কৰি থাকে। অৱশ্যে যিকোনো অন্যায়ৰ নিচিনাকৈ ছেক্সুৱেল হেৰাছমেণ্ট বন্ধ কৰাৰ একমাত্ৰ হাথিয়াৰ হ'ল প্ৰতিবাদ।

**সমাধান ঃ**

(১) কৰ্মস্থলীত পৰস্ত্ৰীৰ প্ৰতি আসক্ত লোকক মহিলাগৰাকীয়ে চাকৰি সংক্ৰান্ত কামৰ বাহিৰে অন্য বিষয়ত ওচৰ চাপিবলৈ সুবিধা দিব নালাগে।

(২)সহকৰ্মী পুৰুষসকলৰ কোনো বিশেষ এজনৰ লগত অতি বেছি সময় কটাব নালাগে। সকলোৰে লগত সমান ব্যৱহাৰ কৰিব লাগে।

(৩)অতি মাত্ৰাৰ প্ৰসাধনত অতি সৰু ব্লাউজ বা গাতে লাগি থকা পোছাক ব্যৱহাৰ কৰিব নালাগে।

(৪)নিজে কেতিয়াও অশ্লীল ভাষা ব্যৱহাৰ কৰিব নালাগে আৰু লোককো তেনে কথা কোৱা বা অশোভনীয় ঠাট্টা বিদ্ৰুপ কৰিবলৈ সুবিধা দিব নালাগে।

(৫) পুৰুষ ওপৰৱালাক সন্মান কৰিব লাগে কিন্তু তেওঁ উঠ বুলিলেই উঠা আৰু বহ বুলিলেই বহা হোৱাৰ আৱশ্যক নাই।

(৬) পুৰুষ ওপৰৱালাই অফিচৰ ছুটীৰ পিছতো কাম কৰিবলৈ ৰাখিলে যাতে আৰু কোনো সহকৰ্মী লগত থাকে তাৰ ব্যৱস্থা কৰিব লাগে।

(৭) ওপৰৱালাই তেওঁৰ ঘৰত কাম কৰিবলৈ মাতিলে যাব নালাগে।

(৮)পুৰুষ সহকৰ্মী বা ওপৰৱালাৰ যদি স্বভাৱ সন্দেহযুক্ত হয় তেতিয়া তেওঁৰ গাড়ীত অহা-যোৱা নকৰাই ভাল। তদুপৰি ইয়াৰ লগতে সাৱধান হোৱা ভাল যে চাকৰি কৰা গৃহিণীয়ে তেওঁৰ অফিচৰ কোনো পুৰুষৰ লগত অতি মাত্ৰাৰ বন্ধুত্ব স্থাপন কৰি নিজৰ স্বামীৰ সন্দেহৰ পাত্ৰী হ'ব নালাগে। স্বামীক পুৰুষ বন্ধুৰ লগত প্ৰথম সুবিধাতে চিনাকি কৰি দিব লাগে। পুৰুষ বন্ধুৰ প্ৰশংসা কেতিয়াও স্বামীৰ আগত বখানিব নালাগে। গৃহিণীয়ে যে এতিয়াও নিজৰ স্বামীকে সৰ্বাধিক ভাল পায়, সন্মান কৰে সেই কথা পৰোক্ষভাৱে হ'লেও স্বামীক অবিৰতভাৱে জনাব লাগে।

**সন্তান আৰু বৃত্তিয়াল মহিলা ঃ**

মনত ৰাখিব লাগে যে সন্তানৰ কাৰণে মাকৰ মৰমৰ সমান অন্য একো বস্তু হ'ব নোৱাৰে। ল'ৰা-ছোৱালীৰ মানসিক উন্নতি আৰু আচাৰ-ব্যৱহাৰ মাকৰ ওপৰতে নিৰ্ভৰ কৰে। সন্তানৰ বয়স ৩/৪ বছৰমান হোৱালৈকে মাকৰ মৰম আৰু লালন-পালন খুব আৱশ্যক। গতিকে ককাক-বুঢ়ীমাক লগত নাথাকিলে এনে বয়সত সন্তানক ঘৰত থৈ মাকহঁত চাকৰিলৈ নোযোৱাটোৱেই সমীচিন। ল'ৰা-ছোৱালী স্কুলত ভৰ্তি হ'লে সিহঁত স্কুলত থকা সময়খিনি মাকেও বাহিৰত কাম কৰিব পাৰে। কিন্তু ল'ৰা-ছোৱালী বুজন নোহোৱালৈকে মাকহঁতেও ল'ৰা-ছোৱালী স্কুলৰ পৰা ঘূৰি অহা সময়তে ঘৰ পাবহি লাগে। নহ'লে ল'ৰা-ছোৱালীয়ে স্কুলৰ পৰা ঘূৰি আহি মাকৰ পৰা যি মৰম-চেনেহ বিচাৰে তাৰ পৰা বঞ্চিত হয়। তদুপৰি মাকে গোটেই দিনটো কাম কৰি ভাগৰি-জুগৰি অহাৰ বাবেও ল'ৰা-ছোৱালীয়ে স্কুলৰ পৰা ঘূৰি আহি মাকৰ পৰা যি মৰম-চেনেহ বিচাৰে তাৰ পৰা বঞ্চিত হয়, তদুপৰি মাকে গোটেই দিনটো কাম কৰি আহি ভাগৰি-জুগৰি ল'ৰা-ছোৱালীৰ লগত হাঁহি-মাতি সিহঁতৰ ভাৱ-অনুভৱ ভাগ ল'বলৈ সক্ষম নহয়। গতিকে ল'ৰা-ছোৱালী ডাঙৰ হ'লেহে মাক চাকৰিত ভৰ্তি হ'ব লাগে।

মানসিক সন্তুষ্টিৰ কাৰণেই হওক বা আৰ্থিক সমস্যা সমাধানৰ কাৰণেই হওক, ঘৰত সৰু ল'ৰা-

*বন্ধুত্ব কেতিয়াবা প্ৰেমত পৰিণত হ'ব পাৰে, কিন্তু প্ৰেমৰ শেষ পৰিণতি বন্ধুত্ব হোৱা অসম্ভৱ। — বাইৰন।

ছোৱালী এৰি থৈ বাহিৰত চাকৰি কৰিবলৈ যোৱাটো সমাজৰ কল্যাণকাৰক নহয়, এনে ব্যক্তিগত কামৰ কাৰণে শেষত গোটেই জাতিটোৱেই ভুক্তভোগী হ'বলগীয়া হয়। শিশুৰ কাৰণে মাকেই হ'ল প্ৰধান উপদেষ্টা। এগৰাকী উপযুক্ত মাতৃ এশগৰাকী শিক্ষকৰ সমান। সকলো জীৱৰ ক্ষেত্ৰতে, সন্তানক উপযুক্ত কৰি তোলাটোৱেই মাতৃৰ প্ৰাকৃতিক ধৰ্ম। গতিকে আমাৰ মানৱ সমাজতো মাতৃয়ে নিজৰ সন্তানক এৰি থৈ অফিচত কাম কৰিবলৈ যোৱাটো প্ৰকৃতিৰ বিপৰীতে যোৱাহে হয়। আজিকালি অৱশ্যে চৰকাৰী চাকৰিয়ালে প্ৰসৱকালীন ছুটী ছমাহলৈকে পোৱাৰ বাবে বহুত সুবিধা হৈছে যদিও ব্যক্তিগত খণ্ডৰ কৰ্মচাৰীৰ এনে দীঘলীয়া ছুটীৰ সুবিধা নাই। গতিকে অফিচবিলাকত Creche খোলাটো বাধ্যতামূলক কৰিব লাগে যাতে মাতৃগৰাকীয়ে এক নিৰ্দিষ্ট সময়ত সন্তানক দেখা কৰিব পাৰে। বহুতো উন্নত দেশত চাকৰি কৰা নাৰীৰ সংখ্যা শতকৰা হিচাপত আমাৰ ভাৰততকৈ অনেক বেছি। কিন্তু মন কৰিবলগীয়া যে তেওঁলোকৰ প্ৰায়ে আংশিক সময় বিশিষ্ট Part time চাকৰিহে কৰে।

সামৰণি ঃ বৰ্তমান যুগত আমাৰ সমাজৰ প্ৰায় সকলো শিক্ষিতা গৃহিণীয়ে ভৱিষ্যতে কি সমস্যাৰ সৃষ্টি হ'ব পাৰে তালৈ ভ্ৰূক্ষেপ নকৰি পুৰুষৰ লগত সমানে চাকৰিৰ প্ৰতিযোগিতাত যোগ দিয়াটো স্বাভাৱিক হৈ পৰিছে। এই সৌতক সাধাৰণতেই ব্যক্তিগত বা সামাজিক উন্নতিমুখী বুলিয়েই ধৰা হৈছে। বৰ্তমান সমাজত পুৰুষ আৰু মহিলাৰ স্থান সমান পৰ্যায়ৰ। বহুতো ক্ষেত্ৰত নাৰীয়ে পুৰুষতকৈ বেছি কৃতকাৰ্যও হৈছে। বহুতো পৰিয়ালত পত্নীৰ উপাৰ্জন স্বামীতকৈ বহুত বেছি। বহুতো নাৰীয়ে চাকৰি আৰু গৃহ পৰিচালনাত সমানে কৃতকাৰ্য হ'ব পাৰে। কিন্তু মনত ৰাখিব লাগে যে এটা জাতিৰ সুখ-সমৃদ্ধি বা দাৰিদ্ৰতা, জ্ঞান-বিজ্ঞান বা অজ্ঞান-আন্ধাৰ, কৃষ্টি-সভ্যতা বা আসুৰিকতা নিৰ্ভৰ কৰে জাতিৰ শিক্ষিতা, উপযুক্ত মাতৃৰ সংখ্যাৰ ওপৰত, জাতিৰ কিমান সংখ্যক মহিলা ডাক্তৰ, উকীল, চাকৰিয়াল বা এম এল এ, এম পি আছে তাৰ ওপৰত নহয়। লগতে এইটো কথাও গুৰুত্বপূৰ্ণ যে উচ্চশিক্ষিত মহিলা এগৰাকীয়ে কঠোৰ সাধনাৰে আয়ত্ত কৰা জ্ঞান আৰু দক্ষতাকো সমাজখনে গ্ৰহণ কৰিব পাৰিব লাগিব। গতিকে এগৰাকী চাকৰিজীৱী মহিলাই সুচাৰুৰূপে দায়িত্ব পালন কৰিবলৈ পৰিয়াল, স্বামী আৰু সমাজখনৰ সহায়-সহযোগিতাৰ অতি আৱশ্যক। ▢▢

সহায়ক গ্ৰন্থপঞ্জী ঃ

১। চাকৰি-মহিলা আৰু সমস্যা ঃ ডাঃ আনোৱাৰ হুছেইন।
২। স্কুলত যি শিকোৱা নহয় ঃ ড° পাৰ্থ চট্টোপাধ্যায়।
৩। দাম্পত্য-জীৱন আৰু প্ৰেম ঃ ড° পাৰ্থ চট্টোপাধ্যায়।
৪। Life Style - Dr. Mukul Sharma
৫। প্ৰান্তিক, বাতৰিকাকত আদি।

*শত্ৰুক সদায় ক্ষমা কৰিবা। কিন্তু তেওঁলোকৰ নাম কেতিয়াও নাপাহৰিবা। — জন এফ কেনেডী



# Work Environment, Stress and Women

**Mayuri Sharma Baruah**
Asst. Professor, Dept. of English

**Introduction:** Perhaps it is no exaggeration to say that work and women are complementary terms. It is equally true that most of the work accomplished by women go unrecognized. Unless and until a woman is employed and paid salary for her work, her performance in the day-to-day domestic sphere fetches no applause at all. In a society deeply seated in patriarchal ideology, such views are often taken for granted. Women themselves accept this situation as destined. However, in the 21st century when the world is rapidly marching towards newer heights of progress and prosperity, our perspectives tend to change. As we look at the status of working women, we notice that very often the unpleasant workplace environment affects the soundness of their minds. In this paper I would focus mainly on the higher education sector. As a member of this fraternity I have observed how women employees stress themselves in order to maintain a dignified identity. A survey made by Neilsen in 2011 has clearly shown that 87% of the Indian women feel stressed out most of the time. This paper makes an attempt to enumerate the various factors responsible for causing stress to women, especially at workplace. Besides, it will try to formulate certain strategies for reducing the stress level for the sake of a woman-friendly work environment.

**Discussion:** Work environment refers to the atmosphere prevalent at the work place wherein one has to accomplish duties. We know that an accommodating work environment essentially enhances one's working

*তোমাক যদি কোনোবাই দুখ দিছে, ভুল কৰিছে, তাক ক্ষমা কৰি দিবা। কিন্তু নিজকে কোনো ভুলৰ বাবে কেতিয়াও ক্ষমা নকৰিবা। — চাইৰাছ।

capacity and vice-versa. A hostile environment happens to aggravate problems for the employees; they feel stressed which affects their individual performance level. Stress is defined as a person's adaptive response to a stimulus that places excessive psychological or physical demands on him or her. Precisely speaking, it refers to an uneasy state of mind which gradually influences the general health of the person concerned. In the present state of affairs, every sensible individual happens to feel stressed, reasons whatever be. In general, women are more likely than men to experience physical symptoms of stress, such as fatigue, irritability, headaches and depression. Usually working people feel stressed because of low salaries, heavy workloads, lack of proper opportunity for advancement and job security etc. However, viewed from a gender perspective, there appears a variation in the reality. As compared to men, women at work are more stressed because of a gender centric outlook. Let us try to discover the factors responsible for these, particularly in the case of women working in the formal sector.

**Stress Factors:**

❖ **Gender as Stumbling Block:** First of all, it is unfortunate that even in educational institutions a woman employee is treated as a woman and not as competent colleague by her male counterparts. Gender discrimination thus, numbs the performance level of a woman who is recruited purely on the basis of her merit, not gender. Such impaired attitude in administrative plane is reflected in the power hierarchy of the institution. For example, absence of women in various executive bodies directly indicates how they are treated within the organization. A woman's efficiency is always at stake. She has to prove herself repeatedly – a reason to feel stressed.

❖ **Dual responsibility:** A modern woman bears the burden of running a household singlehandedly along with her professional responsibilities. Endeavoring to bring a balance between both, very often she exhausts herself. Despite an effort to segregate both, a woman's personal life

* শ্ৰেষ্ঠসকলৰ প্ৰতি নম্ৰ হোৱাটো কৰ্তব্য, সমকক্ষৰ প্ৰতি নম্ৰ হোৱাটো শিষ্টাচাৰ, নীচসকলৰ প্ৰতি নম্ৰ হোৱাটো মহত্ত্ব। —ফ্ৰেংকলিন।



overshadows her professional life. Many a time the typical gender image of a woman hinders her vision – a constant conflict within can be a cause for stress. However efficient or sincere a woman employee is, her performance is under continuous scrutiny. Perhaps, the same measure is not applicable for a male employee.

❖ **Health Hazards:** No doubt the very recent Swacch Bharat Mission aiming at providing sanitation facilities is a much laudable pro-women venture. It's an attempt to reach out to a huge number of women who are still far beyond. Now, the question that crops up is whether mere implementation will be effective. Our own experience shows that educational institutes where majority of employees are women very often have poor toilet facilities. Poorly maintained toilets pose a threat to the health of women. This can be regarded as a factor for stress at workplace, especially for women.

❖ **Harassment Hassle:** The order for forming committees for redressal of sexual harassment at workplace tells the whole tale. The Vishakha Guidelines have paved way for justice for women at work – indeed a bold step towards empowerment. Again, a pertinent question arises – what about subtle and sly verbal assaults? Experiences have shown how women employees at educational institutes face disguised remarks of non-sexual nature, inflicting injury to their self-esteem. Such unhealthy practices suffocate the work environment and women feel stressed.

**Conclusion:** The above discussion throws light on a serious issue concerning working women, those employed in education sector. As the title indicates, our area of emphasis is work environment vis-à-vis stress in women. Unlike men, women have a different set of experience although they share the same workplace. The enlisted factors have emerged just because of a patriarchal culture that underrates women. Despite UGC's intervention and aid for organizing SAM (Sensitization, Awareness, Motivation) workshops for capacity building for women in Higher

*অসম্ভৱ হৈছে এনে এটা শব্দ যিটো কেৱল মুৰ্খৰ অভিধানতহে পোৱা যায়। জনশিক্ষাই চৰকাৰৰ প্ৰধান উদ্দেশ্য হোৱা উচিত। — নেপোলিয়ন

Education System, a lot has to be done. As stated by Dr. Mahanta, "divide and rule" has always been a cardinal strategy of patriarchal society; hence women have to resist that through solidarity. Experience- sharing can help in transforming a hostile work environment into a congenial one. Though the Vishakha Guidelines put more emphasis on sexual harassment, provisions for ensuring appropriate work conditions for women at work place is also stated. Sexual harassment certainly is the ultimate, but as shown above, all these factors cause stress in women at workplace. Thus, we may infer that **gender equity** is the single key to a women- friendly as well as stress-free work environment.

**Works Cited :**


Mahanta, Dr. Aparna, Keynote Address, Book of Proceedings, Workshop on 'Prevention of Sexual Harassment in Higher Educational Institutions of Assam: Myths and Reality, Strategy and Practice – A Critique', edited by Dr. Champa R.Mohan & Mr. Shivaji Dutta, organized by English Department, Doomdooma College, 2013

Bhagat, Chetan, Indian Women – An article, http://articles, timesofindia.com/2011-076/




**Kiran Bedi** (Born: 9 June 1949 in Amritsar) is the first woman IPS Officer.



**Mother Teresa** [Anjezë Gonxhe Bojaxhiu] (Born: 26 August 1910), first woman to receive Noble Prize





# Superstition and the Society


**Mrs. Meherun Nisha Begum**
Dept. of Statistics


Superstition is a kind of belief in supernatural force or power that relates one event to the cause of another without any prcess in the physical world linking the two events. This is an universal phenomenon that can be seen all over the world cutting across the caste, creed, communual or national boundaries. The practice of superstition is quite common in every society though the pattern of practice may vary from one society to another.

It is generally accepted that superstition originate due to ignorance, illiteracy, lack of scientific knowledge, the urge for security etc. These factors along with some others are directly involved in the growth and spread of superstition. Man is very concerned for his pains, pleasures, comfort and well being and desire for success. A slightest failure makes him unnerved and become weak mentally and would do anything which lead to his betterment. These type of development in his brain make him look for such such elements - existent or non existent, on which he can put all his hopes.

Opposition to superstitions was a central concern of the intelectuals during eighteen century rejected any belief in miracles, revelations or supernaturals as superstitions. It had no scientific revelation . The word superstition at that time was often used to refer to religious practices other than the one prevail in a given society.

Example of superstition without scientific value

In old days whenever people found a particular place to be prone to accident, they made a temple, mosque or a gurudwara in an around that place so that accidents are avoided and some prayers were done in that place to cure or get relief from bad effects. A very

common man can say that this superstition has no scientific value.

Superstitions with scientific value :

A peepal tree is scientifically called 'Ficus'. These trees have been used for centuries as good wood that has the quality to survive rain, sunshine or winter. Peepal is infact a tree that releases more oxygen in air than other trees. Hence they are trees of tremendous importance to us all. Understanding the scientific value of peepal tree pandits advice that the different types of temple should be built under peepal trees. Specially these temples are Shiva temples or Hanuman temples. By doing this peepal trees are rescued to a very large extent. Similarly all major rivers in India are treated as holy rivers. Its symbolizes the importance of water in life. These types of superstitions and beliefs are scientific.

**Indian superstitions**

Except few superstitions which has scientific value to beleive, most Indian superstitions are non scientific. There is a saying that India is a country where even doctors wear tabiz (In India it is beleived that wearing the holy black thread with a silver or copper pendent or tabiz is very good). It is believed that Tuesday and Saturday is not suitable for cutting hair. Likewise in some places Thursday and Saturdays are not considered for washing hair. A common superstition we have been hearing from our childhood is crossing our path by a black cat is a bad sign. Again calling a person from back when he is leaving home is considered as bad. Likewise there is another superstition,if somebosy is leaving home for days work and a sneezing from back, it is a bad sign. Again your head collides with another person's head it is very bad. So in order to vanish bad effect you have to bump your head once again.Almost all of the above mentioned superstitions are without any scientific involvement.

Unscientific superstition and human life

Often superstitions which are not scientific can effects human life very badly. Sometimes under the influence of superstitions human life becomes very pitiable. For example in Indian Society the life of bride become hellish, if immediately after her marriage her husband or any other member of his family dies, she is subjected to taunts and tortures for the rest of her life, though it was not fault





of her. A widow plight is bad enough in our society. She is considered unlucky if she comes face to face with any one who is about to start for somewhere. Moreover some social groups, castes or individuals permannetly suffer because of superstitions.

**Conclusion :**

However, according to our opinion the world today is governed by science. Science has made life easy and man has advanced a lot. Superstitions have no applications in todays life. So we should not follow the superstitions that were passed on to us by our ancestors. We should follow only the ones which have scientific and logical basis. A person believing in superstitions is always hunted by unknown fears and anxieties. He loose self confidence. Education is one factor that can wipe out superstitions to some extent. A scientific look and temper should be cultivated to do away with superstitions. It is better to avoid superstitions, that are still prevailing in our society as did by well known chemist Neil Bohr. Once a visitor came to Neil Bohr, the visitor noticed a horse shoe hanging on the wall of Neil Bohr's house. The visitor asked "Do you think this horse shoe bring good luck to you ?" Neil Bohr replied. "Off course not but I understand it will bring good luck to you."



**Chonira Belliappa Muthamma** (Born: 24 January 1924) was the first woman to clear the Indian Civil Services examinations and the first woman to join the Indian Foreign Service.

**Leila Seth** (20 October 1930) was the first woman judge on the Delhi High Court and she became the first woman to become Chief Justice of a state High Court. Himachal Pradesh on 5 August 1991.



# বৃদ্ধাৱস্থাৰ টুকুৰা ছবি

জয়লক্ষী দত্ত
সহকাৰী অধ্যাপিকা, প্ৰাণীবিজ্ঞান বিভাগ

আগফালৰ বাৰান্দাখনতে আইতাগৰাকী বহি থাকে। ঘৰৰ সন্মুখেৰে পাৰ হৈ যোৱা প্ৰত্যেককে মাতে আৰু নানান কথা পাতে। প্ৰথমতে সকলোৱে গৈছিল, কিন্তু পাছলৈ বহুতেই সেই পথ এৰি অন্য পথেৰে যোৱা কৰিবলৈ ধৰিলে। কাৰণ কথা পাতোঁতে কাৰোবাৰ অফিচলৈ যোৱা পলম হৈ যায়। আকৌ আন কাৰোবাৰ স্কুললৈ যোৱা পলম হৈ যায়। কথাটো দেখাত সাধাৰণ যেন লাগিলেও ইয়াৰ মাজত সোমাই থকা কিছুমান কথা ফঁহিয়াই চালে কোনোৱে হয়তো এনে বৃদ্ধাৱস্থাৰ কামনা নকৰিব।

এগৰাকী মহিলা বা পুৰুষৰ ডেকা বা গাভৰু অৱস্থাত এনেদৰে কথা পাতিবলৈ হয়তো সময় নাথাকিবও পাৰে। পৰিয়াল বা সামাজিক নানান দায়িত্ব সামৰোঁতেই সময়ৰ কেতিয়াবা নাটনিহে হয়। এনে সময়ত কোনো সঙ্গৰ অভাৱ খুব কমেইহে অনুভৱ কৰে।

মহিলা এগৰাকীয়ে নিজৰ ঘৰখনৰ বা ল'ৰা-ছোৱালীৰ জঞ্জাল, দায়িত্ব সম্পূৰ্ণ কৰাতেই ব্যস্ত হৈ থাকে। চাকৰিয়াল মহিলাই তাৰ মাজতে চাকৰিৰ বাবেও যাবলগীয়া হয়। সন্ধিয়া নিজৰ পৰিয়ালৰ সৈতে দিনটোৰ কথা পাতি মনটো অকণমান পাতলায়। ইয়াৰ মাজতে সামাজিক দায়-দায়িত্ব বা নানা নিমন্ত্ৰণ ইত্যাদি ৰক্ষা কৰিবলগীয়াও হয়। এনে কৰ্মব্যস্ততাৰ মাজেৰে পাৰ হোৱা এটা জীৱন লাহে লাহে বৃদ্ধাৱস্থাৰ ফালে যোৱাৰ লগে লগে স্থবিৰ হৈ যায়।

ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰি নিজৰ নিজৰ চাকৰিৰ ঠাইলৈ আঁতৰি যায়। সময়ৰ সোঁতে হয়তো মহিলাগৰাকীৰ স্বামীকো আঁতৰাই নিয়ে। চাকৰিয়াল মহিলা হ'লে তেওঁৰো অৱসৰৰ সময় হয়। যাৰ ফলত মহিলাগৰাকী সম্পূৰ্ণ অকলশৰীয়া হৈ পৰে।

এনে নহয় যে এনে ঘটনা বা পৰিস্থিতি কেৱল মহিলাৰ ক্ষেত্ৰতেই হয়, পুৰুষসকলেও এনে পৰিস্থিতিৰ সন্মুখীন হয়।

এজন দুজনকৈ তেওঁলোকৰ বন্ধু-বান্ধৱ সকলো আঁতৰি যায় আৰু তেওঁলোকৰ মনৰ কথা এষাৰ পাতিবলৈও লগ নোহোৱা হয়। অৱশ্যে ইয়াৰ বাবে কাকো দোষীবও নোৱাৰি। সকলোৱেই কৰ্মব্যস্ততাৰ বাবে তেওঁলোকক পৰ্যাপ্ত সময় দিব নোৱাৰা হয়।





কেতিয়াবা এনেকুৱা পৰিস্থিতিও হয় যে নিজৰ ঘৰখন এৰি ল'ৰা বা ছোৱালীৰ ঘৰত থাকিবলগীয়া হয়; যিটো বৃদ্ধ বয়সত এটা মানসিক যন্ত্ৰণা। নিজৰ ঘৰখন, নিজৰ বাৰীখন বা নিজৰ নামঘৰটো এৰি ফ্লেটত থকাটো কেতিয়াও তেওঁলোকৰ বাবে আনন্দৰ কথা নহয়। দিনটো অকলশৰে ফ্লেটত থকাৰ পিছত সন্ধিয়া পুতেক বা বোৱাৰীয়েকে লগত হয়তো বহি কথা অলপ পাতিবলৈও সময় নাপাব পাৰে আৰু যাৰ বাবে ককা বা আইতাগৰাকীয়ে অসন্তুষ্ট হ'ব পাৰে। কিন্তু ককা বা আইতাগৰাকীয়ে আজিৰ কৰ্মব্যস্ততাৰ কথা ভাবি পৰিস্থিতিটো চম্ভালি লৈ নিজকে অন্য দিশত মনোনিবেশ কৰিলে নিজেও সুখী হ'ব পাৰিব আৰু পৰিয়ালটোও আনন্দিত হ'ব। ইয়াতেই আৰু এটা কথাও ক'ব খোজোঁ যে কৰ্মব্যস্ততাৰ সূচীখনত অলপ সময় বৃদ্ধ ব্যক্তিসকলৰ বাবে ৰাখিবলৈও চেষ্টা কৰিব লাগে।

তেওঁলোকৰ মনোৰঞ্জনৰ কাৰণে কিছু ব্যৱস্থা কৰিলে তেওঁলোকো সুখী হ'ব যেন বোধ হয়।

আচলতে তেওঁলোকক লগ দিবলৈ বা তেওঁলোকে যি কাম কৰি নিজকে ব্যস্ত ৰাখিবলৈ ভাল পাব, সেয়া জানি লৈ সেইমতেই কৰিবলৈ চেষ্টা কৰিলে সকলোৱেই সুখী হৈ থাকিব পাৰিব।

□□



***Ashapoorna Devi*** (Born 8 January 1909 ) a prominent Bengali novelist and poet was the first woman to receive Jnanpith Award in 1976



***Kanchan Chaudhary Bhattacharya*** was the first woman to become Director General of Police



***Punita Arora*** is the first woman in India to don the second highest rank i.e. Lieutenant General of Indian Armed Forces. and the first female Vice admiral of Indian Navy.

# Women and Science

**Dr. Minakshi Chamua**
Asst.Professor, Physics

Science has been dominated throughout history by men, downgrading women to a minor role. As about half of the population of world comprises of women so it means that science has been losing half of the human potential. But today situtaion has changed. Now women are equally contributing to science like her male counterpart. In some cases it is seen that female are better than male. It is seen that women have some special qualities which set them apart from men. Some of these special qualities are as follows :

1) Women have particular sensitivity which enables them to focus to a greater depth on biological problems.
2) They are more patient, sincere and determined which is important for research.
3) Women are more intuitive which is also important for science.
4) They have a different way of thinking which compliments that of men.
5) They approach science differently from men in terms of their intelligence and activity.
6) Resilience, spirit of sacrifice and the certainty of a woman make her a good scientist.
7) Their labs are more nurturing, welcoming and interactive.
8) They are important as role models and mentors to young women.
9) They are better in time management.
10) They are good at multitasking.

Because of these qualities women can become better scientists, but they have to overcome many barriers also. One main barrier faced





by women is the resistance from their families and society to higher education. In some countries women are not expected to achieve outside of the family. In some countries even political situations prevent women scientists developing their carrier. Besides these social and political barriers marriage and motherhood is characterized as the major challenge to a woman pursuing a scientific carrier. Succeessful women scientists are seen to overcome such barriers with courage and determination along with the support from their family members or mentors. Married women if they marry fellow scientists or academicians then it become easier for them to carry out their scientific work because their partners understand the priorities. This means they can assume childcare when necessary. Support and encouragement from family members can make a women scientist successful in her career. Motherhood is a vital component in women's life. If we look at the life of successful women scientists across the world then we notice that these women were able to successfully combine their family life with their career. Supportive partner or husband is found to be a critical factor to make a woman's career feasible. Woman cannot give up motherhood; it is a vital component of her life. Whatever barrier exists it can be overcome by perseverance, patience and hard work. Technology has been improving so fast that is is making our life easier. If women can take advantage of these technologies they can save enough time for their research work. We hope in our future generations equal numbers of men and women will contribute in the field of science. ❑❑



***Sushmita Sen,* (born in 19 November 1975)** *an Indian film actress and model was the first Indian woman to win the Miss Universe in 1994*

# ধৰ্মই যেতিয়া হৃদয়ত প্ৰৱেশ কৰে

**ড° ৰুবী বৰুৱা**
সহকাৰী অধ্যাপিকা, ৰসায়ন বিজ্ঞান বিভাগ

আমি নিজৰ ল'ৰা-ছোৱালীক নেদেখাজনৰ আগত ধূপ এডাল জ্বলাই মূৰ দোৱাবলৈ শিকাওঁ। বিভিন্ন কথাৰ মাজত সিহঁতক নেদেখা এক শক্তিৰ জ্ঞান দিবলৈ যত্ন কৰোঁ। নেদেখাজনৰ ভয় দেখুৱাই বেয়া কামৰ পৰা আঁতৰি থাকিবলৈ শিকাওঁ। মিছা কথা নক'বলৈ, বয়োজ্যেষ্ঠক সন্মান কৰিবলৈ আদি নানান নীতি শিক্ষাও দি যাওঁ। এই ক্ষেত্ৰতো মহিলাসকলেই বেছিকৈ দায়িত্ব পালন কৰি থকা দেখা যায়। পৰোক্ষভাৱে মহিলাসকলেই ঘৰৰ ভিতৰৰ ধৰ্মক লালন-পালন কৰি সামাজিক ধাৰ্মিকতাবাদলৈ প্ৰেৰণ কৰোঁ। বিশেষ এটা ধৰ্মৰ কথা আলোচনা কৰাৰ যদিওবা লেখনিটোৰ উদ্দেশ্য নহয়, থাওকতে এষাৰ কথা লিখাটো বাঞ্ছনীয় যেন লাগে। আজিকালি হিন্দু ধৰ্মৰ জাকজমকতা আৰু বাহুল্য অবাঞ্ছনীয় হিচাপে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। উদাহৰণস্বৰূপে স্থানীয় ঠাইসমূহত অসমীয়া মানুহেও বোল ব'ম, ষট্ পূজা, গণেশ পূজা এই সকলোবোৰ যথেষ্ট বাহুল্যৰে পালন কৰা দেখা গৈছে। বাহ্যিক পূজা-অৰ্চনাৰ লগত প্ৰকৃততে 'ধৰ্ম' শব্দটোৰ সম্বন্ধ কিমান গভীৰ আৰু ব্যাপ্ত সেইয়া ভাবিবলগীয়া। গৰমৰ বন্ধত এবাৰ চেৰাপুঞ্জীৰ ৰামকৃষ্ণ মিছনত এৰাতি থকাৰ সুযোগ পাইছিলোঁ। চৌপাশ সেউজীয়া এক শান্তিময় পৰিবেশত থকা ৰামকৃষ্ণ মিছনৰ বিশাল ঘৰটোৰ মুখ্য দুৱাৰেদি আহি থাকোঁতেহে অনুভৱ হ'ল প্ৰথমবাৰৰ বাবে মই এটা ৰামকৃষ্ণ মিছনত প্ৰৱেশ কৰিছোঁ। ওপৰ মহলত থকা স্বামীজীৰ কোঠালৈ আমাৰ সকলোকে লৈ গৈছিল এজন শ্যাম বৰণীয়া বাঙালী ল'ৰাই। গেৰুৱা কাপোৰ পিন্ধা এজন ওখ-পাখ দক্ষিণ ভাৰতীয় মানুহ স্বামীজীৰ আসনত বহিছিল। মানুহজনৰ কথা-বাৰ্তাত বৰ দৃঢ় আৰু গভীৰ ব্যক্তিত্ব ব্যাপ্তি থকা যেন লাগিল। আমাক থাকিবলৈ দিয়া কোঠাকেইটা পৰিষ্কাৰ, কিন্তু নিত্যান্তই সাধাৰণ আছিল; খোৱা-বোৱাও তেনেই সাধাৰণ। খোৱা-টেবুলত শ্যাম বৰণীয়া ডেকা ল'ৰাটোৱে আহি ক'লে, "মেডাম, মোক চিনি পাইছে? মই আপোনাৰ ছাত্ৰ।" তেনেদৰে নিজৰ ছাত্ৰক লগ পাই সৌভাগ্য যেনেই লাগিল। ল'ৰাটোৰ মুখখন দেখাৰে পৰা ময়ো মনে মনে ভাবি আছিলোঁ— "এই মুখখন ইমান চিনাকী যেন লাগে।"

— "তুমি ইয়ালৈ কেনেকৈ আহিলা?" জানিবলৈকে সুধিলোঁ।

— "দেউতাই থৈ গ'ল। থৈ যাবৰ সময়ত দেউতাই কৈছিল তিনি মাহ থাকি চাই ল'বি। বেয়া পালে গুচি যাবি। কিন্তু মোৰ ইয়াত থকা ছবছৰ হ'ল। মেডাম, পৃথিৱীৰ কোনো ধৰণৰ বেয়া শক্তিয়ে এতিয়ালৈকে ৰামকৃষ্ণ মিছন স্পৰ্শ কৰা নাই। ইয়াত





বৰ শান্তি। কেৱল আনৰ বাবে কাম কৰাই ধৰ্ম।"

এটা চফল যৌৱনপৃষ্ঠ ল'ৰাৰ মুখত এইষাৰ কথা শুনি মোৰ অন্তৰাত্মা কঁপি উঠিছিল। সন্ধিয়া ছয় বজাত প্ৰাৰ্থনা ঘৰলৈ যাবলৈ কৈ গ'ল ল'ৰাটোৱে। মন্দিৰৰ কেন্দ্ৰ বিন্দুত দেৱীৰ মূৰ্তি বিৰাজমান, কিন্তু দেৱীৰ দুয়োকাষে এফালে যীচু আৰু আনফালে গৌতম বুদ্ধৰ বিশাল ছবি। প্ৰৱেশ কৰাৰ লগে লগেই মন্দিৰৰ ভিতৰখনত সৰ্বধৰ্মৰ অনুৰণন বিয়পি থকা অনুভৱ কৰিলোঁ। অলপ পিছতেই প্ৰাৰ্থনা ঘৰত সুন্দৰ, শ্ৰুতিমধুৰ, ৰাগ আৰু তালৰ সঠিক সংমিশ্ৰণে এনে এক গভীৰ শান্তিময় পৰিৱেশ সৃষ্টি কৰিলে যে তাক প্ৰকাশ কৰিবলৈ সঠিক শব্দৰ সঁচাকৈয়ে অভাৱ।

বিশাল ৰামকৃষ্ণ মিছনৰ ঘৰটো প্ৰকৃততে এখন বিদ্যালয়। অসংখ্য দুখীয়া মানুহৰ ল'ৰা-ছোৱালীয়ে সেইখন বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰে। সমগ্ৰ পৰিৱেশটোৱেই আছিল আকৰ্ষণীয়। ধৰ্মৰ প্ৰকৃত প্ৰয়োগ যেন স্বামী বিবেকানন্দই প্ৰতিষ্ঠা কৰা এই ৰামকৃষ্ণ মিছনতেই জীয়াই আছে, তেনে অনুভৱ হয়। ভূপালৰ এন আই টিৰ ইঞ্জিনিয়াৰিং পাঠ্যক্ৰমৰ এগৰাকী ছাত্ৰই স্বামীজীক উদ্দেশ্য কৰি লিখা এখন চিঠি আছিল এনে ধৰণৰ ঃ "সৰুৰে পৰাই মোৰ মাতৃয়ে সদায় সত্যত চলা, দয়া ক্ষমা, প্ৰেমৰ যোগেদি সকলোৰে লগত মিলা-প্ৰীতিৰে থকা; আনক সহায় কৰা, কাকো হিংসা নকৰা ইত্যাদি কথাবোৰ শিকাই আহিছে। কিন্তু যেতিয়াৰ পৰাই মই বাহিৰৰ পৃথিৱীখনৰ লগত ভালদৰে পৰিচিত হ'লোঁ, মাতৃয়ে কোৱাৰ দৰে এজন মানুহকো লগ নাপালোঁ। প্ৰত্যেকজন ব্যক্তিকে স্বাৰ্থপৰ ৰূপতহে দেখা পালোঁ। সেয়েহে মোৰ পাঠ্যক্ৰম শেষ হোৱাৰ পিছত মই ৰামকৃষ্ণ মিছনত যোগদান কৰিব বিচাৰোঁ।"

উদীয়মান যুৱকজনৰ চিঠিখনৰ পৰা ইয়াকে অনুমান কৰিব পাৰি যে ধৰ্মক যেতিয়া প্ৰকৃত অৰ্থত হৃদয়ত স্থাপন কৰা হয় তেতিয়া স্বাৰ্থপৰ সমাজখনৰ লগত যুঁজ দিবলৈ অসুবিধা হয়। বিভিন্ন পূজা-পাৰ্বন কৰি মানুহে কেৱল ঈশ্বৰক নিজ স্বাৰ্থ পূৰণৰ বাবেহে প্ৰাৰ্থনা কৰে। এনে এখন স্বাৰ্থপৰ সমাজৰ লগত মানৱ সেৱাকে ধৰ্ম বুলি হৃদয়েৰে গ্ৰহণ কৰাসকলে তাল মিলাব নোৱাৰা হয়। সেয়েহে হয়তো ৰামকৃষ্ণ মিছনৰে অংশ হৈ জীৱন কটাবলৈ স্থিৰ কৰি লয়।

জীৱনৰ প্ৰাপ্তি আৰু অপ্ৰাপ্তিৰ হিচাপ যেতিয়া একেই হয় মানুহৰ জ্ঞানে এক উচ্চ শিখৰত আৰোহণ কৰে য'ত মহাআনন্দৰ প্ৰাপ্তি ঘটে। এনে নন্দন তত্বৰ বাবে ধৰ্মৰ জ্ঞান নুই কৰিব নোৱাৰি।

সনাতন ধৰ্ম, বৌদ্ধ ধৰ্ম অথবা খ্ৰীষ্টান ধৰ্ম যি ধৰ্মই নহওক বাহ্যিকতাত ধৰ্ম বিৰাজমান নহয়। ব্যক্তিৰ হৃদয়তহে ধৰ্ম চালিত হৈ থাকে। পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ বিজ্ঞানী আইনষ্টাইনৰ হৃদয়তো বাস কৰিছিল ধৰ্মই; নেদেখা এক শক্তিৰ ওচৰত তেওঁ মূৰ দোৱাইছিল।

ধৰ্মৰ বাহ্যিকতা আৰু বাহুল্য প্ৰসাৰ-প্ৰচাৰ কমাবলৈ আমাৰ যথেষ্ট সামাজিক কৰণীয় আছে। ধৰ্মৰ আধ্যাত্মিকতাই কি দৰে ল'ৰা-ছোৱালীৰ হৃদয় অলপ হ'লেও চুই যাব সেইবিলাক দিশ গুৰুত্ব সহকাৰে লোৱা উচিত। চাণক্যই কৈছিল 'মানুহ অত্যধিক সৎ হোৱাও অনুচিত, কিয়নো আটাইতকৈ ওখ গছজোপা প্ৰথমতে কাটি দিয়াৰ সিদ্ধান্ত লোৱা হয়।" যদিওবা চাণক্যৰ এইষাৰ কথা বিষয়-বস্তুৰ লগত একেবাৰে মিলি নপৰে, সময়ৰ লগত খাপ-খুৱাই আগবাঢ়িবলৈ হ'লে ধৰ্ম আৰু বুদ্ধিমত্তাৰ এক সমতা ৰক্ষা কৰাটো অত্যন্ত প্ৰয়োজনীয়। হৃদয়ৰ ধৰ্মত কালিমা নলগোৱাকৈ বুদ্ধিৰে জীৱনটো আগুৱাই লৈ যাব পাৰিলেহে প্ৰকৃততে প্ৰত্যেক ব্যক্তিয়ে জীৱনৰ সুখ পান কৰিবলৈ সক্ষম হ'ব।

□□

# Research on Women's Studies in India

**Dr. Pallavi Gogoi**
Librarian

"History is His Story; Women need to write her story"

One of the major aspect of women's question is the under representation of women in the history of nation building and without knowing the history, future generations of women should have to start from scratch to seek out their liberation.

An overview of the achievements of Women's Studies in India during the last quarter of a century indicates that recovery and translations of lost writings by women in different languages has been one of the most positive outcomes of Women's movement. Women's Studies scholarship has recovered texts dating back to the ancient period, which provide extraordinary source material for not only litterateurs, but for students of intellectual, cultural and regional history. In the last few decades, several oral narratives of women in the peasant, tribal and dalit struggles have been documented, giving new insights into the history of modern India.

"..Through these studies , the centres not only evolved more accurate ways of measuring women's contribution to society, but also legitimised what were otherwise considered 'non-formal' sources of information like oral history, personal narratives etc. Besides individual research, many of the centre also encouraged joint and interdisciplinary one's-different ways of doing research. All this was part of the larger attempt to move women's issues from periphery to the centre." (Jain and Rajput, 2003, *Narratives from the Women's Studies Family*, p. 31)





The Women's Studies movement has made some major breakthroughs in the content of research as well as in the methodologies employed. Oral history and personal narratives have come out as the major sources of information in Women's Studies and case studies has become major research outputs in the field.

In the inception phase, Women's Studies was logically seen as a part of the humanities and social sciences streams. However, it has moved beyond these limits - to engage with science and technology with particular reference to reproductive technologies, genetic sciences, agriculture, medicine and other disciplines.

University Grants Commission has identified some of the research areas for Women's Studies centres to take up research projects in such areas. Some of such areas are:

- The invisibility, distortion and marginalisation of gender as a category of analysis in mainstream disciplines and their canonization,
- Collaboration with Film Studies is expected to be beneficial for Women's Studies. India is the largest producer of films (in many languages) in the world, which certainly have a social impact, particularly on women's lives. Mass Communication and Research on the expanding visual media have led to significant films documenting women's history.
- Since the publication of the Report of the Committee on the Status of Women in India (CSWI), the discipline of Demography became integrally connected to the twin movements of Women and Women's Studies and debates on the declining sex ratio as evidence of marginalization of the majority of women in Indian Society. The Indian Census of 2001 revealed an internal shift in the sex-ratio trend. "Missing Girls" replaced "Missing Women" – during the decade (1990s) dedicated by the SAARC Summit to the Girl Child. This is an area that requires urgent exploration, field action, action research, and other types of research and advocacy efforts.
- The emergence of the International Conventions on Human Rights, Women's Rights and Child Rights has increased the importance of legal studies for specialists as well as for general education. Women's Studies must promote interaction with

these new legal aspects of social existence.

Some of other UGC suggested areas are:-

i) New Economic Policy and its impact on women.

ii) Women and the Political Process, with special focus on women in PRIs

iii) Science, technology and women; with special focus on women and reproductive health.

iv) Forms of violence both public and private against women and girl children.

v) Women headed households and women as major family earners.

vi) Migration and Displacement – internal and international.

vii) Women in the organized and unorganized labour force.

viii) Interlocking of gender, caste and ethnic inequalities

ix) Gendered character of caste and communal violence

x) Feminist theories in the Indian context and the critical reconstruction of concepts of work, power, autonomy, patriarchy, class-caste, sexuality, sex-work among several others.

xi) Gender and Cultural expressions: Oral, printed and audio-visual forms

xii) Women's Rights within the new legal discourse of Human Rights.

(*University Grants Commission*, 2012)

Since Women's Studies as a subject has developed its own unique research methodology, the various Women's Studies centres based in the university system or at the non – governmental sector; regularly conduct different workshops on Research Methodology on Women's Studies to promote quality research.

It is proposed by the UGC that the field research, action research, documentation, teaching and extension activities to be undertaken by the WSCs. It is, suggested by the UGC that, besides extension education; which is educational activity in outreach work, other activities to be undertaken should be field action projects, advocacy or policy development and research, the latter being frequently commissioned by various agencies or Government, such as evaluation of programmes, special surveys, all India co-ordinated projects, etc.

* সম্পদৰ লালসা অবাধ কৰিবলৈ কোনো সম্পদ পৃথিৱীত সৃষ্টি হোৱা নাই— জেৰেমী টেইলৰ



Research including field oriented project work is an important activity of these centers. Researches should be based on solving problems of women relating to their social, economic, education, health, psychological, political participation etc. Some other thrust areas as recognised by UGC during its Tenth plan are as follows:

a. The new economic policy of liberalization, globalization, privatisation and its impact

b. National, global priority, thrust areas and various women issues and steps for solution

c. Women in the Panchayati Raj /District/ Block system; problems, limitations and role.

d. Women Health and child development

e. Domestic violence against women

f. Trafficking in women – national and international

g. Women's writing and literature

h. Women empowerment

i. Infrastructure and facilities

j. Family and women

k. Indian Women (Nationally and Statewise)

- Survey on the present day status of women including literacy, state policies for women, laws protecting women.
- Access to higher education and extension and continuing education.
- Roles, functions and image of women in present day media, national dailies and TV.
- Freedom (age wise, level, economy), Women Rights, Human Rights, Gender Rights.
- Major communities of women and strategies for action.
- Sexual harassment and preventive roles and Legal awareness and strategies for action.
- Security and safety of Women.
- Heath care and precautions.
- Labor force (organized & unorganized sectors).
- Widows, old age women, girl child & social security.

l. Electronic Media for the promotion of Women's Studies.

m. Courses in Women's Studies needed with community development.

n. Natural disaster, calamities/ flood /draught affected women and solution.

o. Misuses of functional autonomy by women and their possible demerits.

* এই পাৰমাণৱিক যুগত শান্তি হ'ল জীয়াই থকাৰ এটা চৰ্তহে।— এডলাই ষ্টিভেনছন

p. Participation of non-conventional and non-Government Agencies.

q. Role of Women's Studies Centers in promotion of Health and Child development followed by Community development.

UGC recommends that the objectives and goal of research should be to support policies, planning and empowerment to women and to create better strategies and need based planning for upliftment including gender equity, consolidate infrastructure and facilities of research in various sectors concerned to Women's Studies and their issues.

In undertaking field action projects and action research projects, it may be ensured that these projects lead to the development of new knowledge, or demonstrate a new area of service, a new strategy or methodology of work. As academic institutions, the focus of various Women's Studies Centres under the university system is not service but developing new knowledge by undertaking such projects.

A critical aspect of Women's Studies is the new information and analysis, which generate new theories. Reports of conferences, seminars, meetings, issue-based affirmative action and so forth, generate knowledge, which must be documented as an important resource for designing policy and programmes for women's empowerment.

There is still a great paucity of good books, readers and texts for teaching Women's Studies in India. In the absence of learning- teaching material, both in English and Indian languages, the academic component of Women's Studies has been diluted. The following are suggested by UGC (2012) for promoting sharing of teaching and research materials:

i) Preparation of text books, Readers/Reference Lists especially annotated ones, which would be useful in teaching and research,

ii) Thematic compilation of published/ completed research for wider circulation,

iii) Compilation of regional data bank of research on Women's Studies in each region.

iv) High quality teaching/ learning materials and dictionary/ glossary of terms in English and Indian regional languages.

v) State-wise directory of women in prominent positions.





Women's Studies Centres are also to undertake

a. Documentation of oral narratives,

b. Translation of women's writings,

c. Documentation of campaigns of women's and other democratic movements,

d. Develop and provide database to strengthen struggles for gender equality.

It is suggested that special budgetary provisions be made for the library and documentation units of the Women's Studies programmes with attention to building up their requirement for capital equipment in the field of information technology.

The contributions, achievements with any breakthrough, areas of thrust, research publications, collaborations, infrastructure and facilities, resources generated, if any, by the various Women's Studies Centre and the women organizations as a whole should be reflected in the form of a manual. Though most of them don't publish manuals, but majority of them published newsletters regularly reflecting the activities, programmes and future course of action. This kind of publication would be an important resource for those engaged in designing policies and programs for women's empowerment.

Research in Women's Studies programmes has ranged from critique and reconstruction of theory to developing new frameworks for identification and analysis of information both quantitative and qualitative. The Women's Studies Centres established in the university system need to experiment with interdisciplinary research using a range of methodologies. Purely academic as well as action research are encouraged by UGC. Collaborative research, regionally/nationally, is promoted as this, would not only contribute to knowledge building but also academically strengthen the WSCs in the process. ❑❑



**Padmavathy Bandopadhyay** (Born: 4 November 1944 ) is the first woman Air Marshal of the Indian Air Force. She is the second woman in the Indian armed forces to be promoted to a three-star rank.

# ভাষাৰ দৰ্শন আৰু প্ৰকৃতি

**মমী শ্যাম**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

**ভাষা কাক বোলে?**

মানুহৰ মনৰ ভাব প্ৰকাশৰ সৰ্বোৎকৃষ্ট মাধ্যমটোৱেই হ'ল ভাষা। ভাষা-বিজ্ঞানীসকলৰ মতে কেৱল মানুহে কোৱা মাত বা কথাকহে ভাষা বুলি কোৱা হয়। ভাষাই মানুহক জীৱশ্ৰেষ্ঠ হিচাপে পৰিগণিত কৰাইছে। অন্যান্য জীৱ-জন্তু, চৰাই-চিৰিকিতি ইত্যাদিয়ে সিহঁতৰ ভোক, খং, পিয়াহ আদি বুজাবলৈ কিছুমান মাত মাতে বা কিছুমান ইংগিত দিয়ে। কিন্তু মানৱ ভাষাৰ জটিলতা, গভীৰতা আৰু বিস্তৃতিৰ তুলনাত অন্য জীৱ-জন্তুৰ ভাৱ-বিনিময় ক্ষমতা ইমান সীমিত যে সেইবোৰক ভাষাৰ মৰ্যাদা দিব নোৱাৰি। বাক-শক্তি সম্পন্ন মানুহে সদায় নতুন নতুন ধৰণেৰে ধ্বনি সংযোগৰ মাধ্যমেৰে মনোভাৱ ব্যক্ত কৰি আহিছে। মানুহৰ ভাষা ধ্বনি-প্ৰতীকৰ সমষ্টি। বক্তাই কোৱা কথা বা উচ্চাৰণ কৰা ধ্বনি সমষ্টি শ্ৰোতাই শুনি বুজি পায় আৰু পুনৰ শ্ৰোতাইও একে ধৰণে নিজৰ মনোভাৱ ব্যক্ত কৰে।

ভাষা সম্পৰ্কে বিভিন্নজন পণ্ডিতে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। সংজ্ঞাৰ বিস্তৃতিলৈ নগৈ এই আলোচনাত Sturteventৰ প্ৰচলিত সংজ্ঞা এটাহে আগবঢ়োৱা হৈছে। তেওঁৰ মতে, "A language is a system of arbitrary vocal symbols by which members of a social group co-operate and interact." অৰ্থাৎ ভাষা হ'ল যাদৃচ্ছিক বাক-ধ্বনি প্ৰতীকৰ এটা পদ্ধতি, যাৰ যোগেদি এখন সমাজৰ মানুহে সহযোগ কৰে আৰু পাৰস্পৰিক কাম-কাজ চলায়।"

ভাষা-আলোচকসকলে ভাষা ব্যৱহাৰত বাকযন্ত্ৰৰ কাৰ্য, ধ্বনি প্ৰতীকৰ প্ৰয়োগ, যাদৃচ্ছিকতা আৰু প্ৰণালীবদ্ধতাৰ কথা স্বীকাৰ কৰে।

**ভাষাৰ দৰ্শন ঃ**

ভাষাৰ বিজ্ঞানসন্মত আৰু শৃংখলাবদ্ধ অধ্যয়ন কৰোঁতে জ্ঞান-বিজ্ঞানৰ অন্যান্য দিশৰ লগতে দৰ্শনৰ লগতো ইয়াৰ গভীৰ সম্পৰ্ক স্থাপিত হয়। প্ৰকৃততে ক'বলৈ গ'লে দাৰ্শনিক কৌতুহলৰ পৰাই ভাষাগত চিন্তা-চৰ্চাৰ সূচনা হয়। 'দৰ্শন' শব্দটো ইংৰাজী 'Philosophy' শব্দৰ প্ৰতিশব্দ হিচাপে অসমীয়াত ব্যৱহাৰ হয়। 'Philosophy' শব্দটো গ্ৰীক শব্দ 'Philos' আৰু 'Sophia' ৰ সংযোগত সৃষ্টি হৈছে। 'Philos' শব্দৰ অৰ্থ 'অনুৰাগ' আৰু 'Sophia' শব্দৰ অৰ্থ হ'ল জ্ঞান। গতিকে 'Philosophy' শব্দটোৰ ধাতুগত অৰ্থ হ'ল 'জ্ঞানৰ প্ৰতি অনুৰাগ'। খৃঃপূঃ পঞ্চম শতিকাৰ গ্ৰীক দাৰ্শনিক ছক্ৰেটিছৰ দিনৰ পৰা এই শব্দটিৰ প্ৰচলন হ'বলৈ ধৰে। ইংৰাজী

** কথা ভাল হ'ব পাৰে, কিন্তু কথাৰ মাজত অন্তৰ্নিহিত হৈ থকা নীৰৱতাখিনি আৰু বেছি ভাল। নীৰৱতা অনন্তৰ দৰে গভীৰ, কথা সময়ৰ দৰে অগভীৰ। — টমাছ কাৰ্লাইল*



Philosophy শব্দৰ অসমীয়া প্ৰতিশব্দ 'দৰ্শন' শব্দটোও সংস্কৃত 'দৃশ' ধাতুৰ পৰা উৎপত্তি হৈছে। 'দৰ্শন' বুলিলে ব্যাপক অৰ্থত 'বিশ্বব্ৰাহ্মাণ্ড সম্পৰ্কে সত্যৰ উপলব্ধি' এনে অৰ্থ বুজোৱা হয়। গতিকে অৰ্থগত দিশৰ পৰা জ্ঞানৰ স্পৃহা, সত্যৰ অন্বেষণ ইত্যাদি দাৰ্শনিক চিন্তাৰ পৰাই ভাষাৰ প্ৰণালীবদ্ধ অধ্যয়ন আৰম্ভ হয়।

জগতৰ স্বৰূপ সম্বন্ধে জানিবৰ বাবে মানৱ মনত স্বাভাৱিকতে অদম্য স্পৃহা আৰু কৌতুহলৰ সৃষ্টি হয়। এনে অনুসন্ধিৎসুভাৱেই অনাদি কালৰে পৰা মানুহৰ মনক উদ্বুদ্ধ কৰি আহিছে আৰু তাতেই দৰ্শনৰ তাৎপৰ্যও নিহিত হৈ আছে। মানৱ ভাষা সম্পৰ্কে অনুসন্ধিৎসাৰ ফলতেই ভাষাৰ দৰ্শনৰ সৃষ্টি হৈছে। ভাষাৰ জন্মৰ ইতিহাস এতিয়াও ৰহস্যৰ কুঁৱলীৰে আবৃত্ত। শিশুৱে জন্মতে ভাষা এটা শিকি নাহে, এই কথাষাৰ আমাৰ সকলোৰে জ্ঞাত। শিশুৱে পৰিয়াল অথবা সামাজিক পৰিৱেশৰপৰা ভাষা এটা আয়ত্ত কৰে। আমিও পূৰ্বপুৰুষৰ পৰাই ভাষা এটা শিকিছোঁ। কিন্তু প্ৰশ্ন হ'ল সৃষ্টিৰ প্ৰথম মানৱ বা মানৱ গোষ্ঠীয়ে ক'ৰ পৰা ভাষা শিকিছিল? তেতিয়া ভাষা আছিলনে? যদি নাছিল, ইয়াৰ উত্তৰ কেনেকৈ হ'ল? এনে বহু প্ৰশ্নৰ উত্তৰ বিচৰাৰ ফলতেই ভাষাৰ উৎপত্তি সম্পৰ্কে বহু তথ্যৰ উদ্ভৱ হৈছে। ভাষা সৃষ্টিৰ ক্ষেত্ৰত আৱিষ্কৃত হোৱা সূত্ৰসমূহৰ ভিতৰত কেইটামান প্ৰধান সূত্ৰ হ'ল— ১) প্ৰাকৃতিক শব্দৰাজিক অনুকৰণ কৰাৰ পৰা সৃষ্টি হোৱা সূত্ৰ (Bow-Wow theory) ২) সহজাত-প্ৰবৃত্তিৰ পৰা সৃষ্টি হোৱা সূত্ৰ (Pooh-Pooh theory) ৩) ধ্বন্যাত্মক সূত্ৰ (Ding-Dong theory) ৪) শক্তিৰ ভাৰসাম্য ৰক্ষা কৰোঁতে হোৱা ধ্বনি উচ্চাৰণৰ পৰা সৃষ্টি হোৱা সূত্ৰ (Yeh-He-Ho theory) ৫) ইঙ্গিতাৰ্থৰ পৰা সৃষ্টি হোৱা সূত্ৰ (Gesture theory), ৬) ক্ৰমবিকাশবাদ সূত্ৰ (Theory of Evolution) ইত্যাদি।

ভাষা সৃষ্টিৰ উপাদান সম্পৰ্কেও দাৰ্শনিক মতবাদৰ সৃষ্টি হৈছে। দৰ্শনৰ মতে ভাষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় উপাদান হ'ল— ইচ্ছা (intention), চিন্তন (thinking), উপলব্ধি (perception), চেতনা (sensation), বিবেচনা (consciousness) আদি। দাৰ্শনিক দৃষ্টিভংগীৰে চালে ভাষা কোৱাটো ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল। মন নগ'লে কথা নক'বও পাৰে, কি ক'ব তাকো চিন্তা কৰিব লাগিব। যাক ক'ব তেওঁও উপলব্ধি কৰিব পাৰিব লাগিব। তদুপৰি ভাষা ক'বলৈ চেতনা আৰু বুদ্ধিও থাকিব লাগিব। গতিকে এইসমূহক দাৰ্শনিকসকলে ভাষাৰ উপাদান বুলি ক'ব খোজে। ভাষা-বিজ্ঞানীসকলে এইবোৰ অস্বীকাৰ নকৰে ঠিকেই, কিন্তু এইবোৰক মৌলিক উপাদান বুলি নাভাৱে। কাৰণ মানুহে ভাষা কেনেদৰে কয়, তাৰ খবৰহে ই দিয়ে, কিন্তু ভাষাৰ গঠন কেনেদৰে হয় তাৰ সন্ধান নিদিয়ে। ভাষা-বিজ্ঞানীসকলৰ মতে ভাষাৰ মূল উপাদান হ'ল— ১) ধ্বনি ২) ৰূপ ৩) বাক্য আৰু ৪) অৰ্থ।

ভাষাৰ প্ৰাক-ইতিহাস লক্ষ্য কৰিলেও দেখা যায় যে খৃষ্ট পূৰ্ব চতুৰ্থ-পঞ্চম শতিকামানত প্ৰাচীন গ্ৰীছ দেশত ভাষাতত্ত্বৰ আৰম্ভণি ঘটে। সেই সময়ত প্ৰাচীন গ্ৰীছ দেশত ভাষা-অধ্যয়নৰ সুকীয়া শাখা নাছিল। গতিকে দৰ্শনৰ লগত অন্তৰ্ভুক্ত কৰিয়েই ভাষাৰ অধ্যয়ন চলাইছিল। ভাষাৰ অধ্যয়নৰ ইতিহাসত আমি প্ৰথমে প্লেটো আৰু আৰু এৰিষ্ট'টল এই দুজন গ্ৰীক দাৰ্শনিকৰ নাম ল'ব লাগিব। প্লেটোৱে 'ক্ৰেটিলাচ' (Crytylus) আৰু এৰিষ্ট'টলে 'পয়েটিক্স' (Poetics) গ্ৰন্থত ভাষা সম্পৰ্কে অনেক তথ্য আগবঢ়াই গৈছে। ইউৰোপীয় ভাষা-চিন্তাৰ জগতত দাৰ্শনিক প্লেটোৱেই প্ৰথম ভাষা-চিন্তাৰ উন্মেষ ঘটায়। সেইবাবে প্লেটোক 'First investigated the potentialities of grammar' বুলি কোৱা হয়।

** শিষ্টাচাৰৰ মাত্ৰ আধা অংশ নম্ৰতা, বাকী আধা অংশ হ'ল ধুনীয়াকৈ সজাই-পৰাই মিছা কথা ক'ব পৰাৰ ক্ষমতা। — মেৰী উইলছন লিটল*

প্লেটোৰ পাছতে তেওঁৰ অনুগামী এৰিষ্টটল আৰু ছক্রেটিছ আদি অন্যান্য দার্শনিকসকলে ভাষা-চিন্তাক অধিক গতিশীল কৰি তোলে। গ্রীক দার্শনিকসকলে ব্যাকৰণৰ প্রণালীবদ্ধ অধ্যয়নৰ এটা ধাৰা সৃষ্টি কৰি গৈছে। প্রকৃততে ক'বলৈ গ'লে দার্শনিক চিন্তাৰ অবিহনে ভাষাৰ অস্তিত্ব কল্পনা কৰিব নোৱাৰি।

**ভাষাৰ প্রকৃতি ঃ**

ভাষাৰ প্রকৃতি হ'ল ই বিশেষ সামাজিক গোটক কেন্দ্র কৰি বর্তি থাকে আৰু মূলতে ই সামাজিক বস্তু। ব্যক্তিয়ে ইয়াক আয়ত্তহে কৰে, পৈত্রিক সম্পত্তি হিচাপে উত্তৰাধিকাৰ সূত্রে নাপায়। শিশুৱে ইয়াক অনুকৰণৰ জৰিয়তে শিকে, সেইবাবে ইয়াৰ পৰিৱর্তনো স্বাভাৱিক। আনহাতে মানুহৰ বাক্-ক্ষমতা আৰু খোজকঢ়াৰ ক্ষমতা একে নহয়। খোজকঢ়া আদি কার্য কোনেও নিশিকালেও শিশু এটাই যথা সময়ত খোজ কাঢ়িবলৈ আৰম্ভ কৰিবই। ভাষা এটা নিশিকালে শিকিব নোৱাৰে। কথা কোৱাৰ ক্ষমতা বংশানুক্রমিকভাৱে পালেও কথা ক'বৰ কাৰণে যিটো ভাষা ব্যৱহাৰ কৰা হয়, সেয়া অনুকূল পৰিৱেশত আনৰ পৰা শিকি ল'ব লগা হয়। ভাষা শিকিবৰ বাবে মানৱ শিশু এটা মানৱ সমাজতে ডাঙৰ-দীঘল হ'ব লাগিব। নির্জন দ্বীপ অথবা হাবিত অকলশৰে ডাঙৰ-দীঘল হোৱা শিশু এটাই কেতিয়াও ভাষা ক'ব নোৱাৰে। তদুপৰি শিশুৱে ভাষা আয়ত্ত কৰে যাৰ সৈতে ডাঙৰ-দীঘল হয় সেইসকলৰ পৰা। সেই সকল ব্যক্তি পিতৃ-মাতৃও হ'ব পাৰে অথবা আন মানুহো হ'ব পাৰে। অসমত জন্মা শিশু এটা লণ্ডনত ডাঙৰ-দীঘল হ'লে সি ইংৰাজীহে শিকিব, অসমীয়া নহয়। গতিকে ভাষা অনুকৰণৰ বস্তু, ই এটা সামাজিক গোটক কেন্দ্র কৰিহে বর্তি থাকে।

ওপৰৰ আলোচনাৰ পৰা আমি জানিব পাৰিলোঁ যে ভাষা সমাজকেন্দ্রিক, ভাষা-প্রণালীবদ্ধ, ভাষা যাদৃচ্ছিক ধ্বনি প্রতীকৰ সমষ্টি। যিহেতু ভাষাই মনৰ অভিজ্ঞতাকে প্রকাশ কৰে, সেইবাবে কোনো এটা ভাষা উচ্চ বা নীচ হ'ব নোৱাৰে। অনুকূল পৰিৱেশত ভাষা এটাই উচ্চ আসন পায়, আনহাতে প্রতিকূল পৰিস্থিতিত ভাষা এটা ধ্বংসৰ পথলৈ গতি কৰে। উদাহৰণস্বৰূপে সাহিত্য-সম্পদত চহকী হোৱাৰ লগতে ৰাজনৈতিক শক্তিৰে শক্তিমান হোৱা বাবে ইংৰাজসকলৰ ইংৰাজী ভাষাটোৱে পৃথিৱীৰ সর্বত্রতে বিস্তাৰ লাভ কৰি আন্তঃৰাষ্ট্রীয় ভাষাৰ মর্যাদা লাভ কৰিবলৈ সক্ষম হ'ল। গতিকে প্রসংগক্রমে উল্লেখযোগ্য যে আমি যিটো ভাষাৰে সহজে মনৰ ভাৱ প্রকাশ কৰিব পাৰোঁ, যিটো ভাষাৰ বিকাশত আমাৰ জাতীয় অস্তিত্ব সুৰক্ষিত হ'ব, জাতিটো সাহিত্য-সম্পদেৰে সমৃদ্ধিশালী হ'ব, সেই ভাষাটোৰ বিকাশত অধিক গুৰুত্ব দিয়া প্রয়োজন। অৱশ্যে এই কথাষাৰৰ অর্থ এইটো নহয় যে আমি আন ভাষাবিলাক শিকিব নালাগে। প্রয়োজনৰ তাগিদাত আমি ভালেমান ভাষাই শিকিব লাগিব। কিন্তু, সমান্তৰালভাৱে আমাৰ মাতৃভাষাটোক যাতে হীন চকুৰে নাচাওঁ তাৰ প্রতি সদা-সতর্ক হোৱা উচিত।

**গ্রন্থপঞ্জী ঃ**

১। কোঁৱৰ, অর্পণা ঃ ভাষা-বিজ্ঞান উপক্রমণিকা, প্রকাশক - শ্রীমাখন হাজৰিকা, বনলতা, ডিব্রুগড়-১, প্রথম প্রকাশ- ছেপ্তেম্বৰ, ২০০২।
২। গোস্বামী, উপেন্দ্রনাথ ঃ ভাষাবিজ্ঞান, মণি-মাণিক প্রকাশ, গুৱাহাটী, জুলাই, ২০০৯
৩। দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ ঃ আধুনিক ভাষাবিজ্ঞান পৰিচয়, প্রকাশক - শ্রীমাখন হাজৰিকা, বনলতা, ডিব্রুগড়-১, প্রকাশ- ২০০৬।
৪। পাঠক, ৰমেশ ঃ ভাষা বিজ্ঞানৰ ভূমিকা, প্রকাশক - অসম অকাডেমীক চেণ্টাৰ, গুৱাহাটী - ৩, প্রথম প্রকাশ - ডিচেম্বৰ, ১৯৮০।
৫। ফুকন পাটগিৰী, দীপ্তি ঃ ভাষাতত্ত্ব, প্রকাশক - শ্রীমাখন হাজৰিকা, বনলতা, ডিব্রুগড় - ১, প্রথম সংস্কৰণ, চেপ্তেম্বৰ, ১৯৯১

** যাৰ জীৱনত কোনো পৰিৱর্তন ঘটা নাই, তেওঁ হয় আটাইতকৈ জ্ঞানী, নহয় আটাইতকৈ মূর্খ ব্যক্তিজন হ'ব লাগিব।*
— কনফুচিয়াছ



# Status of Women in the Igbo African Culture and in the Catholic Church

**Violina Borah**
Faculty, Department of English

**Introduction :**

Many scholars have pointed to the loss of traditional Igbo egalitarian political institutions that accorded women a more integral role in pre-colonial Nigerian than exists now. This indicates that silencing women's voice and limiting their exercise of leadership, as observed in many Igbo communities within and outside Nigeria today, are not intrinsic to Igbo culture. They are an aftermath of the introduction of medieval Western Christian notions of women's inferiority into Nigeria by British colonizers, Christian missionaries and the Nigerian male elite favoured by the change. Many present generation Igbos have no memory of these empowering traditions.

Consequently, they oppose change and wrongly accuse Igbo women who resist male oppression of not knowing their culture or of having lost in through exposure to the Euro-American women's movement. Incidentally, women's current participation in government both in civil society and in Catholic Church leadership in the predominantly. Modern north of Nigeria for surpasses that in the more Christian South-east, where women are often thought to be free.

**Women's autonomy in pre-colonial Igbo society:**

The Igbo people live in south eastern Nigeria. Historically, they have been predisposed to democratic and egalitarian social arrangements, which accorded women a degree of autonomy. A system of gender power before

** একমাত্র কাম আৰু আদর্শতে জীৱন উৎসর্গা নকৰিবা। মানৱিক সম্পর্কই হ'ল জীৱনৰ শ্রেষ্ঠ সম্পদ। সেয়া মই বৰ পলমকৈ গম পালোঁ।* — কাথাৰিও চুছমাহ প্রিচার্ড

colonial policies upset the system, tilting it in favour of men and in the direction of the Western Christian cultural inferiorizations of women.

**Protesting the British marginalization of women:**

The system of government, commerce and education introduces by the British marginalized women and favoured men. When colonial and missionary policies, following European customs, turned things around by treating men as 'the main providers' and women as housewives and dependents, they took away women's power and along with it men's respects for women. This marginalization was the main reason for the women's protest in 1029.

The strategy employed by the women was one of their political conflict resolution schemes included in the concept of 'sitting on a man', geared simply to bringing the other party to negotiation. Thus, despite their relative gain from formal education and western Christian Civilization, Igbo women are comparatively in a worse place than were their foremothers who marched in the Women's war of 1992.

**Western Christianity's role in reinforcing women's inferiorization :**

The educational system introduced by the British did not prepare women for the labour market. It focused solely on domestic roles in marriage, as defined by Western norms for housewives another entirely foreign to IGBO land.

Western Christianity's role in disempowering IGBO women was fourfold: the educational system and labour market entrenched gender stratification; a precumenical spirit forbidding Christians from associating with traditional worshippers and Christians of other denominations divided the women and weakened their solidarity.

**The Challenge of women's cultural subordination:**

Despite the relatively positive status of women in IGBO society past and present, they face cultural subordination. Cultural subordination manifests itself in male child preference, rigid gender-specific roles, certain marriage and buried customs, including harmful widowhood practices, and exclusion from certain privileges, inheritance entitlements, and rituals like the kolanut blessing. The kolanut is a seed usually presented to visitors as a sing of welcome and

* পৰম আৰু স্থায়ী সুখ স্বৰ্গত থকা ইন্দ্ৰৰ কাৰণেও লাভ কৰা সম্ভৱ নহয়। — অনুশাসন পৰ্ব, মহাভাৰত



unity. As in the Catholic Encharist, women are excluded from officiating at the blessing and breaking of the Kolanut, especially in mixed gender gatherings.

Beneath the reasons given for excluding women from presiding over the Encharistic and Kolanut blessings are negatively operating cultural and biblical myths about women that must be explored in order to challenge women's secondary status.

**Towards liberative incultivation :**

Incultivation must be accompanied by a consciousness of gender and social justice. Male theologians often do not address issues of subordination that impinge on women. They preach and write gloriously about women, yet when it comes to making reacharges to implement women's equality with men, some of these are evasive while others resort to an ethic of 'dignity and role' of women which betrays a functional approach to women and downplays women's humanity.

In light of the tendency to tolerate and rationalize women's oppression by invoking proof texts from the Bible, and because scared scriptures are tinged with cultural elements that are largely male-centered.

**Conclusion :**

Thus it is important to established criteria for deciding with biblical claim corresponds to the 'Good News of Christ' which means liberating and life giving for both men and women. Therefore, all customs, traditions and cultures are to be shifted in the light of Christ's Good New's in order to liberate the equal status of men and women. ▢▢

**Works cited :-**


1. Abanuka, B. Myth and the Africa Universe Onitsha, Nigeria : Spiritan Publications, 1991
2. Onwubiko, O. A. African thought, religion and culture Enugu, Nigeria : SNAAP Press, 1991
3. Vawter, B. Creation stories Microsoft Encarta, Online Encyclopedia 2001
4. Critical Half Annual Journal of women for women International, Volume - 1, member 1, 2003


* বয়স অনুযায়ী নহয়, সামৰ্থ্য অনুযায়ীহে মানুহে জ্ঞান অৰ্জন কৰে। — টিটাচ মাবিয়াছ লুটাছ

# নাৰী, গান্ধীজী আৰু ভাৰতীয় সমাজ

ৰশ্মিতা বৰকটকী
অৰ্থনীতি বিভাগ

অতীজৰে পৰা ভাৰতীয় সমাজত নাৰীয়ে এক বৈচিত্ৰপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। ঋক্ বেদৰ পৰা এইটো জানিব পৰা যায় যে, সেই যুগৰ কৃষিজীৱী আৰ্য সমাজত নাৰীয়ে পুৰুষৰ সমানে স্বীকৃতি লাভ কৰিব পাৰিছিল। তেওঁলোকৰ মাজত পৰিয়াল আৰু সমাজৰ বান্ধোন শিথিল আছিল কাৰণে আৰ্য নাৰীয়ে মুকলিমূৰীয়াভাৱে পুৰুষৰ লগত সমানে ঘুৰা-ফিৰা কৰিছিল।

কিন্তু লাহে লাহে যেতিয়া এই আৰ্য ফৈদবিলাকে সামাজিক আৰু ৰাজনৈতিকভাৱে সংগঠিত হ'বলৈ ধৰিলে; তেতিয়াই সমাজত নাৰীৰ স্থানৰ পৰিবৰ্তন হ'বলৈ লয়। কথা হ'ল, কৃষিজীৱী সমাজৰ শান্তিৰ গৌৰৱপূৰ্ণ যুগৰ পৰৱৰ্তী পৰ্য্যায়ত ইজনে সিজনৰ স্ত্ৰী আৰু পথাৰৰ শস্য অপহৰণ কৰিবলৈ লয়। তাৰ ফলশ্ৰুতিত সমাজ হিংসাত্মক আৰু বিধি-বিধান নোহোৱা কাৰ্য্যৰ কেন্দ্ৰ হৈ পৰিল। সেয়ে সম্পত্তি আৰু নাৰীকেই সমস্যাৰ মূল বুলি অভিহিত কৰা হ'ল। সমাজৰ শৃংখলা ৰক্ষা কৰিবলৈ ব্যক্তিগত সম্পত্তি আৰু বিবাহ প্ৰতিষ্ঠান স্বীকাৰ কৰ্া। লোৱা হয় আৰু সেই সয়মৰ পৰাই সমাজত ন ী। স্থানৰ অৱনতি হ'বলৈ লয়। পৰৱৰ্তী পৰ্যায়ত নাৰীয়ে যাগ-যজ্ঞত অংশগ্ৰহণ কৰিব নোৱাৰা হ'ল, বেদ পাঠ কৰাৰ পৰা বঞ্চিত হ'ল তথা তেওঁলোক ঘৰৰ চাৰিবেৰৰ মাজত পৰ্দাৰ আঁৰত সোমাই পৰিল। ইয়াৰ লগতে বৰ্ণ সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তাৰ কথা আহি পৰিল। সেইকাৰণে বাল্য বিবাহ প্ৰৱৰ্তন কৰি ছোৱালীয়ে যাতে অন্য জাতিৰ লগত মিলা-মিছা কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰা হ'ল। লগতে সতীত্বৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ল। মুঠতে নাৰী হৈ পৰিল পুৰুষৰ হাতৰ পুতলা। বৈদিক যুগৰ শেষ পৰ্য্যায়ত নাৰীৰ স্থান বিশ্লেষণ কৰি বুৰঞ্জীয়ে আমাক কৈছে, "জীয়েকসকলক দুখ-দুৰ্দশাৰ মূল বুলি ধৰা হৈছিল। তিৰোতা সকলে ফৈদৰ 'সমিতি' বা 'সভা' লৈ যাব নোৱাৰিছিল বা সা-সম্পত্তিৰ ভাগ নাপাইছিল। উচ্চ শ্ৰেণীৰ বিবাহিতা নাৰীয়ে আন ফেৰমৰা পত্নীৰ উপস্থিতিত ভুগিব লাগিছিল। এই সংক্ৰান্তত ৰাজৰাণীসকলৰ জীৱন বিশেষকৈ ঈৰ্ষা কৰিবলগীয়া নাছিল। 'মহিষী' অৰ্থাৎ পাটমাদৈ আৰু 'ভভতা' অৰ্থাৎ আটাইতকৈ চেনেহৰ দৰে দুই এগৰাকীক মৰম আৰু সন্মান কৰা হৈছিল





যদিও 'পৰিভৃক্তি'ৰ দৰে আনসকলক সঁচাকৈয়ে অৱজ্ঞা কৰা হৈছিল। বিবাহৰ নিয়ম অধিক কঠোৰৰ ফালে ঢাল খালে আৰু বাল্যবিবাহো সংঘটিত হৈছিল।" (মজুমদাৰ, ৰায়চৌধুৰী, দত্ত ঃ এন এডভান্সড হিষ্ট্ৰী অব্ ইণ্ডিয়া)

এনেদৰে ভাৰতীয় সমাজত দেখা যায় যে বৈদিক, আৰ্য যুগৰে পৰা আৰম্ভ কৰি আধুনিক যুগলৈকে নাৰীক অৱদমিত কৰি ৰখাৰ প্ৰচেষ্টা অব্যাহত আছে। বিশেষকৈ পিচৰ পৰ্য্যায়ত ভাৰতবৰ্ষত বিভিন্ন কু সংস্কাৰ, কু প্ৰথাই দকৈ শিপাই ভাৰতীয় সমাজত বহুত তললৈ নমাই আনিছিল। আধুনিক ভাৰতত ৰাজা ৰামমোহন ৰায়, দয়ানন্দ সৰস্বতী ইত্যাদিৰ দৰে জাতিৰ পিতা মহাত্মা গান্ধীয়েও নাৰীক কেন্দ্ৰ কৰি গঢ়ি উঠা সমাজৰ কু প্ৰথা, কু সংস্কাৰবোৰ দূৰ কৰি সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ দিশটোত গুৰুত্ব প্ৰদান কৰিছিল। তেখেতে এক গভীৰ দৃষ্টিভঙ্গীৰে নাৰী জীৱনলৈ অৱলোকন কৰি নাৰীৰ প্ৰতি সমাজে কৰা অবিচাৰ দূৰীকৰণ, সমাজত নাৰীৰ ভূমিকা আদি তথ্যগধুৰ বিষয়সমূহ 'ইয়ং ইণ্ডিয়া', 'নৱ জীৱন', 'হৰিজন' আদি পত্ৰিকাত নিজৰ দৰ্শনমূলক অভিমত প্ৰকাশ কৰিছিল। সমাজত নাৰীৰ ভূমিকা বিশেষভাৱে তুলি ধৰিবৰ বাবেই গান্ধীজীৰ নেতৃত্বত মুম্বাইত 'ভগিনী সমাজ'ৰ জন্ম হয়। এই 'ভগিনী সমাজ'ৰ জৰিয়তেই তেখেতে নাৰী জাতিৰ উন্নতিৰ কল্পে মহিলাসকলক দায়িত্বশীল হ'বলৈ আহ্বান জনোৱাৰ লগতে পুৰুষসকলকো সেই বিষয়সমূহৰ প্ৰতি সজাগ হ'বলৈ উপদেশ দিয়ে। ১৯১৮ চনৰ ২০ ফেব্ৰুৱাৰীত মুম্বাইত অনুষ্ঠিত বছৰেকীয়া সন্মিলনত গান্ধীজীয়ে সভাপতিৰ আসনৰ পৰা কৈছিল, "মুনিহ আৰু তিৰোতাৰ মৰ্যাদা সমান; কিন্তু একে নহয়। মুনিহ-তিৰোতা দুয়োৰে যুগ্মতা অতুলনীয়। এজন আনজনৰ পৰিপূৰক। এজনৰ অবিহনে আনজনৰ অৱস্থিতি কল্পনাই কৰিব নোৱাৰি। এইবোৰ কথাৰ পৰা স্বাভাৱিকতে ইয়াকে বুজিব পাৰি যে যি কথাই এজনৰ মৰ্যাদা হানি কৰে সেই কথা দুয়োজনৰে সমানে হানিকৰ হ'ব।" তেখেতৰ মতে জাগৰণৰ অৰ্থই হ'ল অধোগতিৰ পৰা উন্নতিৰ পথলৈ যোৱা। আৰু এই কথা নাৰী জাগৰণৰ ক্ষেত্ৰটো প্ৰযোজ্য হয়। গতিকে নাৰী জাতিৰ অধোগতিৰ কাৰসমূহৰ বিশ্লেষণ জৰিয়তেহে নাৰী জাগৰণৰ পথ প্ৰশস্ত কৰিব পৰা যায়। নাৰীসকল নিজৰ অৱস্থাৰ বাবে নিজেই সজাগ হ'ব লাগিব। বৰ্তমানৰ প্ৰেক্ষাপটতো দেখা যায় যে নাৰীকেন্দ্ৰিক সমস্যাসমূহৰ বিষয়ে স্বয়ং নাৰীসকলেই সজাগ নোহোৱাৰ বাবে সমস্যাসমূহৰ সমাধান সম্ভৱ হৈ উঠা নাই। এইখিনিতে প্ৰশ্ন হয় যে শিক্ষিত নোহোৱাৰ বাবেই নাৰীসকল নিজ সমস্যাৰ প্ৰতি সজাগ নহয় নেকি? ইয়াৰ উত্তৰ গান্ধীজীয়ে কৈছিল, "ফলি পুথিৰ পৰা পোৱা শিক্ষাৰ দ্বাৰাইহে কেৱল এই ভাৱ জগাই তুলিব পাৰি বুলি মই বিশ্বাস নকৰো। লিখিব পঢ়িবলৈ নিশিকোৱাকৈয়ে আমাৰ তিৰোতাসকলক তেওঁলোকৰ শোক লগা বাস্তৱৰ কথা আমি বুজাই দিব পাৰোঁ।" অৱশ্যে তেখেতে নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ দিশটোক উলাই কৰিবও বিচৰা নাই। তেখেতে কৈছে যে লিখা-পঢ়া, গণিত আদি নাজানিলেও বহুতো লাগতিয়াল কাম কৰিব পাৰিলেও শিক্ষা থাকিলে সেই কামখিনিকে অধিক সুচাৰুৰূপে কৰিব পাৰি। তেখেতে স্ত্ৰী শিক্ষাৰ প্ৰসঙ্গত কৈছে, "শিক্ষাহীন মানুহ পশুতকৈ বৰ বেছি বেলেগ নহয় বুলি ক'লে একো বঢ়াই কোৱা নহ'ব। সেইকাৰণে পুৰুষৰ দৰে তিৰোতাৰ কাৰণেও শিক্ষা প্ৰয়োজনীয়।" শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিলেও গান্ধীজীয়ে অৱশ্যে নাৰীৰ জীৱিকাৰ বাবে কাম বা ব্যৱসায় কৰাৰ পক্ষত নাছিল। তেখেতৰ মতে, "পত্নীয়ে স্বাধীনভাৱে জীৱিকা অৰ্জন কৰাৰ কথা মই সাধাৰণতে ভাবিব নোৱাৰো। তিৰোতাৰ সকলো

শক্তি নিয়োগ কৰিবৰ কাৰণে ল'ৰা-ছোৱালীৰ যত্ন আৰু ঘৰখন চলোৱাৰ কামেই যথেষ্ট।.... এই প্ৰসংগত তিৰোতাৰ অধিকাৰ কাঢ়ি লোৱা বা তিৰোতাৰ স্বাধীনতা দমন কৰা হৈছে বুলিও মই নাভাবো।" গান্ধীজীৰ এনে ধৰণৰ মতামতৰ পৰা অনুভৱ হয় যে তেখেতে নাৰী জাগৰণ বা নাৰী অধিকাৰৰ গুৰুত্বক উপলব্ধি কৰিলেও পুৰুষতান্ত্ৰিক মানসিকতাৰ পৰা সম্পূৰ্ণ ৰূপে ওলাই আহিব পৰা নাছিল। তেখেতে স্বীকাৰ কৰিছে যে তিৰোতা আপোন গৃহৰ সম্ৰাজ্ঞী, দাসী নহয়। আনহাতে তেখেতেই কৈছে যে, পৰিয়াল প্ৰতিপালন কেৱল পুৰুষৰহে কাম। তাত মহিলাই অংশগ্ৰহণ কৰাটো কেতিয়াও কাম্য নহয়।

সকলো সমাজৰ বাবেই বিবাহ এটা তাৎপৰ্য্যপূৰ্ণ সামাজিক অনুষ্ঠান বুলি গণ্য হ'লেও এই বিবাহক কেন্দ্ৰ কৰিয়েই ভাৰতবৰ্ষ বিভিন্ন নাৰীকেন্দ্ৰিক সমস্যাৰে জৰ্জৰিত হৈছিল আৰু বৰ্তমানেও হৈ আছে। বাল্যবিবাহ আছিল ভাৰতত প্ৰচলিত তেনে ধৰণৰ এক কু প্ৰথা বা সমস্যা। ভাৰতৰ অনেক সম্প্ৰদায়ৰ মাজত প্ৰচলিত ৰীতি অনুসৰি অতি কম বয়সত ছোৱালীক বিয়া দিয়া হৈছিল। গান্ধীজীৰ মতে বাল্য বিবাহ সমাজৰ প্ৰতি এক প্ৰচণ্ড অভিশাপ, সমাজৰ এক অক্ষমনীয় পাপ। সেয়ে তেখেতে ছোৱালীৰ বিবাহৰ এটা যোগ্য বয়স নিৰূপনৰ সপক্ষে মত প্ৰকাশ কৰিছিল। বৰ্তমান সময়ত বাল্য বিবাহ আইনমতে দণ্ডনীয় বুলি বিবেচিত হৈছে তথা বিবাহৰ উপযুক্ত সীমাও নিৰ্দ্ধাৰিত হৈছে। তথাপি ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত এতিয়াও কম বয়সতে ছোৱালী বিয়া দিয়াৰ কাৰ্য্যক নুই কৰিবও নোৱাৰি। যি কি নহওক নাৰীকেন্দ্ৰিক বিভিন্ন সমস্যা সাধানৰ ভাৰ গান্ধীজীয়ে বিশেষভাৱে নাৰীসকলৰ ওপৰতেই অৰ্পণ কৰিছে। তেখেতে কৈছে কু সংস্কাৰ আঁতৰোৱাৰ কামটো প্ৰধানতঃ তিৰোতাসকলৰ। তেখেতৰ মতে, " পুৰুষে নিজৰ কৰিবলগীয়াখিনি নিশ্চয় কৰিব। এই বিষয়ে সন্দেহ নাই। কিন্তু পুৰুষ যেতিয়া পশুত্বৰ পৰ্যায়লৈ যায়, তেতিয়া পুৰুষে যুক্তি বিচাৰলৈ কৰ্ণপাত নকৰে।" এইখিনিতে মনত বাৰে বাৰে খুন্দিয়াই থকা প্ৰশ্নটো হ'ল, 'পুৰুষে নিজৰ কৰিবলগীয়াখিনি নিশ্চয় কৰিব' বুলি ভাবি থাকিলে জানো হ'ব? নাৰীসকলৰ লগত জড়িত বিভিন্ন সমস্যাৰ ক্ষেত্ৰত নাৰীৰ সমানে পুৰুষসকলো সজাগ হ'ব লাগিব। নাৰীৰ সমস্যা নাৰীয়েহে ভালদৰে বুজি পাব বুলি থকা ধাৰণাৰ বাবেই স্বাধীনতাৰ ইমান বছৰৰ পাছতো নাৰী নিৰ্যাতনৰ সমস্যা আই প্ৰণয়ন কৰিও লাঘৱ কৰিব পৰা নাই। আজিও পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থা 'লাও যিমানেই ডাঙৰ নহওক পাতৰ তলত' এনে ধাৰণাৰ দ্বাৰাই পৰিচালিত।

আন এক প্ৰসঙ্গত নাৰী জীৱনৰ কৰ্তব্যলৈ দৃষ্টি ৰাখি গান্ধীজীয়ে কৈছিল যে পুৰুষসকলে নাৰীক সদায় অবলা বুলি অভিহিত কৰি অহাটো সমীচীন নহয়। দৈহিক গঠনত নাৰী পুৰুষৰ পাৰ্থক্য থাকিলেও নাৰী শক্তিৰ আধাৰ। তেখেতৰ দৃষ্টিত নাৰী পুৰুষৰ ভেদ নাই। তেখেতে স্বীকাৰ কৰিছে যে সমাজৰ মঙ্গলৰ অৰ্থে, দেশৰ কল্যাণৰ অৰ্থে নাৰীয়ে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে আৰু এই ভূমিকাৰ উৎস হৈছে নাৰীৰ ত্যাগ। তথাপি গান্ধীজীৰ মতে নাৰীৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হৈছে মাতৃত্বৰ কৰ্তব্য। শিশুকেইটিক মানুহ কৰাৰ, দেশৰ উপযুক্ত নাগৰিক কৰি গঢ়ি তোলাৰ প্ৰধান কৰ্তব্য তেখেতৰ মতে এগৰাকী মাতৃৰহে। তেখেতে কৈছে, " ঘৰুৱা জীৱনটো হৈছে সম্পূৰ্ণভাৱে তিৰোতাৰ গণ্ডীত। সেইকাৰণে ঘৰুৱা কামত ল'ৰা-ছোৱালী ডাঙৰ-দীঘল কৰি শিক্ষা দিয়াৰ কামত তিৰোতাৰ অধিক জ্ঞান থকা উচিত।" একে প্ৰসংগতে পুৰুষৰ কাৰ্যৰ কথা উল্লেখ কৰি তেখেতে কৈছে, "বিবাহিতা দম্পতীৰ ক্ষেত্ৰত বাহিৰা জগতৰ কামত পুৰুষ

* *শিশুৰ কাৰণে পৃথিৱীত অকল সাতটাই আশ্চৰ্য নহয়, তেওঁৰ চকুত সেই আশ্চৰ্যৰ সংখ্যা সাত নিযুত।* — **ৱাল্ট ষ্টেইটিফ**



সদায়েই ওপৰত। সেইকাৰণে পুৰুষৰ এনে কামত অধিক জ্ঞান থকা যথাৰ্থ নিয়ম সংগত কথা।" এনেধৰণৰ ব্যক্তব্যৰ মাজত এটা স্ববিৰোধী ভাৱ প্ৰতিফলিত হোৱা যেন অনুভৱ হয় তথা তেখেত পুৰুষতান্ত্ৰিক মনোভাৱৰ পৰা সম্পূৰ্ণৰূপে ওলাই আহিব নোৱাৰাটোকে প্ৰতিফলিত কৰিছে।

যি কি নহওক নাৰীসকলক তলত পেলাই থৈ কোনো এটা জাতি বা এখন সমাজ প্ৰকৃতাৰ্থত আগবাঢ়ি যাব যে নোৱাৰে সেই কথা গান্ধীজীয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল আৰু সেয়ে তেওঁ নাৰীসকলৰ সৰ্বাঙ্গীন উন্নতিৰ কথা চিন্তা কৰি যথাসম্ভৱ কাম কৰি যাবলৈ ত্ৰুটি কৰা নাছিল। বিশেষকৈ নাৰী জাতিৰ সমস্যা সম্পৰ্কে স্বয়ং নাৰীসকলেই অধিক সজাগ হ'ব লাগিব বুলি থকা তেখেতৰ ধাৰণাৰ তাৎপৰ্য্য আজিও বিদ্যমান। সামৰণিত উৰ্দু লেখিকা ইস্মাট চুগ্‌টায়ে কোৱা এষাৰ কথাৰ উদ্ধৃতি দি ক'ব বিছাৰিম, "As long as the women of our country continue to suffer oppression without resistance we will be weighed down by a sense of inferiority in political and economic spheres too."(Ismat Shugtai, A Life In Works, P. 10)

□□

---

*এখন দুৱাৰ বন্ধ হ'লে আন এখন দুৱাৰ খোল খায়। বন্ধ দুৱাৰখনক লৈ নিৰাশ নহ'বা, খোলা দুৱাৰখন বিচৰাত মনোনিবেশ কৰা, এয়াই জীয়াই থকাৰ মন্ত্ৰ।*

— **আলেকজেণ্ডাৰ গ্ৰাহামবেল**

*জীৱনৰ চুটি বাট নাই। জীৱনৰ শেষ দিনটোত এটা কথাই সকলোকে আমনি দিব, সেয়া হ'ল জীৱনটোতচোন একোৱেই শিকা নহ'ল।*

— **হেৰিছন ছেলিছবাৰী**

*জীৱন সম্পৰ্কে মোৰ বদ্ধমূল ধাৰণা হ'ল — উপভোগেই জীৱন। কিন্তু মোৰ উপদেশ হ'ল — কোনেও যেন সেই ধাৰণাক বাস্তৱায়িত নকৰে।*

— **চাৰ্লছ লেম্ব**

*জীয়াই থকাৰ বাবে পৃথিৱীখন অতি ভয়াবহ ঠাই। এয়া অসৎ মানুহৰ বাবে হোৱা নাই, হৈছে একো নকৰি ঘৰত বহি থকাসকলৰ বাবেহে।*

— **আইনষ্টাইন**

* *সকলো নদীয়েই সাগৰলৈ গতি কৰে যদিও সাগৰ কোনোদিনেই পৰিপূৰ্ণ নহয়।* — **বাইবেল**

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# চাকৰিটো আজুৰি অনা ছোৱালীজনী

মূল ঃ সুধা মূৰ্ত্তি

*(কিছুমান কামৰ বাবে মহিলাসকলক উদ্‌গণি যোগোৱা নহয়। বিশেষকৈ এনে এটা সময় আছিল যেতিয়া উচ্চ শিক্ষা, কাৰিকৰী শিক্ষা লাভ কৰিলেও চাকৰি কৰাৰ ক্ষেত্ৰত তেওঁলোকে বাধাৰ সন্মুখীন হ'ব লগা হৈছিল। কিন্তু তাৰ মাজতে এনে কিছু সাহসী আৰু আত্মবিশ্বাসী মহিলা আছিল যি নিজে চাকৰিটো আজুৰি আনিব পাৰিছিল। তেনে এগৰাকী মহিলাই হৈছে ইনফ'ছিছৰ অধ্যক্ষা তথা বিশিষ্টা লেখিকা সুধা মূৰ্ত্তি। এই সঁচা কাহিনীটো তেখেতৰ How I Taught My Grandmother To Read And Other Stories নামৰ গ্ৰন্থৰ পৰা লোৱা সঁচা কাহিনী।)*

ছোৱালীজনী সৰুৰে পৰাই পঢ়া-শুনাত মেধাৱী। ঘৰ কৰ্ণাটকৰ হুবুলি নামৰ ঠাইত। তাৰে হাবেৰি জিলাৰ বি ভি ভি কলেজ অব্ ইঞ্জিনীয়াৰিঙৰ পৰা বি ই, (ইলেক্ট্ৰিকেল) পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰি ইণ্ডিয়ান ইন্সষ্টিটিউট অব্ চায়েন্সৰ কম্পিউটাৰ চায়েন্স বিষয়ত এম টেকৰ ছাত্ৰ থকা সময়ৰ কথা। ইঞ্জিনীয়াৰিঙৰ স্নাতকোত্তৰ মহলাত তেৰেই একমাত্ৰ ছাত্ৰী। বিজ্ঞানৰ অইন শাখাৰ ছাত্ৰীসকলৰ লগত একেলগে ছাত্ৰী নিবাসতে থাকে। স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হৈ বিদেশত উচ্চ শিক্ষা লোৱাৰ প্ৰবল বাসনা মনত পুহি ৰাখিছিল। আমেৰিকাৰ কেইখনমান বিশ্ববিদ্যালয়ৰ পৰা বৃত্তি পোৱাৰ সুযোগো আহিছে। ভাৰতত থাকি চাকৰি কৰাৰ কোনো বাসনাই নাছিল তেওঁৰ। কিন্তু হঠাতে হোৱা এটা ঘটনাই সমস্ত পৰিকল্পনা সলনি কৰি পেলালে।

এদিন ছাত্ৰী নিবাসৰ পৰা শ্ৰেণীলৈ যোৱাৰ সময়ত তেওঁ জাননী ফলকত এটা বিজ্ঞাপন দেখিলে। টেলকোৰ এক গতানুগতিক বিজ্ঞাপন। তাত লিখা আছিল টেলকোৰ বাবে পৰিশ্ৰমী, মেধাৱী, কম বয়সীয়া ইঞ্জিনীয়াৰৰ প্ৰয়োজন। তলত লিখা এটা বাক্যই তেওঁক হতবাক কৰিলে, "মহিলা প্ৰাৰ্থীসকলে যেন আবেদন নকৰে।" জীৱনত তেওঁ প্ৰথমবাৰৰ বাবে অনুভৱ কৰিলে, মহিলাক বেলেগ দৃষ্টিৰে বিচাৰ কৰাৰ কথা। চাকৰি কৰাৰ ইচ্ছা নথকা ছোৱালীজনী জেদী হৈ সিদ্ধান্ত ল'লে যে তেওঁ সেই চাকৰিৰ বাবে আবেদন কৰিব। তেওঁৰ শ্ৰেণীৰ ফলাফল সদায় ভাল। কিন্তু তেওঁ জনা নাছিল যে জীৱনত উন্নতি কৰিবলৈ কেৱল পঢ়া-শুনাত মেধাৱী হোৱাটোৱেই আৱশ্যকীয় চৰ্ত নহয়।

ফোঁপাই জোপাই হোষ্টেললৈ উভতি আহি কাগজ লৈ আবেদন পত্ৰ লিখি তেওঁ যে এজনী





ছোৱালী সেই কথাও উল্লেখ কৰি ডাকযোগে পঠাই দিলে। টেলকোৰ শীৰ্ষ পদত কোন আছে তেওঁ নাজানে। তেওঁ ভাবিছিল টাটা পৰিয়ালৰ কোনোবা সদস্যই তাৰ শীৰ্ষ পদত থাকিব। বাতৰি কাকতত জে আৰ ডি টাটাৰ ছবি দেখিয়েই থাকে বাবে মনলৈ আহিল, তেঁৱেই তাৰ চেয়াৰমেন। খৰ-খেদাকৈ পষ্টকাৰ্ড এখনত তেখেতলৈয়ো এখন চিঠি লিখিলে এনেদৰে — " টাটা পৰিয়াল সদায়েই অগ্ৰদূত। তীখা, ৰাসায়নিক উদ্যোগ, বস্ত্ৰ শিল্প, ইঞ্জিন নিৰ্মাণৰ দৰে প্ৰাথমিক উদ্যোগ টাটা পৰিয়ালেই জন্ম দিছে। ১৯০০ চনৰ পৰাই উচ্চ শিক্ষাৰ প্ৰসাৰ কৰিবলৈও টাটাই দৃষ্টি নিক্ষেপ কৰিছিল। ইণ্ডিয়ান ইন্সটিটিউট অব্ চায়েন্স স্থাপন কৰাৰ মূলতে টাটাৰ অৱদান। এই প্ৰতিষ্ঠানৰ ছাত্ৰী হিচাপে মই ভাগ্যৱতী। কিন্তু এনেকুৱা এক সংস্থাত আপুনি চাকৰিৰ বাবে মহিলাসকলক বাধা প্ৰদান কৰাৰ বাবে মই অত্যন্ত হতাশ হৈছো।"

গ'ল কথা গুচিল। অলপ দিনৰ পাছত তেওঁলৈ টেলকোৰ তৰফৰ পৰা সাক্ষাৎকাৰৰ বাবে আমন্ত্ৰণ পত্ৰ আহিল। অহা-যোৱা খৰচ তেওঁলোকেই দিব। তেওঁ অলপ আচৰিতো হ'ল কথাটোত। ছাত্ৰী নিবাসৰ ছোৱালীবিলাকে ক'লে এই সুযোগতে বিনাখৰচত পুনালৈ যোৱা, আন একো নহ'লেও পুনাত শাৰী বৰ সস্তা। তেওঁলোকৰ কেইজনীমানে শাৰী কিনাৰ দায়িত্বও দিলে। কোনো কোনোৰ পৰা তেওঁ ত্ৰিশ টকাকৈ সংগ্ৰহো কৰিলে।

বিশেষ দিনটোত সাক্ষাৎকাৰ দিবলৈ টেলকোৰ কাৰ্যালয় পালেহি। কোঠাত সোমায়েই তেওঁ শুনিলে যে, এইজনীয়েই সেই জে.আৰ.ডিলৈ চিঠি লিখা ছোৱালীজনী। ছজনমান লোক সাক্ষাৎকাৰ ল'বলৈ বহি আছে। তেতিয়াহে তেওঁ সাক্ষাৎকাৰৰ গম্ভীৰতা ধৰিব পাৰিলে। মুহূৰ্ততে তেওঁৰ ভাৱ হ'ল, তেওঁ চাকৰিটো নাপায় আৰু তেওঁলোকে পক্ষপাতিত্বমূলক আচৰণ কৰিব। সেয়ে অলপ ৰূঢ়ভাৱেই তেওঁ ক'লে, "আশা কৰোঁ এয়া টেকনিকেল ইণ্টাৰভিউ"। মানুহকেইজন অলপ বিব্ৰত হ'ল তেওঁৰ কথাত। কিন্তু সাক্ষাতকাৰ যথাৰ্থভাৱেই হ'ল। বহুত টেকনিকেল প্ৰশ্ন কৰিলে, তেঁৱো সুন্দৰভাৱে উত্তৰ দিলে। অলপ পিছতে বয়সস্থ এজন লোকে ছোৱালীজনীক এইবুলি ক'লে, "আমি মহিলাসকলক কিয় আবেদন কৰিবলৈ মানা কৰিছিলো আপুনি জানেনে? তাৰ মূলতে হ'ল এই কাৰখানা গাড়ী নিৰ্মাণ কৰা কাৰখানা। প্ৰশিক্ষাৰ্থীসকলে চিফ্‌ট ডিউটি কৰিব লাগে। প্ৰশিক্ষণৰ বাবে জামছেদপুৰলৈও যাব লগা হয়। তেওঁলোকে নিজে গাড়ী চলাবও পাৰিব লাগে। পুৰুষ প্ৰশিক্ষাৰ্থীৰ বাবে আবাস আৰু অতিথিশালাৰ ব্যৱস্থা আছে। এনে পৰিৱেশত মহিলা নিয়োগ কৰিলে তেওঁলোকে সুকীয়া ব্যৱস্থা কি দৰে কৰিব। কাৰখানাৰ শ্ৰমিকসকলে বা মহিলাসকলক কেনে ব্যৱহাৰ কৰিব তেওঁলোকে তাক নাজানে। টেলকো তেওঁলোকৰ কৰ্মচাৰীৰ সুবিধা-অসুবিধাৰ প্ৰতি যথেষ্ট সতৰ্ক তাতে যদি তেওঁ মহিলা হয়। তেখেতে আৰু ক'লে যে পঢ়া-শুনাত আপুনি ভাল আমি মানি লৈছো। কিন্তু আপোনাৰ দৰে ছাত্ৰীৰ উপযুক্ত স্থান হ'ল গৱেষণাগাৰ।"

উদ্যোগ প্ৰতিষ্ঠানৰ সুবিধা-অসুবিধানো কেনে হ'ব পাৰে সেই বিষয়ে ছোৱালীজনীৰ বিশেষ ধাৰণা নাছিল। এনে প্ৰতিষ্ঠানেনো কেনেদৰে কাৰ্য নিৰ্বাহ কৰে তাকো তেওঁ নাজানিছিল। কিন্তু মানুহজনৰ কথাৰ মূৰত তেওঁ ক'লে, "কিন্তু কৰবাৰ পৰা নহ'লেও আন কৰবাৰ পৰা আপোনালোকে আৰম্ভ কৰা উচিত। সেয়া সম্ভৱ নহ'লে মহিলাই কোনো দিনে কাৰখানাত কাম কৰাৰ সুযোগ নাপাব। জীৱনৰ বহু ক্ষেত্ৰত আপোনালোকে অগ্ৰণী ভূমিকা পালন কৰিছে। শিল্পোদ্যোগৰ ক্ষেত্ৰতো আপোনালোক

আগবঢ়া। এতিয়া আপোনালোকেই যদি এনেদৰে চিন্তা কৰে পুৰুষসকলৰ এই স্থান মহিলাৰ বাবে চিৰদিনেই মৰিচীকা হ'ব।" আকৌ পুৰুষজনে ক'লে, "কৰ্মীসকলক প্ৰশিক্ষণ দিওঁতে টেলকোৰ বহু খৰচ হয় তদুপৰি আপোনাৰ বিয়াৰ বয়সো হৈছে। আপুনি বিয়াৰ পিছত স্বামীৰ চহৰলৈ গুচি গ'লেও আমাৰ বহুত ক্ষতি হ'ব।" ছোৱালীজনীয়ে উত্তৰ দিলে, "আপোনালোকৰ কথাৰ যথেষ্ট যুক্তি আছে। আপোনালোকৰ পত্নীসকলেও একেই কৰিছিল। এইটো আমাৰ দেশৰ ৰীতি। কিন্তু এইটোৱো সত্য যে বহু পুৰুষে প্ৰশিক্ষণৰ অন্তত কেইশমান টকা বেছিকৈ দিলে বেলেগ কোম্পানীলৈ গুচি যায়। আপোনালোকৰ কোনো সুকীয়া নিয়ম নাই যে তেওঁলোকক বাধা দিব পাৰে।"

বহু সময় এইদৰে সাক্ষাৎকাৰ চলাৰ পিছত ছোৱালীজনীক জনোৱা হ'ল যে তেওঁ টেলকোত চাকৰিটো পাইছে। এইদৰে তেওঁৰ নিজৰ ভৱিষ্যত গঢ়াৰ লগতে আন বহু ছোৱালীৰ বাবে পথপ্ৰদৰ্শক হৈ ৰ'ল।

---

"There is no chance for the welfare of the world unless the condition of woman is improved. It is not possible for a bird to fly on only one wing."

**— Swami Vivekananda**

"No struggle can ever succeed without women participating side by side with men."

**— Muhammad Ali Jinnah**

"A woman is like a tea bag — you can't tell how strong she is until you put her in hot water."

**— Eleanor Rosevelt**

"No country can ever truely florish if it stifles the potential of its women and deprives itself of the distributions of half of its citizens."

**— Michelle Obama**

"Women are the largest untapped reserviour of talent in the world."

**— Hillary Clinton**

---



**Bachendri Pal**, (born May 24, 1954), Indian mountaineer who in 1984 became the first Indian woman to reach the summit of Mount Everest.

* *মাতৃৰ কিঞ্চিত স্নেহ হাজাৰজন ধৰ্মগুৰুৰ শিক্ষাতকৈ বহু উৰ্ধত।* — স্পেনিছ প্ৰবচন



# চাৰ্ভিকেল কেঞ্চাৰৰ বিৰুদ্ধে এতিয়া সুৰক্ষিত হৈ থকাটো সম্ভৱ।

## চাৰ্ভিকেল কেঞ্চাৰ কি ?

**চাৰ্ভিকেল কেঞ্চাৰ হ'ল চাৰ্ভিক্সত[2] হোৱা এবিধ কেঞ্চাৰ।**

জৰায়ুৰ প্ৰৱেশদ্বাৰত চাৰ্ভিক্স অৱস্থিত আৰু জৰায়ুত সংক্ৰমণৰ প্ৰৱেশ ঘটাত ই বোধ কৰে।[8]




## কাৰ চাৰ্ভিকেল কেঞ্চাৰ হোৱাৰ সম্ভাৱনা থাকে ?

HPV সংক্ৰমণৰ কবলত পৰাৰ সবাতোকৈ বেচি বিপদ থাকে কম বয়সৰ মহিলা সকলৰ। যাৰ ফলত ভৱিষ্যতে চাৰ্ভিকেল কেঞ্চাৰত আক্ৰান্ত হোৱাৰ সম্ভাৱনা থাকিব পাৰে।[3]

অৱশ্য যি কোনো বয়সৰ মহিলা চাৰ্ভিকেল কেঞ্চাৰত আক্ৰান্ত হোৱাৰ বিপদ থাকে। সেই কাৰণে যিমান দুৰ সম্ভৱ ছোৱালীক ইয়াৰ পৰা বচাই ৰখাটোৱেই উৎকৃষ্ট কাম।[4]

* *মানুহে বহু কষ্ট স্বীকাৰ কৰি পৃথিৱীৰ সৰ্বোচ্চ শৃংগত আৰোহণ কৰিবলৈ সমৰ্থ হয়। কিন্তু তেওঁ তাত কেতিয়াও বসতি স্থাপন কৰিব নোৱাৰে।* — জৰ্জ বাৰ্ণাৰ্ড শ্ব

## এগৰাকী মহিলাৰ চাৰ্ভিকেল কেন্সাৰ কেনেকৈ হব পাৰে?

**এই কেন্সাৰ বংশগত নহয়।**[5]

হিউমেন পাপিলৌমাভাইৰাচ (HPV) নামৰ এবিধ ভাইৰাচৰ সৈতে সংক্ৰমণ হৈ চাৰ্ভিকেল কেঞ্চাৰ হয়। যি চাৰ্ভিক্সক সংক্ৰমিত কৰে।[5]

এই ভাইৰাচ হল সাধাৰণ আৰু যৌন অংশত হোৱা সংস্পৰ্শৰ দ্বাৰা ইসংক্ৰমিত হয়।[5,6]



সকলো HPV সংক্ৰমণ কেঞ্চাৰৰ কাৰণ নহয়. যদিও ইয়াৰ বেচিভাগেই স্বভাবিক, কিছুমানৰ দ্বাৰা কেঞ্চাৰ হব পাৰে।[5,6]

## চাৰ্ভিকেল কেন্সাৰ কেনেকৈ ধৰা পৰে ?

অগ্ৰগামী অৱস্থালৈ নহালৈকে চাৰ্ভিকেল কেঞ্চাৰে সাধাৰণতে কোনো লক্ষণ নেদেখুৱাই।[7]

স্ক্ৰীনিং টেষ্ট (যেনে পেপ স্মিয়াৰ) সংক্ৰমণৰ আগতীয়াকৈ লক্ষণ ধৰা পেলাব পাৰে, যিটো চাৰ্ভিকেল কেঞ্চাৰৰ কাৰণ হয়।[7]

অৱশ্যে প্ৰথমতে হোৱা HPV সংক্ৰমণ স্ক্ৰীনিঙে বোধ কৰিব নোৱাৰে।[8]

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

## ভাল খবৰ!

### চাৰ্ভিকেল কেন্সাৰৰ বিৰুদ্ধে সুৰক্ষা এতিয়া সম্ভৱ।

স্ক্ৰীনিঙৰ লগতে টীকাকৰণ হ'ল চাৰ্ভিকেল কেঞ্চাৰৰ বিৰুদ্ধে সম্ভৱপৰ উৎকৃষ্ট সুৰক্ষা।[8]

## কোনে টীকাকৰণ কৰোৱা উচিত ?

বয়ঃপ্ৰাপ্ত ছোৱালীক যিমান পাৰে সিমান সোনকালে টীকাকৰণ কৰোৱা উচিত, কাৰণ এই সময় টীকাকৰণৰ বাবে উপযুক্ত।[8]

অৱশ্যে সকলো মহিলাৰেই চাৰ্ভিকেল কেঞ্চাৰ[3] হোৱাৰ বিপদ থাকে। সেই কাৰণে আপোনাৰ টীকাকৰণৰ প্ৰয়োজন নেকি সেইকথা আপোনাৰ চিকিৎসকক সোধক।

## টীকাকৰণ কেনেকৈ কৰোৱা হয় ?

6 মাহৰ ভিতৰত
3টা ইনজেকচনৰ দ্বাৰা টীকাকৰণ
কৰোৱা হয়।



* আনন্দ লাভৰ বাবে সাফল্যই সকলো নহয়, কিন্তু সাফল্যৰ চাবি-কাঠী আনন্দ। আপুনি কৰি থকা কামটোক লৈ যদি আপুনি সন্তুষ্ট, তেনেহ'লে জানিব আপুনি এজন সুখী ব্যক্তিত পৰিণত হৈছে। — এলবাৰ্ট ছেৱেজাৰ

# Importance of Plants in Our Indoor Environment



Areca palm (Chrysalidocarpus lutescens)
Family : Aracaceae (Palmae)



Dracaena (Dracaeba sp.)
Family : Agavaceae



Aloe vera (Aloe sp)
Family : Liliaceae



Chrysanthemum (Chrysanthemum sp.)
Family : Compositae



Gerbera daisy (Gerbera jamesonii)
Family : Compositae



English Ivy (Hedera helix)
Family : Araliaceae



Lady Palm (Rhapis exelsa)
Family - Aracaceae (Palmae)



Spider Plant (Chlorophytum comosum)
Family : Liliaceae



Boston fern (Nephrolepis exaltata)



Peace Lily (Spathiphyllum sp.)
Family : Araceae



Snake plant (Sansevieria trifasciata)
Family : Agavaceae





মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ দুটি দৃশ্য




২৬ ছেপ্টেম্বৰ, ২০১৭ কচুজান বাগানত কৰা 'বস্ত্ৰ বিতৰণ' অনুষ্ঠান



২৯ নৱেম্বৰ, ২০১৭ ডক্টৰ মামনি ৰয়ছম গোস্বামীৰ মৃত্যুবাৰ্ষিকীত উদ্‌যাপন কৰা উদ্বোধনী অনুষ্ঠান






হিন্দী ছোৱালী বিদ্যালয়, তিনিচুকীয়াত 'Health & Hygiene' সম্পৰ্কীয় বক্তৃতানুষ্ঠান





১৪ নৱেম্বৰ, ২০১৭ কচুজান বাগানৰ অংগনৱাড়ী কেন্দ্ৰৰ অনুষ্ঠানত লেখন সামগ্ৰী বিতৰণ